অধ্যায় ৯ ঃ নৱ উত্থিত বিশ্ব দৃশ্যপট

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ ছোভিয়েট ইউনিয়নৰ খণ্ডিতকৰণ (disintegration) আৰু শীতল যুদ্ধৰ সমাপ্তি
৯.৪ নৱ উত্থিত বিশ্ব দৃশ্যপট ঃ সাম্প্রতিক ধাৰা
৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৬ অগ্রগতিৰ খতিয়ান
৯.৭ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- নতুন বিশ্ব দৃশ্যপটৰ পৃষ্ঠভূমিৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।
- ছোভিয়েট ইউনিয়নৰ খণ্ডিতকৰণ আৰু শীতল যুদ্ধৰ সমাপ্তিৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।
- শীতল যুদ্ধৰ পৰৱর্তী কালৰ বিশ্ব দৃশ্যপটৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- উত্থিত বিশ্ব দৃশ্যপটৰ ধাৰাসমূহ যেনে— কেন্দ্রীভূত বিশ্বৰ উত্থান,এক বহুকেন্দ্রিক বিশ্ব উত্থানৰ পথত প্রত্যক্ষ কৰিবলৈ পোৱা ধাৰাসমূহ যেনে— আন্তঃ ৰাষ্ট্রীয় সন্ত্রাসবাদৰ ভাবুকি, ৰাষ্ট্রসংঘ আৰু আঞ্চলিক সংস্থা সমূহৰ ভূমিকা আৰু পাৰিপার্শ্বিক বিষয়ৰ প্রতি বর্দ্ধিত আগ্রহৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৯.২ পৰিচয়

আমি দ্বিতীয় অধ্যায়টিত শীতল যুদ্ধৰ বিষয়ে আলোচনা কৰিলো। শীতল যুদ্ধৰ ফলত আমেৰিকা যুক্তৰাষ্ট্রৰ নেতৃত্বত পশ্চিমীয়া পুঁজিবাদী গোষ্ঠী আৰু পূর্বৰ ছোভিয়েট ইউনিয়নৰ নেতৃত্বত পূবৰ সাম্যবাদী গোষ্ঠীৰ মাজত পাৰস্পৰিক শত্রুতাপূর্ণ সম্পর্ক গঢ়লৈ উঠে। শীতল যুদ্ধৰ সমাপ্তিয়ে এক নতুন যুগৰ পাতনি মেলে। এই অধ্যায়টিত আমি শীতল যুদ্ধৰ পাছৰ কাল চোৱাত উত্থিত বিশ্ব দৃশ্যপটৰ বিষয়ে আলোচনা কৰিম।

৯.৩ ছোভিয়েট ইউনিয়নৰ খণ্ডিতকৰণ (disintegration) আৰু শীতল যুদ্ধৰ সমাপ্তি

দ্বিতীয় মহাযুদ্ধৰ সমাপ্তিৰ পিচত আন্তঃৰাষ্ট্রীয় ৰাজনীতিত শীতল যুদ্ধৰ উদ্ভৱ হৈছিল।

সাধাৰণ ভাষাত এই শীতল যুদ্ধ হ'ল দুই মহাশক্তিৰ মাজত সৃষ্টি হোৱা উত্তেজনাপূর্ণ সম্পর্ক (hostile relation)। দ্বিতীয় মহাযুদ্ধৰ পিচত সমগ্র বিশ্ব দ্বিমেৰুত বিভক্ত হৈছিল আৰু এই দুই মেৰুত দুখন শক্তিশালী ৰাষ্ট্র ক্রমে আমেৰিকা আৰু পূর্বৰ ৰাছিয়াই অৱস্থান কৰিছিল। আমেৰিকা যুক্তৰাষ্ট্রৰ নেতৃত্বত পশ্চিমীয়া পুঁজিবাদী গোষ্ঠী (Western Capitalist Bloc) গঠন হৈছিল আৰু পূর্বৰ ছোভিয়েট ইউনিয়নৰ নেতৃত্বত পূবৰ সাম্যবাদী গোষ্ঠী (Eastern Communist Bloc) গঠন হৈছিল। প্রতিটো গোষ্ঠীয়ে নিজ আদর্শৰাজি ৰোপণ কৰিবলৈ প্রচেষ্টা চলাইছিল, যাৰ ফলত দুয়ো শক্তিৰ মাজত পাৰস্পৰিক সন্দেহ আৰু অবিশ্বাস মনোভাবৰ সৃষ্টি হৈছিল। এই সময়ছোৱাত যুদ্ধ অথবা শান্তি কোনোটোৱেই বিৰাজ কৰা নাছিল।

দ্বিতীয় মহাযুদ্ধৰ পিচত সমগ্র বিশ্ব দুটা গোষ্ঠীত বিভক্ত হৈছিল। ইয়াৰে পশ্চিমীয়া পুঁজিবাদী গোষ্ঠীৰ নেতৃত্ব বহন কৰিছিল আমেৰিকা যুক্তৰাষ্ট্রই আৰু সাম্যবাদী গোষ্ঠীৰ নেতৃত্ব বহন কৰিছিল ছোভিয়েট ইউনিয়নে। এই সাম্যবাদী গোষ্ঠীটো ছোভিয়েট ইউনিয়ন আৰু পূব ইউৰোপৰ সামৰিক মিত্রতা স্থাপনকাৰী ৰাষ্ট্রসমূহক লৈ গঠিত হৈছিল। ইয়াৰ বিপৰীতে পুঁজিবাদী গোষ্ঠী আমেৰিকা যুক্তৰাষ্ট্র আৰু পশ্চিম ইউৰোপৰ উদ্যোগপ্রধান ৰাষ্ট্রসমূহ জাপান, কানাডা, অষ্ট্রেলিয়া আৰু নিউজিলেণ্ডক লৈ গঠিত হৈছিল। এনে ধৰণৰ দ্বিমেৰু ৰাজনীতিৰ ফলত এক শীতল যুদ্ধসদৃশ পৰিস্থিতিৰ সৃষ্টি হৈছিল আৰু ইয়াৰ লগে লগে পাৰস্পৰিক হিংসা উত্তেজনা আৰু সন্দেহৰ ভাবধাৰা গঢ় লৈ উঠিছিল। এটা গোষ্ঠীয়ে আনটোৰ ওপৰত দোষ জাপি দিছিল। ছোভিয়েট ইউনিয়নে আমেৰিকাৰ সাম্রাজ্যবাদী মনোভাবৰ তীব্র বিৰোধিতা কৰাৰ বিপৰীতে আমেৰিকা যুক্তৰাষ্ট্রই ছোভিয়েট ইউনিয়নৰ সাম্যবাদ বিস্তাৰ ৰোধ কৰিবলৈ দৃঢ়সংকল্পবদ্ধ হৈছিল। মুঠৰ ওপৰত আদর্শগত পার্থক্যই দুয়ো শক্তিগোষ্ঠীৰ মাজত গাঢ় ৰূপ ধাৰণ কৰিছিল।

১৯৮৫ চনৰ আগভাগৰ পৰা ছোভিয়েট ইউনিয়নৰ পতন ঘটিবলৈ আৰম্ভ হয়। কেইবাবছৰ ধৰি সামৰিক খণ্ডত অধিক অর্থ ব্যয় কৰাৰ ফলত অর্থনৈতিত স্থবিৰতাৰ সৃষ্টি হৈছিল। এনেসময়তে ছোভিয়েট ইউনিয়নৰ অংগৰাষ্ট্র সমূহে কেন্দ্রীয় নেতৃত্বৰ বিৰোধিতা কৰিবলৈ আৰম্ভ কৰে।১৯৮০ দশকৰ পিছৰ ভাগত ছোভিয়েট ৰাছিয়াৰ ৰাষ্ট্রপতি মিখেইল গোৰৰেছেভে ছোভিয়েট ৰাজনৈতিক আৰু অর্থনৈতিক ব্যৱস্থাৰ সংস্কাৰ সাধনৰ উদ্দেশ্য এক ৰাজনৈতিক আন্দোলন সৃষ্টি কৰে । এনেবোৰ কাৰণতে ছোভিয়েট ৰাছিয়াৰ ১৯৯১ চনত ছোভিয়েট ইউনিয়নৰ খণ্ডিতকৰণ (disintegration) আৰু শীতল যুদ্ধৰ সমাপ্তি ঘটে ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ কোনখন দেশৰ নেতৃত্বত পূবৰ সাম্যবাদী গোষ্ঠী (Eastern Communist Bloc) গঠন হৈছিল?

.....

.....

প্রশ্ন নং ২ ঃ কোনজন ছোভিয়েট ৰাছিয়াৰ ৰাষ্ট্রপতিয়ে ছোভিয়েট ৰাজনৈতিক আৰু অর্থনৈতিক ব্যৱস্থাৰ সংস্কাৰ সাধনৰ উদ্দেশ্য এক ৰাজনৈতিক আন্দোলন সৃষ্টি কৰিছিল?

.....

.....

প্রশ্ন নং ৩ ঃ পশ্চিমীয়া পুঁজিবাদী গোষ্ঠীৰ (Western Capitalist Bloc) যিকোনো দুখন দেশৰ নাম উল্লেখ কৰক।

.....

.....

৯.৪ নৱ উত্থিত বিশ্ব দৃশ্যপট ঃ সাম্প্রতিক ধাৰা

- **কেন্দ্রীভূত বিশ্বৰ (Unipolar World) উত্থান ঃ** ছোভিয়েট ৰাছিয়াৰ বিখণ্ডন (disintegration) আৰু শীতল যুদ্ধ অন্ত পৰাৰ লগে লগে দ্বিমেৰু (bipolar World) যুক্ত আন্তঃ ৰাষ্ট্রীয় ব্যৱস্থাই নিশ্চিত ভাবে একমাত্র মহাশক্তি, অর্থাৎ আমেৰিকা যুক্তৰাষ্ট্রৰ আধিপত্যই এক কেন্দ্রীভূত বিশ্বৰ উত্থানৰ পথ প্রশস্ত কৰে। বিভিন্ন জনে মত প্রকাশ কৰে যে আমেৰিকা যুক্তৰাষ্ট্রই সমগ্র বিশ্বজুৰি প্রয়োগ কৰা ইয়াৰ ৰাজনৈতিক সামৰিক, কূটনৈতিক, অর্থনৈতিক আৰু সাংস্কৃতিক শক্তিৰ জৰিয়তে বিশ্বৰ বিভিন্ন অংশত নিজৰ ৰাজনৈতিক কার্মসূচী আৰোপৰ চেষ্টা চলাইছে। ইউৰোপ, মধ্য প্রাচ্য, পাৰছিয়ান গালফ্ আৰু দক্ষিণ পূব এছিয়াত আমেৰিকা যুক্তৰাষ্ট্রৰ সামৰিক বাহিনীৰ উপস্থিতি মন কৰিব লগীয়া তথা বিশ্বৰ আটাইকেইখন মহাসাগৰতে আমেৰিকা যুক্তৰাষ্ট্রৰ নৌ-বাহিনীৰ ঘাঁটি বিদ্যামান। আমেৰিকা যুক্তৰাষ্ট্রই প্রায়েই নিজৰ জাতীয় স্বার্থ পূৰণৰ উদ্দেশ্যে সর্বোচ্চ সামৰিক ক্ষমতা অতি সক্রিয়ভাবে প্রয়োগ কৰি আহিছে। প্রাযুক্তিক উদ্ভাৱনৰ ক্ষেত্রতো আমেৰিকা যুক্তৰাষ্ট্র আগৰণুৱা আৰু বিশ্বৰ প্রায় সকলো অংশতে আমেৰিকা যুক্তৰাষ্ট্রৰ প্রভাৰ প্রতিফলিত হয়। বিশ্বৰ ভিতৰতে আমেৰিকা যুক্তৰাষ্ট্রৰ অর্থনীতি আটাইতকৈ বৃহৎ অর্থনীতি হিচাপে পৰিগনিত হৈছে আৰু ই বিশ্ব অর্থনীতিৰ বিভিন্ন দিশ নির্ধাৰণত নির্ণায়ক ভূমিকা পালন কৰি আহিছে।

  শীতল যুদ্ধৰ অন্ত পৰাৰ পিছৰে পৰা মধ্য প্রাচ্যত আমেৰিকা যুক্তৰাষ্ট্রৰ প্রভাৱ ক্রমশঃ বৃদ্ধি পায়। ২০০১ চনৰ ১১ ছেপ্তেম্বৰৰ আক্রমণৰ পিছত বিশেষকৈ ইৰাক আৰু আফগানিস্থানত সামৰিক অভিযান আৰম্ভ কৰাৰ পিছৰে পৰা মধ্যপ্রাচ্যত আমেৰিকা যুক্তৰাষ্ট্রৰ প্রভাৱ অধিক প্রবল হয়। আকৌ নতুন মিত্রদেশ যেনে এজাৰবেইজান, ইউক্রেন, জৰজিয়া আদি যিবোৰ দেশ আগতে ছোভিয়েট ইউনিয়নৰ অংশ আছিল সেইবোৰ দেশৰ সহায়ত আমেৰিকা যুক্তৰাষ্ট্রই শক্তি সমৃদ্ধ অঞ্চল ককাছাছতো (ইউৰোপ আৰু এছিয়াৰ সীমান্তৱর্ত্তী অঞ্চল) নিজৰ প্রভাৱ বিস্তাৰ কৰিছে। একে সময়তে শীতল

যুদ্ধৰ পৰৱৰ্তী কালছোৱাত নাটো (নৰ্থ আটলাণ্টিক ট্ৰিটি অৰ্গেনাইজেচন)ৰ প্ৰসাৰ পৰিলক্ষিত হয়, যিয়ে পূৰ্বে ছোভিয়েট ইউনিয়নৰ প্ৰভাৱাধীন পূৰ ইউৰোপৰ ৰাষ্ট্ৰসমূহকো সাঙুৰি লৈছে। গতিকে শীতল যুদ্ধৰ পৰৱৰ্তী কালছোৱাত আমেৰিকা যুক্তৰাষ্ট্ৰৰ আধিপত্যত সৃষ্টি হোৱা এক কেন্দ্ৰীভূত বিশ্বৰ নক্সা ক্ৰমশঃ দৃষ্টিগোচৰ হ'বলৈ ধৰিলে।

- **এক বহুকেন্দ্ৰিক বিশ্ব উত্থানৰ পথত প্ৰত্যক্ষ কৰিবলৈ পোৱা ধাৰাসমূহ ঃ** যদিও শীতল যুদ্ধৰ পৰৱৰ্তী কালত এককেন্দ্ৰিক বিশ্বৰ উত্থান পৰিলক্ষিত হয়, তথাপিও বহল ৰাজনৈতিক তথা অৰ্থনৈতিক দৃষ্টিকোণৰ পৰা আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিৰ বিভিন্ন ধাৰা তথা প্ৰবাহবোৰৰ সূক্ষ্ম পৰ্যবেক্ষণে দেখুৱাই যে শীতল যুদ্ধৰ পৰৱৰ্তী কালছোৱাত আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থাত এক বহুকেন্দ্ৰিক বিশ্বৰ উত্থানৰ কিছুমান ধাৰাও পৰিলক্ষিত হৈছে। যদিও আমেৰিকা যুক্তৰাষ্ট্ৰৰ সামৰিক তথা অন্য ধৰণৰ প্ৰাধান্যতা স্পষ্টভাবে পৰিলক্ষিত হয়, তথাপিও একেটা সময়তে অন্য কিছুমান শক্তি কেন্দ্ৰ যেনে- ইউৰোপীয় সংঘ (European Union), ব্ৰিকছ (BRICS- ব্ৰাজিল, ৰাছিয়া, ভাৰত, চীন আৰু দক্ষিণ আফ্ৰিকা -Brazil, Russia, India, China, South Africa), এছিয়ান (ASEAN) আদিৰো আৱিৰ্ভাৰ হৈছে যিবোৰে আহিবলগীয়া দশকবোৰত আন্তঃ ৰাষ্ট্ৰীয় ৰাজনীতিৰ বিভিন্ন দিশত প্ৰভাৱ পেলাব বুলি অনুমান কৰা হৈছে। ইউৰোপীয় সংঘই ইয়াৰ প্ৰভাৱ পূৰ্বৰ কমিউনিষ্ট দেশ লিথুআনিয়া, লেটিভিয়া, ইষ্টনিয়া, পোলেণ্ড, হাংগেৰী, ৰোমানিয়া আদিলৈকেও বিস্তাৰিত কৰিলে। বাণিজ্য আৰু অন্য কাৰণত ৰাষ্ট্ৰসমূহৰ মাজত ক্ৰমাৎ বৃদ্ধি হোৱা পৰস্পৰ নিৰ্ভৰশীলতাৰ পৰিপ্ৰেক্ষিতত বৰ্তমান বিশ্বত কোনো এক শক্তিয়ে স্বেচ্ছাচাৰিতাৰে কাৰ্য সাধন কৰিব নোৱাৰে, বৰঞ্চ ৰাষ্ট্ৰসমূহৰ মাজৰ পৰস্পৰ নিৰ্ভৰশীলতাই এইটোও সুনিশ্চিত কৰে যে বিশ্বৰ মহাশক্তিবোৰেও অন্য ৰাষ্ট্ৰসমূহৰ লগত সদ্ভাৱনামূলক সম্পৰ্ক ৰক্ষাৰ প্ৰয়োজনীয়তা আছে।

  গতিকে, এইটো সত্য যে যদিও আমেৰিকা যুক্তৰাষ্ট্ৰ শীতল যুদ্ধৰ পৰৱৰ্তী কালত একমাত্ৰ মহাশক্তি হিচাপে পৰিগণিত হৈছে, তথাপিও অন্য শক্তি কেন্দ্ৰবোৰো ক্ৰমাৎ বৰ্দ্ধিত অৰ্থনৈতিক আৰু ৰাজনৈতিক শক্তিৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিৰ উল্লেখযোগ্য এককত পৰিগণিত হৈছে। এনেদৰে, সাম্প্ৰতিক সময়ত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বাহিৰেও অন্য গুৰুত্বপূৰ্ণ শক্তিকেন্দ্ৰ অথবা গোষ্ঠীসমূহ যেনে ইউৰোপীয় সংঘ চীন, জাপান, ৰাছিয়া, ভাৰত, ব্ৰাজিল আদিয়েও বিশ্বৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক দৃশ্যপটত মুখ্য ভূমিকা পালন কৰিবলৈ লৈছে।

- **আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদৰ ভাবুকি ঃ** আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদৰ ভাবুকি আন এক সমস্যা যিয়ে বৰ্তমান বিশ্বত সন্ত্ৰাসৰ সৃষ্টি কৰিছে। বিভিন্ন সন্ত্ৰাসবাদী সংগঠনে বিশ্বতে সন্ত্ৰাস আৰু ঘৃণাৰ ভাব বিয়পাইছে, যাৰ পৰিণতিত সমগ্ৰ বিশ্ববাসীয়ে হিংসাজৰ্জৰ পৰিস্থিতিৰ সমুখীন হ'ব লগীয়া হৈছে। বৰ্তমানৰ সন্ত্ৰাসবাদী সংগঠনবোৰে আন্তঃৰাষ্ট্ৰীয় চৰিত্ৰ লাভ কৰিছে। এই সংগঠনবোৰৰ বিত্তৰ উৎসই দেশীয় সীমাৰ পৰিধি অতিক্ৰম কৰিছে,

আনকি এই সংগঠবোৰে কিছুমান বে-আইনী কার্যকলাপ যেনে অস্ত্র-শস্ত্র সৰবৰাহ, ড্রাগ সৰবৰাহ আদি কার্য্যতো জড়িত হৈছে, বিশেষকৈ বহুতো সন্ত্রাসবাদী সংগঠনৰ বাবে ড্রাগ সৰবৰাহটো বিত্ত সংগ্রহৰ এক গুৰুত্বপূর্ণ উৎস হিচাপে পৰিগণিত হৈছে। যোগাযোগ প্রযুক্তিৰ ক্ষেত্রখনৰ দ্রুত উন্নতিয়ে সন্ত্রাসবাদী সংগঠনবোৰক পৰিকল্পনা কৰা, প্রশিক্ষণ দিয়া আৰু ৰাজনৈতিক সন্ত্রাসবাদক সহজে আৰু দ্রুতগতিত কার্যকৰী ৰূপ দিয়াত সহায় কৰিছে। সাম্প্রতিক সময়ত সন্ত্রাসবাদী সংগঠনবোৰৰ মাজৰ যোগাযোগ আৰু কার্যাৱলী সমগ্র বিশ্বজুৰি সম্প্রসাৰিত হৈছে যাৰ সহায়ত এই সংগঠনবোৰে ৰাষ্ট্রীয় সীমা অতিক্রম কৰি বিশ্বৰ যিকোনো ঠাইতে হিংসাত্মক কার্য সংঘটিত কৰিবলৈ সক্ষম হৈছে। সন্ত্রাসবাদৰ সমস্যা সমাধান কৰিবলৈ বিভিন্ন ৰাষ্ট্রৰ চৰকাৰসমূহে চোৰাংচোৱা বিভাগৰ তথ্যৰ আদান-প্রদান, যুটীয়া সামৰিক অভিযান আৰু নীতি নির্ধাৰণৰ ক্ষেত্রত পৰস্পৰৰ মাজত সহযোগিতা আৰু সমন্বয় বৃদ্ধি কৰাৰ প্রয়োজন যাতে বিশ্বৰ যিকোনো যাতে সন্ত্রাসবাদী কার্যকলাপে উৎসাহ লাভ নকৰে আৰু নৃগোষ্ঠীয় সংঘর্ষ অথবা ধর্মীয়গোষ্ঠীমূলক সংঘর্ষৰ সৃষ্টি কৰা অৱস্থিতিৰ অৱতাৰণা নহয়। বিশ্বৰ আটাইবোৰ ৰাষ্ট্রই সন্ত্রাসবাদ নির্মূল কৰাৰ বাবে সুঅনুষ্ঠান গঢ়া, সুশাসন আৰু সহনশীলতা আৰু মৌলিক মানৰ অধিকাৰৰ প্রতি সন্মান জনোৱা এক সংস্কৃতিৰ প্রৱর্তন কৰা উচিত।

- **ৰাষ্ট্রসংঘ আৰু আঞ্চলিক সংস্থা সমূহৰ ভূমিকা ঃ** সাম্প্রতিক কালত ৰাষ্ট্রসংঘ হৈছে বিশ্বৰ প্রায় আটাইবোৰ ৰাষ্ট্রকে প্রতিনিধিত্ব কৰা আন্তঃচৰকাৰী (inter-governmental) সংস্থা। ৰাষ্ট্রসংঘ হৈছে বিশ্বৰ প্রায় আটাইবোৰ ৰাষ্ট্রকে প্রতিনিধিত্ব কৰা আন্তঃচৰকাৰী (intergovernmental) সংস্থা। আন্তঃৰাষ্ট্রীয় শান্তি আৰু নিৰাপত্তা ৰক্ষাৰ ক্ষেত্রত ৰাষ্ট্র সংঘই অতিকৈ গুৰুত্বপূর্ণ সকাৰাত্মক অৰিহণা আগবঢ়াই আহিছে। ৰাষ্ট্রসমূহৰ মাজত সহযোগিতা আৰু আন্তঃৰাষ্ট্রীয় উন্নয়নৰ বাবে ৰাষ্ট্রসংঘই গুৰুত্বপূর্ণ পদক্ষেপ হাতত লৈছে। আন্তঃৰাষ্ট্রীয় আৰু আঞ্চলিক সমস্যাসমূহৰ সমাধান, কৰাটো আন্তঃৰাষ্ট্রীয় সহযোগিতা অবিহনে সম্ভবপৰ নহয় আৰু ৰাষ্ট্রসংঘই এই ক্ষেত্রক অগ্রণী আৰু ধনাত্মক ভূমিকা পালন কৰিব পাৰে। আন্তঃৰাষ্ট্রীয় ফলশ্রুতিসম্পন্ন বহুতো অর্থনৈতিক আৰু সামাজিক সমস্যা ৰাষ্ট্রসংঘই বহুকেইখন আন্তঃৰাষ্ট্রীয় সন্মিলনৰ জৰিয়তে সমাধান কৰিবলৈ প্রয়াস কৰিছে। এনেকুৱা কেইখনমান সন্মিলন হ'ল- ১৯৯২ চনৰ ৰিঅ'-ডি-জেনেৰিও আৰু ২০১২ চনৰ পাৰিপার্শ্বিক বিষয়ৰ ওপৰত অনুষ্ঠিত সন্মিলন, কাইৰোত অনুষ্ঠিত মানৰ অধিকাৰৰ সন্মিলন (১৯৯৪), মহিলাৰ বিষয়সমূহৰ ওপৰত অনুষ্ঠিত হোৱা বেইজিং সন্মিলন (১৯৯৫), লিমাত অনুষ্ঠিত হোৱা জলবায়ু পৰিবর্তনৰ ওপৰত অনুষ্ঠিত সন্মিলন (২০১৪) ইত্যাদি। এই সন্মিলনসমূহে বিভিন্ন আন্তঃৰাষ্ট্রীয় বিষয় আৰু স্বার্থসমূহৰ ক্ষেত্রত ৰাষ্ট্রসমূহৰ মাজত বর্ধিত পৰস্পৰ নির্ভৰশীলতা প্রতিফলিত কৰে। ২০০০ চনত ৰাষ্ট্রসংঘই সহস্রাব্দ সন্মিলন (Millennium Summit) অনুষ্ঠিত কৰে য'ত সদস্য দেশবোৰৰ ৰাষ্ট্র প্রধানসকলে ২০১৫ চনৰ ভিতৰত সহস্রব্দ উন্নয়ন

লক্ষ্যত (Millennium Development Goals) উল্লিখিত আঠটা আন্তঃ ৰাষ্ট্ৰীয় বিকাশৰ লক্ষ্যত উপনীত হ'বলৈ পৰস্পৰৰ সহায় কৰিব বুলি প্ৰতিশ্ৰুতি দিছিল। ইয়াৰে কেইটামান লক্ষ্য হ'ল- চূড়ান্ত দৰিদ্ৰতা আৰু ক্ষুধাৰ নিৰ্মূলকৰণ, সাৰ্বজনীন প্ৰাথমিক শিক্ষা, লিংগ সমানতা, শিশুৰ মৃত্যুৰ হাৰ হ্ৰাসকৰণ, স্বাস্থ্য উন্নতকৰণ ইত্যাদি। ২০০০ চনৰে পৰা ৰাষ্ট্ৰসংঘৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ সকলো ধৰণৰ বিকাশমূলক কাম- কাজ সহস্ৰব্দ উন্নয়ন লক্ষ্যত (Millennium Development Goals) দ্বাৰা নিৰ্দেশিত হৈ আহিছে। ১৯৯০ চনৰে পৰা শান্তি ৰক্ষা আৰু সংঘৰ্ষৰ পিছৰ নিৰ্মাণৰ ক্ষেত্ৰতো ৰাষ্ট্ৰসংঘৰ ভূমিকা বৃদ্ধি পাইছে। এইটো উল্লেখযোগ্য যে সকলো ৰাষ্ট্ৰৰে সম মৰ্য্যদা আৰু সম সুযোগ থকা এক আন্তঃ ৰাষ্ট্ৰীয় শৃংখলা সৃষ্টিৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘই এক প্ৰধান ভূমিকা পালন কৰিবলৈ সক্ষম। সাম্প্ৰতিক কালত বিশ্বৰ সামূহিক সুৰক্ষা আৰু শান্তি ৰক্ষাৰ লগতে বহনক্ষম সামাজিক-অৰ্থনৈতিক উন্নয়ন সমৰ্থন তথা উৎসাহিত কৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ ভূমিকা অধিক প্ৰাসংগিক হৈ পৰিছে। সমগ্ৰ বিশ্বতে ৰাষ্ট্ৰসংঘই হৈছে এনে একমাত্ৰ অনুষ্ঠান যিয়ে শান্তি, সুৰক্ষা আৰু সামাজিক, অৰ্থনৈতিক বিষয়সমূহ আলোচনা তথা সমাধানৰ বাবে সদস্য ৰাষ্ট্ৰসমূহক এখন উমৈহতীয়া মঞ্চ প্ৰদান কৰিবলৈ সক্ষম হৈছে।

একে সময়তে বৰ্তমান বিশ্বত এনে কিছুমান বিষয় তথা সমস্যা আছে যিয়ে ৰাষ্ট্ৰসমূহক স্থানীয় আৰু আঞ্চলিক পৰ্যায়ত যুটীয়া তথা সামূহিক কাৰ্যপন্থা হাতত লবলৈ আহ্বান জনাইছে। ৰাষ্ট্ৰসমূহৰ মাজৰ এনে সহযোগিতা দ্বিপাক্ষিক (যিকোনো দুখন ৰাষ্ট্ৰৰ মাজত) অথবা বহুপাক্ষিক (কেইবাখনো ৰাষ্ট্ৰৰ মাজত) হ'ব পাৰে। আঞ্চলিক সংস্থা যেনে ইউৰোপীয় সংঘ, দক্ষিণ পূব এছিয়া দেশসমূহৰ সংস্থা (ASEAN), দক্ষিণ এছিয়াৰ দেশসমূহৰ মাজত আঞ্চলিক সহযোগিতাৰ অনুষ্ঠান (SAARC), ব্ৰিকছ ৰাষ্ট্ৰ (ব্ৰাজিল, ৰাছিয়া, ভাৰত, চীন আৰু দক্ষিণ আফ্ৰিকা) আদি উল্লেখযোগ্য মঞ্চ অথবা অনুষ্ঠান য'ত বিভিন্ন ধৰণৰ গুৰুত্বপূৰ্ণ আৰু প্ৰাসংগিক আঞ্চলিক বিষয়, যেনে অৰ্থনৈতিক উন্নয়ন আৰু সমৃদ্ধি, ভূ-খণ্ডৰ ঐকতা আৰু অখণ্ডতা ৰক্ষা, আঞ্চলিক শান্তি আৰু স্থিৰতা ৰক্ষা, ওচৰ চুবুৰীয়া ৰাষ্ট্ৰৰ লগত সুসম্পৰ্ক ৰক্ষা আদি আলোচিত হয় আৰু এইক্ষেত্ৰত ৰাষ্ট্ৰসমূহৰ মাজত থকা মতানৈক্য শান্তিপূৰ্ণ উপায়েৰে সমাধান কৰিবলৈ যত্ন কৰা হয়।

- **পাৰিপাৰ্শ্বিক বিষয়ৰ প্ৰতি বৰ্দ্ধিত আগ্ৰহ ঃ** সাম্প্ৰতিক কালত পাৰিপাৰ্শ্বিক বিষয়বোৰেও আন্তঃ ৰাষ্ট্ৰীয় সম্পৰ্কৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ প্ৰভাব পেলাইছে। বৰ্তমান বিশ্বৰ ৰাষ্ট্ৰসমূহৰ মাজত পাৰিপাৰ্শ্বিক অৱনতিৰ সমস্যাটোক লৈ উৎকণ্ঠা বৃদ্ধি পাইছে।পাৰিপাৰ্শ্বিক বিষয়ত উত্তৰ আৰু দক্ষিণৰ দেশসমূহৰ মাজৰ বিভাজনো সময়ৰ লগে লগে বৃদ্ধি পাইছে। উদাহৰণস্বৰূপে যদিও তৃতীয় বিশ্বৰ দেশসমূহৰ অনগ্ৰসৰতাক পাৰিপাৰ্শ্বিক অৱনতিৰ এক প্ৰধান কাৰক হিচাপে ধৰা হয়, তথাপিতো উন্নত দেশসমূহে উচ্চ পৰ্যায়ত নিঃসৰিত কৰা কাৰ্বনগেছো পাৰিপাৰ্শ্বিকতাৰ অৱনতিৰ বাবে সমানেই জগৰীয়া। জলবায়ু সলনি আৰু গোলকীয় উষ্ণতা, অ'জন স্তৰৰ ক্ষয়কৰণ, গ্ৰীণহাউছ গেছৰ প্ৰভাৱ, জৈৱবৈচিত্ৰ

সংৰক্ষণ আৰু ইয়াৰ প্ৰভাৱ আদি বিষয় আৰু এই সমস্যাবোৰৰ সমাধান আদি বিশ্ব সম্প্ৰদায়ৰ বাবে প্ৰধান চিন্তাৰ বিষয় হৈ পৰিছে। ইয়াৰ প্ৰতিফলন ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত দেখিবলৈ পোৱা গৈছে।পৃথিৱীত থকা প্ৰত্যেকবিধ জীৱিত প্ৰাণীয়ে পৰিৱেশক প্ৰভাৱিত কৰে। সকলো জীৱিত প্ৰাণীৰ ভিতৰত মানৱ জাতিয়ে নিজৰ প্ৰয়োজনসমূহ পূৰণ কৰিবৰ বাবে বহুত পৰিমাণে পৰিৱেশক সংশোধন কৰিছে। অতি দুৰ্ভাগ্যজনক ভাৱে প্ৰকৃতিক নিয়ন্ত্ৰণ কৰাৰ মানবীয় প্ৰচেষ্টাৰ ফলস্বৰূপে পৰিৱেশ ধ্বংসপ্ৰাপ্ত হৈছে আৰু পৰিবেশতন্ত্ৰৰ ভাৰসাম্য স্থিতি বিনষ্ট হৈছে, যাৰ ফলত বহু পৰিমাণৰ পাৰিপাৰ্শ্বিক সমস্যাৰ সৃষ্টি হৈছে। পৰিবেশক প্ৰভাৱিত কৰা বিষয়, কাৰক আৰু আমাৰ আচৰণক লৈ আমি সচেতন হৈ পৰিবেশ সংৰক্ষণ কৰাটো আমাৰ সকলোৰে প্ৰধান দায়িত্ব হোৱা উচিত। পৰিবেশ সংৰক্ষণৰ ক্ষেত্ৰত চৰকাৰসমূহেও সময়োচিত নীতি নিয়ম আৰু পৰিবেশ বিষয়ক আইন নিৰ্ধাৰণ আৰু কাৰ্যকৰণৰ জৰিয়তে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। পৰিৱেশ আৰু ৰাজনীতিৰ মাজত থকা সম্পৰ্ক অতিকৈ গুৰুত্বপূৰ্ণ। সাম্প্ৰতিক সময়ত বিশ্ব বহু পৰিমাণৰ পাৰিপাৰ্শ্বিক সমস্যাৰ সন্মুখীন হৈছে আৰু সেয়েহে পৰিৱেশ সুৰক্ষা ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ৰ অধিবেশন তথা আলোচনা চক্ৰৰ গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে। বিশ্বৰ প্ৰাকৃতিক সম্পদ দিনে দিনে হ্ৰাস পাইছে আৰু পানী, ভূখণ্ড আৰু অৰণ্যৰ গুণাগুণো অৱনমিত হৈছে। বৰ্তমান মানৱ জাতিয়ে সন্মুখীন হৈ থকা কিছুমান গুৰুত্বপূৰ্ণ পাৰিপাৰ্শ্বিক সমস্যা হ'ল- অ'জন স্তৰৰ হ্ৰাস, জলবায়ু পৰিৱৰ্তন, গোলকীয় উত্তাপ, নিৰ্ঘননীকৰণ, এচিড বৰষুণ, মাটিৰ ক্ষয়িভৱন, মৰুকৰণ (desertification), যান বাহন আৰু উদ্যোগিক প্ৰদূষণৰ ফলত সৃষ্টি হোৱা ধোঁৱা মিশ্ৰিত গাঢ় কুঁৱলী, সেউজগৃহ প্ৰভাৱ, নদী আৰু মহাসাগৰত উদ্যোগ সমূহে নিঃসৰিত কৰা দূষিত দ্ৰব্য আদি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ এক বহুকেন্দ্ৰিক বিশ্ব গঠন কৰা যিকোনো দুখন ৰাষ্ট্ৰৰ নাম উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৫ ঃ বিশ্বৰ আটাইবোৰ ৰাষ্ট্ৰই সন্ত্ৰাসবাদ নিৰ্মূল কৰাৰ বাবে কি কৰা উচিত?

.....

.....

প্ৰশ্ন নং ৬ ঃ বৰ্তমান মানৱ জাতিয়ে সন্মুখীন হৈ থকা যিকোনো চাৰিটা গুৰুত্বপূৰ্ণ পাৰিপাৰ্শ্বিক সমস্যা উল্লেখ কৰক ।

.....

.....

প্রশ্ন নং ৭ ঃ কোন চনত ৰাষ্ট্রসংঘই সহস্রব্দ সন্মিলন (Millennium Summit) অনুষ্ঠিত কৰে?

.....

.....



৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শীতল যুদ্ধ হ'ল দুই মহাশক্তিৰ মাজত সৃষ্টি হোৱা উত্তেজনাপূর্ণ সম্পর্ক (hostile relation)। দ্বিতীয় মহাযুদ্ধৰ পিচত সমগ্র বিশ্ব দ্বিমেৰুত বিভক্ত হৈছিল আৰু এই দুই মেৰুত দুখন শক্তিশালী ৰাষ্ট্র ক্রমে আমেৰিকা আৰু পূর্বৰ ৰাছিয়াই অৱস্থান কৰিছিল। আমেৰিকা যুক্তৰাষ্ট্রৰ নেতৃত্বত পশ্চিমীয়া পুঁজিবাদী গোষ্ঠী (Western Capitalist Bloc) গঠন হৈছিল আৰু পূর্বৰ ছোভিয়েট ইউনিয়নৰ নেতৃত্বত পূবৰ সাম্যবাদী গোষ্ঠী (Eastern Communist Bloc) গঠন হৈছিল। প্রতিটো গোষ্ঠীয়ে নিজ আদর্শৰাজি ৰোপণ কৰিবলৈ প্রচেষ্টা চলাইছিল, যাৰ ফলত দুয়ো শক্তিৰ মাজত পাৰস্পৰিক সন্দেহ আৰু অবিশ্বাস মনোভাবৰ সৃষ্টি হৈছিল। এই সময়ছোৱাত যুদ্ধ অথবা শান্তি কোনোটোৱেই বিৰাজ কৰা নাছিল।
- দ্বিতীয় মহাযুদ্ধৰ পিচত সমগ্র বিশ্ব দুটা গোষ্ঠীত বিভক্ত হৈছিল। ইয়াৰে পশ্চিমীয়া পুঁজিবাদী গোষ্ঠীৰ নেতৃত্ব বহন কৰিছিল আমেৰিকা যুক্তৰাষ্ট্রই আৰু সাম্যবাদী গোষ্ঠীৰ নেতৃত্ব বহন কৰিছিল ছোভিয়েট ইউনিয়নে। এই সাম্যবাদী গোষ্ঠীটো ছোভিয়েট ইউনিয়ন আৰু পূব ইউৰোপৰ সামৰিক মিত্রতা স্থাপনকাৰী ৰাষ্ট্রসমূহক লৈ গঠিত হৈছিল। এনে ধৰণৰ দ্বিমেৰু ৰাজনীতিৰ ফলত এক শীতল যুদ্ধসদৃশ পৰিস্থিতিৰ সৃষ্টি হৈছিল আৰু ইয়াৰ লগে লগে পাৰস্পৰিক হিংসা উত্তেজনা আৰু সন্দেহৰ ভাবধাৰা গঢ় লৈ উঠিছিল।

  ১৯৮৫ চনৰ আগভাগৰ পৰা ছোভিয়েট ইউনিয়নৰ পতন ঘটিবলৈ আৰম্ভ হয়। কেইবাবছৰ ধৰি সামৰিক খণ্ডত অধিক অর্থ ব্যয় কৰাৰ ফলত অর্থনৈতিত স্থবিৰতাৰ সৃষ্টি হৈছিল। এনেসময়তে ছোভিয়েট ইউনিয়নৰ অংগৰাষ্ট্র সমূহে কেন্দ্রীয় নেতৃত্বৰ বিৰোধিতা কৰিবলৈ আৰম্ভ কৰে।

  ছোভিয়েট ৰাছিয়াৰ ৰাষ্ট্রপতি মিখেইল গোৰৰেছেভে ছোভিয়েট ৰাজনৈতিক আৰু অর্থনৈতিক ব্যৱস্থাৰ সংস্কাৰ সাধনৰ উদ্দেশ্য এক ৰাজনৈতিক আন্দোলন সৃষ্টি কৰে। এনেবোৰ কাৰণতে ছোভিয়েট ৰাছিয়াৰ ১৯৯১ চনত ছোভিয়েট ইউনিয়নৰ খণ্ডিতকৰণ (disintegration) আৰু শীতল যুদ্ধৰ সমাপ্তি ঘটে ।

  ছোভিয়েট ৰাছিয়াৰ বিখণ্ডন (disintegration) আৰু শীতল যুদ্ধ অন্ত পৰাৰ লগে লগে দ্বিমেৰু (bipolar World) যুক্ত আন্তঃৰাষ্ট্রীয় ব্যৱস্থাই নিশ্চিত ভাবে একমাত্র

মহাশক্তি, অর্থাৎ আমেৰিকা যুক্তৰাষ্ট্ৰৰ আধিপত্যই এক কেন্দ্ৰীভূত বিশ্বৰ উত্থানৰ পথ প্ৰশস্ত কৰে। বিভিন্ন জনে মত প্ৰকাশ কৰে যে আমেৰিকা যুক্তৰাষ্ট্ৰই সমগ্ৰ বিশ্বজুৰি প্ৰয়োগ কৰা ইয়াৰ ৰাজনৈতিক সামৰিক, কূটনৈতিক, অর্থনৈতিক আৰু সাংস্কৃতিক শক্তিৰ জৰিয়তে বিশ্বৰ বিভিন্ন অংশত নিজৰ ৰাজনৈতিক কার্মসূচী আৰোপৰ চেষ্টা চলাইছে। বিশ্বৰ ভিতৰতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ অর্থনীতি আটাইতকৈ বৃহৎ অর্থনীতি হিচাপে পৰিগনিত হৈছে আৰু ই বিশ্ব অর্থনীতিৰ বিভিন্ন দিশ নির্ধাৰণত নির্ণায়ক ভূমিকা পালন কৰি আহিছে।

যদিও শীতল যুদ্ধৰ পৰৱর্তী কালত এককেন্দ্ৰিক বিশ্বৰ উত্থান পৰিলক্ষিত হয়, তথাপিও বহল ৰাজনৈতিক তথা অর্থনৈতিক দৃষ্টিকোণৰ পৰা আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিৰ বিভিন্ন ধাৰা তথা প্ৰবাহবোৰৰ সূক্ষ্ম পর্যবেক্ষণে দেখুৱাই যে শীতল যুদ্ধৰ পৰৱর্তী কালছোৱাত আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থাত এক বহুকেন্দ্ৰিক বিশ্বৰ উত্থানৰ কিছুমান ধাৰাও পৰিলক্ষিত হৈছে।

যদিও আমেৰিকা যুক্তৰাষ্ট্ৰৰ সামৰিক তথা অন্য ধৰণৰ প্ৰাধান্যত্ব স্পষ্টভাবে পৰিলক্ষিত হয়, তথাপিও একেটা সময়তে অন্য কিছুমান শক্তি কেন্দ্ৰ যেনে- ইউৰোপিয় সংঘ (European Union), ব্ৰিকছ (BRICS- ব্ৰাজিল, ৰাছিয়া, ভাৰত, চীন আৰু দক্ষিণ আফ্ৰিকা -Brazil, Russia, India, China, South Africa), এছিয়ান (ASEAN) আদিৰো আৱির্ভাৰ হৈছে যিবোৰে আহিবলগীয়া দশকবোৰত আন্তঃ ৰাষ্ট্ৰীয় ৰাজনীতিৰ বিভিন্ন দিশত প্ৰভাৱ পেলাব বুলি অনুমান কৰা হৈছে।

গতিকে, এইটো সত্য যে যদিও আমেৰিকা যুক্তৰাষ্ট্ৰ শীতল যুদ্ধৰ পৰৱর্তী কালত একমাত্ৰ মহাশক্তি হিচাপে পৰিগণিত হৈছে, তথাপিও অন্য শক্তি কেন্দ্ৰবোৰো ক্ৰমাৎ বর্দ্ধিত অর্থনৈতিক আৰু ৰাজনৈতিক শক্তিৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিৰ উল্লেখযোগ্য এককত পৰিগণিত হৈছে। এনেদৰে, সাম্প্ৰতিক সময়ত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বাহিৰেও অন্য গুৰুত্বপূর্ণ শক্তিকেন্দ্ৰ অথবা গোষ্ঠীসমূহ যেনে ইউৰোপিয় সংঘ চীন, জাপান, ৰাছিয়া, ভাৰত, ব্ৰাজিল আদিয়েও বিশ্বৰ ৰাজনৈতিক আৰু অর্থনৈতিক দৃশ্যপটত মূখ্য ভূমিকা পালন কৰিবলৈ লৈছে।

- আন্তঃ ৰাষ্ট্ৰীয় সন্ত্ৰাসবাদৰ ভাবুকি আন এক সমস্যা যিয়ে বর্তমান বিশ্বত সন্ত্ৰাসৰ সৃষ্টি কৰিছে। বিভিন্ন সন্ত্ৰাসবাদী সংগঠনে বিশ্বতে সন্ত্ৰাস আৰু ঘৃণাৰ ভাব বিয়পাইছে, যাৰ পৰিণতিত সমগ্ৰ বিশ্ববাসীয়ে হিংসাজর্জৰ পৰিস্থিতিৰ সমূখীন হ'ব লগীয়া হৈছে। বর্তমানৰ সন্ত্ৰাসবাদী সংগঠনবোৰে আন্তঃৰাষ্ট্ৰীয় চৰিত্ৰ লাভ কৰিছে।
- সন্ত্ৰাসবাদৰ সমস্যা সমাধান কৰিবলৈ বিভিন্ন ৰাষ্ট্ৰৰ চৰকাৰসমূহে চোৰাংচোৱা বিভাগৰ তথ্যৰ আদান-প্ৰদান, যুটীয়া সামৰিক অভিযান আৰু নীতি নির্ধাৰণৰ ক্ষেত্ৰত পৰস্পৰৰ মাজত সহযোগিতা আৰু সমন্বয় বৃদ্ধি কৰাৰ প্ৰয়োজন যাতে বিশ্বৰ যিকোনো যাতে সন্ত্ৰাসবাদী কার্যকলাপে উৎসাহ লাভ নকৰে আৰু নৃগোষ্ঠীয় সংঘর্ষ অথবা

ধর্মীয়গোষ্ঠীমূলক সংঘর্ষৰ সৃষ্টি কৰা অৱস্থিতিৰ অৱতাৰণা নহয়। বিশ্বৰ আটাইবোৰ ৰাষ্ট্রই সন্ত্রাসবাদ নির্মূল কৰাৰ বাবে সুঅনুষ্ঠান গঢ়া, সুশাসন আৰু সহনশীলতা আৰু মৌলিক মানৱ অধিকাৰৰ প্রতি সন্মান জনোৱা এক সংস্কৃতিৰ প্রৱর্তন কৰা উচিত।

- সাম্প্রতিক কালত ৰাষ্ট্রসংঘ হৈছে বিশ্বৰ প্রায় আটাইবোৰ ৰাষ্ট্রকে প্রতিনিধিত্ব কৰা আন্তঃচৰকাৰী (inter-governmental) সংস্থা। ৰাষ্ট্রসংঘ হৈছে বিশ্বৰ প্রায় আটাইবোৰ ৰাষ্ট্রকে প্রতিনিধিত্ব কৰা আন্তঃচৰকাৰী (intergovernmental) সংস্থা। আন্তঃৰাষ্ট্রীয় শান্তি আৰু নিৰাপত্তা ৰক্ষাৰ ক্ষেত্রত ৰাষ্ট্র সংঘই অতিকৈ গুৰুত্বপূর্ণ সকাৰাত্মক অৰিহণা আগবঢ়াই আহিছে। ৰাষ্ট্রসমূহৰ মাজত সহযোগিতা আৰু আন্তঃৰাষ্ট্রীয় উন্নয়নৰ বাবে ৰাষ্ট্রসংঘই গুৰুত্বপূর্ণ পদক্ষেপ হাতত লৈছে। আন্তঃৰাষ্ট্রীয় আৰু আঞ্চলিক সমস্যাসমূহৰ সমাধান, কৰাটো আন্তঃৰাষ্ট্রীয় সহযোগিতা অবিহনে সম্ভবপৰ নহয় আৰু ৰাষ্ট্রসংঘই এই ক্ষেত্রক অগ্রণী আৰু ধনাত্মক ভূমিকা পালন কৰিব পাৰে।
- সাম্প্রতিক কালত পাৰিপার্শ্বিক বিষয়বোৰেও আন্তঃ ৰাষ্ট্রীয় সম্পর্কৰ ক্ষেত্রত গুৰুত্বপূর্ণ প্রভাব পেলাইছে। বর্তমান বিশ্বৰ ৰাষ্ট্রসমূহৰ মাজত পাৰিপার্শ্বিক অৱনতিৰ সমস্যাটোক লৈ উৎকণ্ঠা বৃদ্ধি পাইছে। পাৰিপার্শ্বিক বিষয়ত উত্তৰ আৰু দক্ষিণৰ দেশসমূহৰ মাজৰ বিভাজনো সময়ৰ লগে লগে বৃদ্ধি পাইছে।
- বর্তমান মানৱ জাতিয়ে সন্মুখীন হৈ থকা কিছুমান গুৰুত্বপূর্ণ পাৰিপার্শ্বিক সমস্যা হ'ল- অ'জন স্তৰৰ হ্রাস, জলবায়ু পৰিৱর্তন, গোলকীয় উত্তাপ, নির্ৱননীকৰণ, এচিড বৰষুণ, মাটিৰ ক্ষয়িভৱন, মৰুকৰণ (desertification), যান বাহন আৰু উদ্যোগিক প্রদূষণৰ ফলত সৃষ্টি হোৱা ধোঁৱা মিশ্রিত গাঢ় কুঁৱলী, সেউজগৃহ প্রভাৱ, নদী আৰু মহাসাগৰত উদ্যোগ সমূহে নিঃসৰিত কৰা দূষিত দ্রব্য আদি।

৯.৬ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ ছোভিয়েট ৰাছিয়া

২নং প্রশ্নৰ উত্তৰ ঃ মিখেইল গোৰৱেছভ

৩নং প্রশ্নৰ উত্তৰ ঃ আমেৰিকা যুক্তৰাষ্ট্র আৰু অষ্ট্রেলিয়া

৪নং প্রশ্নৰ উত্তৰ ঃ ভাৰত, চীন

৫নং প্রশ্নৰ উত্তৰ ঃ বিশ্বৰ আটাইবোৰ ৰাষ্ট্রই সন্ত্রাসবাদ নির্মূল কৰাৰ বাবে সুঅনুষ্ঠান গঢ়া, সুশাসন আৰু সহনশীলতা আৰু মৌলিক মানৱ অধিকাৰৰ প্রতি সন্মান জনোৱা এক সংস্কৃতিৰ প্রৱর্তন কৰা উচিত।

৬নং প্রশ্নৰ উত্তৰ ঃ অ'জন স্তৰৰ হ্রাস, জলবায়ু পৰিৱর্তন, গোলকীয় উত্তাপ, নির্ৱননীকৰণ

৭নং প্রশ্নৰ উত্তৰ ঃ ২০০০ চন



৯.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ শীতল যুদ্ধৰ সময়ত কোনকেইখন ৰাষ্ট্ৰই পূবৰ সাম্যবাদী গোষ্ঠী গঠন কৰিছিল?

প্ৰশ্ন ২ ঃ সহস্ৰব্দ উন্নয়ন লক্ষ্যৰ যি কোনো চাৰিটা লক্ষ্য উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক আৰু সামাজিক সমস্যা সমূহ সমাধানৰ কাৰণে ৰাষ্ট্ৰ সংঘই অনুষ্ঠিত কৰা যি কোনো চাৰিখন আন্তঃৰাষ্ট্ৰয় সন্মিলন উল্লেখ কৰক।

(খ) চুটি প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ছোভিয়েট ইউনিয়নৰ খণ্ডিতকৰণ আৰু শীতল যুদ্ধৰ সমাপ্তিৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ ৰাষ্ট্ৰ সংঘ আৰু আঞ্চলিক সংস্থা সমূহৰ ভূমিকাৰ বিষয়ে লিখক?

(খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ এক কেন্দ্ৰীভূত বিশ্বৰ উত্থানৰ বিষয়ে ব্যখ্যা কৰক। বহুকেন্দ্ৰিক বিশ্ব উত্থানৰ পথত প্ৰত্যক্ষ কৰিবলৈ পোৱা ধাৰা সমূহ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদ আৰু পাৰিপাৰ্শ্বিক বিষয়ৰ প্ৰতি আগ্ৰহৰ পৰিপ্ৰেক্ষতত নৱ উত্থিত বিশ্বৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১০ঃ ভাৰতৰ বৈদেশিক নীতি

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ ভাৰতৰ বৈদেশিক নীতিৰ নির্ধাৰক
১০.৪ ভাৰতৰ বৈদেশিক নীতিৰ উদ্দেশ্যসমূহ
১০.৫ ভাৰতৰ বৈদেশিক নীতিৰ নীতিসমূহ
১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৭ অধিক জানিবলৈ
১০.৮ অগ্রগতিৰ খতিয়ান
১০.৯ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ভাৰতৰ বৈদেশিক নীতিৰ ওপৰত প্রভাৱ বিস্তাৰ কৰা আৰু নীতিসমূহক নির্ধৰণ কৰা নির্ধাৰক বা কাৰক সমূহ ব্যাখ্যা কৰিব পাৰিব
- ভাৰতৰ বৈদেশিক নীতিৰ উদ্দেশ্যসমূহ আলোচনা কৰিব পাৰিব
- ভাৰতৰ বৈদেশিক নীতিৰ নীতিসমূহ বর্ণনা কৰিব পাৰিব।

১০.২ পৰিচয়

ভাৰতবর্ষই ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে স্বাধীনতা লাভ কৰিছিল আৰু সার্বভৌম ৰাষ্ট্রসমূহৰ আন্তঃৰাষ্ট্রীয় গোটৰ সভ্যলৈ ৰূপান্তৰ হৈছিল। স্বাধীন দেশ হিচাপে ভাৰতবর্ষই নিজস্ব বৈদেশিক নীতি নির্ধাৰণ বা সৃষ্টি কৰাটো অতি অপৰিহায্য হৈছিল। অৱশ্যে, ভাৰতে নিজস্ব বৈদেশিক নীতি গ্রহণ কৰিব পৰা অধিকাৰ ১৯৪১ চনতেই লাভ কৰিছিল, যেতিয়া ভাৰতবর্ষত অন্তঃবর্তীকালীন চৰকাৰ গঠন কৰা হৈছিল। এনেকৈ স্বাধীনতা প্রাপ্তিৰ আগতেই ভাৰতক বিশ্ব ৰাজনীতিত কিছুমান সা-সুবিধা প্রদান কৰা হৈছিল। যাৰ জৰিয়তে দেশখনে নিজকে প্রতিনিধিত্ব কৰিব পাৰিছিল। তেতিয়াৰ ব্রিটিছ চৰকাৰ আৰু ভাৰতীয় জাতীয় কংগ্রেছে বিভিন্ন ক্ষেত্রত নীতিসমৃদ্ধ কার্যব্যৱস্থা গ্রহণ কৰি ভাৰতবর্ষই লাভ কৰা বৈদেশিক সুবিধাসমূহ দেশখনৰ হকে ৰূপায়ন কৰিছিল।

ভাৰতৰ স্বাধীনতাই ঔপনিবেশিক ব্যৱস্থাটো আঁতৰ কৰা ক্ষেত্রত বিশেষ পথ নির্দেশনা দিছিল, আৰু ভাৰতে সমাজবাদী বা ঔপনিবেশিক শক্তিৰ বিৰুদ্ধে গা কৰি উঠা আন্দোলনৰ

পোষকতা কৰাৰ সিদ্ধান্ত লৈছিল। এতিয়াও ভাৰতৰ বৈদেশিক নীতিসমূহ দেশখনৰ ইতিহাস, সংস্কৃতি আৰু পৰম্পৰাৰ ওপৰত প্ৰধানতঃ নিৰ্ভৰশীল। ১৯৫০ চনৰ মাৰ্চ মাহত লোকসভাত দিয়া বিবৃতিত, ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৱে কৈছিল, "এইটো ধৰি লোৱা উচিত নহয় যে আমি এখন অতি পৰিস্কাৰ ফলিত (clean slate) লিখিবলৈ আৰম্ভ কৰা নাই। আমাৰ বৈদেশিক নীতি আমাৰ বিগত সময়ছোৱাৰ জাতীয় আন্দোলনৰ ইতিহাস আৰু মহান আদৰ্শসমূহৰ ভিত্তিত সৃষ্টি হৈছিল।"

১৯৪৭ চনৰ পৰা ১৯৬৪ চনৰ মৃত্যুৰ সময়লৈ, জৱাহৰলাল নেহৰু ভাৰতৰ প্ৰধানমন্ত্ৰী আৰু বৈদেশিক মন্ত্ৰী আছিল। তেখেতেই ভাৰতৰ বৈদেশিক নীতিৰ মূল ভেঁটি নিৰ্মাণ কৰিছিল। নেহৰুৱে ভাৰতৰ ৰাষ্ট্ৰীয় স্বাৰ্থক দেশখনৰ বৈদেশিক নীতি নিৰ্ধাৰণৰ মূল চালিকা শক্তি হিচাপে বিশেষ গুৰুত্ব আৰোপ কৰিছিল। তাৰোপৰি, বৈদেশিক নীতি নিৰ্ধাৰণৰ ক্ষেত্ৰত নেহৰুৱে ৰাষ্ট্ৰীয় নিৰাপত্তা, আন্তঃৰাষ্ট্ৰীয় শক্তিৰ প্ৰসাৰণ, দ্ৰুত অৰ্থনৈতিক বিকাশ, ঔপনিবেশিকতাবাদৰ পৰা মুক্তি, জাতিভিত্তিক সমতা আৰু প্ৰবাসী ভাৰতীয়সকলৰ স্বাৰ্থ সুৰক্ষা আদি বিষয়ৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰিছিল।

১০.৩ ভাৰতৰ বৈদেশিক নীতিৰ নিৰ্ধাৰক

বৈদেশিক নীতি নিৰ্ধাৰণ এক গতিশীল বিষয়। দেশ এখনৰ বৈদেশিক নীতি বহুসংখ্যক কাৰকদ্বাৰা প্ৰভাৱিত আৰু নিৰ্ধাৰিত হয়। যিবোৰ কাৰকে দেশ এখনৰ বৈদেশিকনীতিৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে আৰু নিৰ্ধাৰণ কৰে, সেইবোৰ কাৰকেই বৈদেশিক নীতিৰ নিৰ্ধাৰক। সেইসমূহ নিৰ্ধাৰক ভিতৰত কিছুমান স্থায়ী বা অপৰিবৰ্তনীয়, আৰু আন কিছুমান সময় আৰু পৰিস্থিতি সাপেক্ষে পৰিবৰ্তনশীল।

ভাৰতৰ পূৰ্বৰ বৈদেশিক সচিব আৰু বিশিষ্ট লিখক জে.এন.দিক্ষীতৰ মতে, বিশ্বদৰবাৰত নিজকে উপস্থাপন কৰিবলৈ আৰু নিজৰ ৰাষ্ট্ৰীয় স্বাৰ্থ পূৰণ কৰিবলৈ দেশ এখনে গ্ৰহণ কৰা ভূমিকা সম্বলিত উক্তিয়েই হ'ল দেশখনৰ বৈদেশিক নীতি। ই কাচিৎহে অপৰিবৰ্তনীয়। বৰং, বৈদেশিক নীতি সময়-সাপেক্ষে নমনীয় আৰু গতিশীল। তথাপিও, বৈদেশিক নীতিৰ কিছুমান নিৰ্ধাৰক দীৰ্ঘকালীনভাবে অতি গুৰুত্বপূৰ্ণ হৈ থাকে।

ভৰতৰ বৈদেশিক নীতিৰ মুখ্য নিৰ্ধাৰক বা কাৰক সমূহ নিম্নোক্ত ধৰণে বিশ্লেষণ কৰিব পাৰি।

- **আভ্যন্তৰীণ কাৰকসমূহ ঃ**
  - *ভূগোল বা ভৌগলিক অৱস্থিতি ঃ* দেশ এখনৰ ভূগোল বা ভৌগলিক অৱস্থিতি ৰাষ্ট্ৰীয় বৈদেশিক নীতিৰ অন্যতম কাৰক। এইক্ষেত্ৰত নেপোলিয়ন বোনাপার্টে গুৰুত্বপূৰ্ণভাৱে মন্তব্য কৰিছিল, "যিকোনো দেশৰ বৈদেশিক নীতি দেশখনৰ ভৌগলিক অৱস্থিতিৰ দ্বাৰা নিৰ্ধাৰিত হয়।"

ভাৰতবৰ্ষৰ আকাৰ, জলবায়ু, অৱস্থিতি আৰু ভৌগলিক পৰিসীমাই দেশখনৰ

বৈদেশিক নীতি নির্ধাৰণত অতি গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে। দক্ষিণ-পূব এছিয়া আৰু মধ্য-প্রাচ্যলৈ ভাৰত হৈছে বাটচ'ৰা (gateway)। ভাৰতৰ ৰাষ্ট্রীয় নিৰাপত্তা আৰু স্বার্থসমূহ বৃহত্তৰ অঞ্চলটোৰ ভৰিষ্যতৰ সৈতে ঘনিষ্ঠ ভাবে জড়িত হৈ আছে। ভাৰতৰ উত্তৰ দিশত প্রাকৃতিকভাবে উপলব্ধ হিমালয় পর্বতমালা, আৰু দেশখনক তিনিদিশেৰে আৱৰি থকা ভাৰত মহাসাগৰ আৰু বংগোপ সাগৰে ইয়াৰ বৈদেশিক নীতিৰ ওপৰত সুদূৰপ্রসাৰী প্রভাৱ বিস্তাৰ কৰিছে।

- *ইতিহাস আৰু পৰম্পৰা ঃ* অতীজৰে পৰা ভাৰতে গ্রহণ কৰি অহা শান্তি-প্রতিষ্ঠাৰ সংকল্পই দেশখনৰ বৈদেশিক নীতিৰ ওপৰত প্রভাৱ বিস্তাৰ কৰে। দেশখনে আধুনিক যুগত আহৰণ কৰা ঔপনিৱেশিক অভিজ্ঞতাই ভাৰতক যিকোনো প্রকাৰৰ সাম্রাজ্যবাদৰ বিৰুদ্ধে দৃঢ় পদক্ষেপ গ্রহণ কৰাৰ ক্ষেত্রত অৰিহণা যোগাইছে। ভাৰতৰ বৈদেশিক নীতিৰ আকৃতি নির্ধাৰণত দেশখনৰ বিট্রিছ শাসন আৰু স্বাধীনতা আন্দোলনৰ প্রভাব অতি সুস্পষ্ট। "বসুন্ধৈৰ কুতুম্বকম্"— এই তত্ত্বগধুৰ বাণীৰে মহীয়ান ভাৰত ৰাষ্ট্রই বিশ্বশান্তি আৰু ভাতৃত্ববোধৰ ওপৰত দৃঢ়তাৰে গুৰুত্ব আৰোপ কৰি আহিছে।
- *আদর্শৰ প্রভাব ঃ* দেশ এখনৰ নেতৃত্বৰ আদর্শৰ প্রতি থকা স্পষ্ট সংকল্পৰদ্বাৰা তাৰ বৈদেশিক নীতিৰ স্বৰূপ নির্ধাৰিত হয়। গান্ধীজীৰ শান্তি আৰু অহিংস নীতিয়ে ভাৰতৰ বৈদেশিক নীতি নির্ধাৰণৰ ক্ষেত্রত বিশেষ ভূমিকা পালন কৰে। জৱাহৰলাল নেহৰুৱে গান্ধীজীৰ ধাৰণাক বাস্তৱ ৰূপ প্রদান কৰিছিল আৰু গান্ধীবাদক ভাৰতৰ বৈদেশিক নীতিৰ লগত সংযোজিত কৰিছিল। বৈদেশিক ৰাষ্ট্রৰ লগত স্বাধীনচেতীয়া সম্পর্ক ৰক্ষা কৰাত ভাৰতৰ নেতৃত্বৰ উচ্চ পর্য্যায়ৰ বৌদ্ধিক পৰম্পৰাৰ সুস্পষ্ট প্রভাৱ লক্ষ্যণীয়। গোষ্ঠী-নিৰপেক্ষতা, মিশ্র অর্থনীতি আদি ভাৰতীয় নেতৃত্বৰ সফল আৰু আদর্শনীয় ফচল।
- *অর্থনৈতিক কাৰক ঃ* বৈদেশিক নীতি নির্ধাৰণৰ ক্ষেত্রত দেশ এখনৰ অর্থনৈতিক উন্নয়নৰ বিষয়সমূহে লেখত ল'বলগীয়া ভূমিকা পালন কৰে। স্বাধীনতাৰ সময়ছোৱাৰ স্থবিৰ অর্থনীতিয়ে ভাৰতৰ সেই সময়ৰ বৈদেশিক নীতিক প্রভাৱিত কৰিছিল। ব্রিটিছ শাসনৰ ফলত সৃষ্ট দৰিদ্রতা, স্বাস্থ্য আৰু অভাৱজনিত সমস্যাৰাজিয়ে ভাৰতক পতিয়ন নিয়াইছিল যে দেশখনে কোনোপক্ষৰ লগত থিয় হোৱাতো উচিত নহ'ব। তাৰ পৰিবর্তে, ভাৰতে বিভিন্ন দেশৰ সহায়-সাহার্য্যক আদৰণি জনাইছিল।
- *সামৰিক কাৰক ঃ* দেশ এখনৰ বৈদেশিকনীতি প্রস্তুতকৰণৰ লগতে ইয়াৰ ৰূপায়ণৰ বেলিকা সেই দেশখনৰ সামৰিক শক্তিয়ে বিশেষ ভূমিকা পালন কৰে। স্বাধীণোত্তৰ কালছোৱাৰ প্রথম ভাগত ভাৰতৰ সামৰিক ব্যৱস্থা দুর্বল আছিল। ভাৰতৰ সেই সময়ৰ সামৰিক বাহিনী উপযুক্ত অস্ত্র-শস্ত্র আৰু প্রযুক্তিৰ অভাৱৰ দ্বাৰা বাৰুকৈয়ে

বাধাগ্রস্থ হৈছিল। উপযুক্ত অর্থৰ অভাৱে সামৰিক বিষয়বোৰক আঁওকান কৰি অর্থনৈতিক উন্নয়নৰ বাবে বিশেষভাৱে মনোনিৱেশ কৰিবলৈ ভাৰতক বাধ্য কৰিছিল। অৱশ্যে পৰৱর্তী কালত ভাৰতে সামৰিক ক্ষেত্রত থকা সুৰুঙাবোৰ আঁতৰ কৰিবলৈ ব্যৱস্থা গ্রহণ কৰিছিল। সম্প্রতি, ভাৰতীয় সৈন্য বিশ্বৰ আটাইতকৈ সক্ষম আৰু শক্তিশালী সামৰিক শক্তিসমূহৰ অন্যতম।

- *নেহৰুৰ প্রভাৱ ঃ* অন্যান্য কাৰকসমূহৰ উপৰিও, জৱাহৰলাল নেহৰুৰ ব্যক্তিত্বই ভাৰতৰ বৈদেশিক নীতিৰ ওপৰত সুদূৰ প্রসাৰী প্রভাৱ পেলাইছিল। তেখেতৰ নেতৃত্বৰ প্রভাৱ ভাৰতৰ দেশীয় আৰু বৈদেশিক উভয় নীতিৰ ক্ষেত্রতেই বিৰাজমান। তেখেত আছিল দেশপ্রেম, আন্তঃৰাষ্ট্রীয়তা, সমাজবাদ, উদাৰতাবাদ, গণতন্ত্র, গান্ধীবাদী আদর্শ আৰু চার্চিলৰ বাস্তৱবাদৰ এক অভূতপূর্ব সমাহাৰ। নেহৰুৱে ভাৰতৰ বৈদেশিক নীতি ভেঁটি প্রস্তুত কৰিছিল আৰু ইয়াৰ মৌলিক নীতিসমূহ থিৰাং কৰিছিল। ভাৰতৰ বৈদেশিক নীতি নির্ধাৰণ নেহৰুৰ অন্যতম কালজয়ী বৰঙণি, যাৰ জৰিয়তে দেশখনৰ বৈদেশিক নীতি দেশীয় নীতিলৈ (national policy) পূর্ণতা লাভ কৰিছিল। শান্তি, ঔপনিবেশবাদৰ বিৰোধিতা, আৰু গোষ্ঠী নিৰপেক্ষতাৰ মৌলিক নীতিসমূহক ভাৰতৰাষ্ট্রৰ সকলোৱে সমর্থন কৰিছে। শক্তি গোষ্ঠীসমূহৰ সৈতে গোষ্ঠী নিৰপেক্ষতা অৱলম্বন কৰাটো আন্তঃৰাষ্ট্রীয় ৰাজনীতিত ভাৰতৰ একক অৰিহণা। নেহৰুৱে গোষ্ঠী নিৰপেক্ষতাক প্রতিস্থাপিত কৰিছিল, আৰু মাত্র কেইবছৰ মানৰ ভিতৰতে বিশ্বৰ অন্যান্য ১০০খন দেশক এই নীতিয়ে আকর্ষিত কৰিছিল। তদুপৰি, নেহৰু সৃষ্ট 'পঞ্চশীল" নীতিক আন্তঃৰাষ্ট্রীয় ক্ষেত্রত আটাইবোৰ দেশে গ্রহণ কৰিছিল।

- **বাহ্যিক কাৰকসমূহ ঃ**
  - *শীতল যুদ্ধ ঃ* ভাৰতৰ স্বাধীনতা প্রাপ্তিৰ সময়ত গোটেই বিশ্ব শীতল যুদ্ধ আৰু দুই মেৰুকৰণৰ দ্বাৰা বৈশিষ্ট্যপূর্ণ হৈ আছিল। সেইধৰণৰ বিশ্ব পৰিস্থিতিৰ বাবে ভাৰতে গোষ্ঠী নিৰপেক্ষতাক আদৰণি জনাইছিল আৰু দুই শক্তি গোষ্ঠীৰপৰা নিলগত অৱস্থান কৰিছিল। প্রকৃততে, এচিয়া আৰু আফ্রিকাৰ সদ্য-স্বাধীনতা প্রাপ্ত বহুসংখ্যক দেশে গোষ্ঠী-নিৰপেক্ষতাক আকোঁৱালি লৈছিল। যদিও ভাৰতে দুই শক্তি গোষ্ঠীৰ পৰা নিলগত অৱস্থান গ্রহণ কৰিছিল, দেশখনে দুয়োটা শক্তি গোষ্ঠীৰ পৰা অহা সাহায্য গ্রহণ কৰিছিল আৰু গোষ্ঠীদুটাৰ মাজৰ অনাকাংক্ষিত বিবাদ নিষ্পত্তিত সহায়ৰ হাত আগবঢ়াইছিল।
  - *আন্তঃৰাষ্ট্রীয় পৰিৱেশ ঃ* ভাৰতৰ স্বাধীনতা প্রাপ্তিৰ সময়ছোৱাৰ বিশ্ব ৰাজনীতিৰ আন্তঃৰাষ্ট্রীয় পৰিৱেশে দেশখনৰ বৈদেশিক নীতিক প্রভাৱিত কৰিছিল। শীতল যুদ্ধৰ উপৰিও, ঔপনিৱেশিক শাসন ব্যৱস্থাৰ অৱসান ভাৰতৰ স্বাধীনতা প্রাপ্তিৰ লগে লগে আৰম্ভ হৈছিল। ঔপনিৱেশিক শাসনৰ অৱসান আৰু সকলো প্রকাৰৰ

ঔপনিৱেশবাদ, সাম্ৰাজ্যবাদ আৰু জাতিভিত্তিক বিভাজনৰ বিৰোধিতাৰ যি ঐতিহাসিক প্ৰক্ৰিয়া আৰম্ভ হৈছিল, তাক ভাৰতে দৃঢ়তাৰে সমৰ্থন কৰিছিল। দ্বিতীয় বিশ্ব যুদ্ধই বিভিন্ন দেশৰ অৰ্থনৈতিক মেৰুদণ্ড ভাঙি পেলাইছিল। সেয়ে, অৰ্থনৈতিক পুনঃনিৰ্মাণ আৰু দ্ৰুত উন্নয়নৰ বাবে ভাৰতে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছিল। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত দেখা দিয়া বিভিন্ন ধৰণৰ সংঘাত, আক্ৰমণ আৰু যুদ্ধৰ অন্তৰালত আছিল আদৰ্সগত মত-বিৰোধ। যুদ্ধৰ পৰৱৰ্তী সময়ছোৱাত ভাৰতে এইবোৰৰপৰা নিলগত অৱস্থান গ্ৰহণ কৰিছিল। তদুপৰি, ১৯৯০ৰ বিশ্বৰ ঘটনাৰাজি, বিশেষভাৱে ছোভিয়েট ৰাছিয়াৰ বিভাজনে ভৰতৰ বৈদেশিক নীতিৰ ওপৰত বিশেষ প্ৰভাৱ পেলাইছিল।

সেয়ে, ওপৰোক্ত কাৰকসমূহ ভাৰতৰ বৈদেশিক নীতিৰ মূল নিৰ্ধাৰক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ভাৰতৰ বৈদেশিক নীতিৰ দুটা গুৰুত্বপূৰ্ণ কাৰক বা নিৰ্ধাৰক কি কি?

.....

.....

প্ৰশ্ন নং ২ ঃ বৈদেশিক নীতি নিৰ্ধাৰণৰ ক্ষেত্ৰত আদৰ্শই লেখত ল'বলগীয়া ভূমিকা পালন কৰে। (শুদ্ধ/অশুদ্ধ)

.....

.....

১০.৪ ভাৰতৰ বৈদেশিক নীতিৰ উদ্দেশ্যসমূহ

ভাৰতৰ বৈদেশিক নীতিৰ কেতবোৰ মৌলিক উদ্দেশ্য আছে ভাৰতৰ বৈদেশিক নীতিৰ উদ্দেশ্যসমূহক নিম্নোক্ত ধৰণে তিনিটা ভাগত বিভক্ত কৰিব পাৰি—

কেন্দ্ৰীয় উদ্দেশ্যসমূহ
মাধ্যমিক উদ্দেশ্যসমূহ
দূৰবৰ্তী উদ্দেশ্যসমূহ

- **কেন্দ্ৰীয় উদ্দেশ্যসমূহ ঃ** ভাৰতৰ বৈদেশিক নীতিৰ কেন্দ্ৰীয় উদ্দেশ্যসমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল ঃ দেশখনৰ ৰাষ্ট্ৰীয় স্বাৰ্থ, ৰাষ্ট্ৰীয় স্বাধীনতা আৰু সাৰ্বভৌমত্বক পোষণ কৰা।
- **মাধ্যমিক উদ্দেশ্যসমূহ ঃ** ভাৰতৰ বৈদেশিক নীতিৰ মাধ্যমিক উদ্দেশ্য সমূহৰ ভিতৰত গুৰুত্বপূৰ্ণ হ'ল— দেশখনৰ অৰ্থনৈতিক স্বাৰ্থ সুৰক্ষিত কৰাৰ লগতে আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত ভাৰতৰ শক্তি আৰু মৰ্যাদা বৃদ্ধি কৰা।

- **দূৰবর্তী উদ্দেশ্যসমূহ ঃ** ভাৰতৰ বৈদেশিক নীতিৰ দূৰবর্তী উদ্দেশ্যসমূহৰ ভিতৰত প্রনিধানযোগ্য হ'ল— দেশখনৰ ৰাষ্ট্রীয় স্বপ্ন আৰু আদর্শক বাস্তবায়িত কৰিব পৰাকৈ এটি আন্তঃৰাষ্ট্রীয় ব্যবস্থা গঢ়ি তোলা।

ভাৰতৰ বৈদেশিক নীতিৰ স্রষ্টাসকলে দেশখনৰ বৈদেশিক নীতিৰ মৌলিক নীতিসমূহক নির্ধাৰণ কৰাৰ আগতে বৈদেশিক নীতিৰ মূল লক্ষ্য উদ্দেশ্যসমূহ নির্ধাৰণ কৰিছিল। ভাৰতৰ বৈদেশিক নীতিৰ মূল উদ্দেশ্যসমূহ ইমানেই মৌলিক আৰু সর্বজন গৃহীত আৰু সর্বদলীয়ভাৱে গ্রাহ্য যে সেইসমূহ ভাৰতৰ ৰাষ্ট্রীয় নীতিৰ ভেটি স্বৰূপ হৈ পৰিছে। সেইবাবে, এইবোৰে ভাৰতৰ বৈদেশিক নীতিৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিছে।

ভাৰতৰ বৈদেশিক নীতিৰ উদ্দেশ্যসমূহ হ'ল—

- **ৰাষ্ট্রীয় নিৰাপত্তা, সুৰক্ষা আৰু স্বাধীনতা ঃ** ভাৰতৰ বৈদেশিক নীতিৰ প্রাথমিক উদ্দেশ্য হ'ল— দেশখনৰ ৰাষ্ট্রীয় স্বার্থক আগবঢ়াই নিয়া, দেশখনৰ নিৰাপত্তা নিশ্চিত কৰা, ইয়াৰ সার্বভৌমত্বক সুৰক্ষিত কৰি ৰখা, দেশখনৰ উন্নতি আৰু বিকাশ সাধন কৰা, আৰু সাধাৰণতে আন্তঃৰাষ্ট্রীয় ক্ষেত্রত দেশখনৰ মর্যাদা, প্রভাৱ আৰু ভূমিকা বিস্তাৰ কৰা।
- **অর্থনৈতিক বিকাশ ঃ** ৰাষ্ট্রৰ অর্থনৈতিক বিকাশৰ বিষয়টো ৰাষ্ট্রীয় স্বার্থৰ লগত ওতঃপ্রোতভাৱে জড়িত। ভাৰতে নিজৰ বৈদেশিক নীতিৰ জৰিয়তে দেশখনৰ অর্থনৈতিক উন্নয়ন সাধন কৰিব বিচাৰে আৰু ক্ষিপ্র অর্থনৈতিক উন্নয়নৰ বাবে বর্হিবাণিজ্য বিস্তাৰ কৰিব বিচাৰিচে। ভাৰতে উদ্যোগীকৰণ আৰু বৈদেশিক বিনিয়োগৰ জৰিয়তে দেশীয় অর্থনীতিৰ বিকাশৰ ক্ষেত্রত বিশেষ অগ্রাধিকাৰ দি আহিছে।
- **আন্তঃৰাষ্ট্রীয় শান্তি আৰু নিৰাপত্তা ঃ** আন্তঃৰাষ্ট্রীয় শান্তি আৰু নিৰাপত্তা সুনিশ্চিত কৰাতো ভাৰতৰ বৈদেশিক নীতিৰ এটি অন্যতম উদ্দেশ্য। আন্তঃৰাষ্ট্রীয় শান্তি বজাই ৰাখিবলৈ ভাৰত সদায় বদ্ধপৰিকৰ; আৰু সেয়ে ভাৰতে অস্ত্র-শস্ত্রৰ বিৰোধিতা কৰে। ভাৰতে অস্ত্র প্রতিযোগিতা বন্ধ কৰিবলৈ আৰু সামৰিক গোট আৰু চুক্তি স্বাক্ষৰ ৰোধ কৰিবলৈ বিশ্বৰ আন আন দেশসমূহক আহ্বান জনাই আহিছে।
- **শান্তিপূর্ণ উপায়েৰে আন্তঃৰাষ্ট্রীয় বিবাদ মীমাংসা ঃ** ভাৰতৰ বৈদেশিক নীতিৰ এটি লেখত ল'বলগীয়া উদ্দেশ্য হ'ল— শান্তিপূর্ণ আৰু ৰাজনৈতিক উপায়েৰে আন্তঃৰাষ্ট্রীয় বিবাদ মীমাংসা। শান্তিপূর্ণভাৱে আন্তঃৰাষ্ট্রীয় বিষয় মীমাংসা কৰিবলৈ ভাৰতে সদায় চেষ্টা অব্যাহত ৰাখিছে। সেয়ে, ভাৰতে ৰাষ্ট্রসংঘই নির্ধাৰণ কৰি দিয়া নীতিসমূহক বিশেষভাৱে সমর্থন কৰে। আন্তঃৰাষ্ট্রীয় শান্তি আৰু নিৰাপত্তা বিঘ্নিত কৰিব পৰা সংঘাত নিষ্পত্তিৰ বাবে ভাৰতে শান্তিপূর্ণ উপায় অৱলম্বন কৰে।
- **শান্তিপূর্ণ সহাৱস্থান ঃ** শান্তিপূর্ণ সহাৱস্থান ভাৰতৰ বৈদেশিক নীতিৰ এটি উল্লেখনীয় উদ্দেশ্য। আন দেশৰ বিষয়ত অনাৱশ্যক হস্তক্ষেপ নকৰা আৰু শান্তিপূর্ণ সহাৱস্থান কৰাৰ আদর্শত ভাৰত পৰম বিশ্বাসী। "পঞ্চশীল" নীতিৰ পঞ্চ আদর্শৰ জৰিয়তে বিশ্ব ভাতৃত্ববোধ আৰু মানৱতাৰ উন্নতি সাধনৰ যোগেদি আন্তঃৰাষ্ট্রীয় বিবাদ মীমাংসা কৰিবলৈ ভাৰত চিৰ প্রতিশ্রুতিবদ্ধ।

- **গোষ্ঠী নিৰপেক্ষতা ঃ** আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত ভাৰতে গ্ৰহণ কৰা সৰ্বগৃহীত গোষ্ঠী নিৰপেক্ষতা দেশখনৰ বৈদেশিক নীতিৰ আন এটি গুৰুত্বপূৰ্ণ উদ্দেশ্য।
- **অভাৱ, ৰোগ আৰু নিৰক্ষৰতা দূৰীকৰণ ঃ** ভাৰতৰ বৈদেশিক নীতিৰ উল্লেখযোগ্য আন এটি উদ্দেশ্য হ'ল— অভাৱ, ৰোগ আৰু নিৰক্ষৰতা দূৰীকৰণ। এই বিষয়টো আন্তঃৰাষ্ট্ৰীয় সহায় আৰু সাহায্যৰ লগত ঘনিষ্ঠভাৱে জড়িত। গতিকে, বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ সৈতে ৰোগ, দুৰ্ভিক্ষ, দৰিদ্ৰতা আৰু নিৰক্ষৰতাৰ বিৰুদ্ধে যুঁজ দিবলৈ ভাৰতে সদায় অগ্ৰাধিকাৰ দিয়ে।

এইদৰে, ভাৰতৰ বৈদেশিক নীতিক আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা সুনিশ্চিত কৰিব বিচাৰে, সাম্ৰাজ্যবাদক বিৰোধিতা কৰে, বৰ্ণবৈষম্যতাৰ বিৰোধিতা কৰে, আন্তঃৰাষ্ট্ৰীয় বিবাদৰ শান্তিপূৰ্ণ আৰু ৰাজনৈতিক মীমাংসা কৰিব বিচাৰে, শান্তিপূৰ্ণ সহাৱস্থান কৰিব বিচাৰিছে, গোষ্ঠী নিৰপেক্ষভাবে থাকিব বিচাৰিছে, আৰু তৃতীয় বিশ্বৰ একতা আৰু বান্ধোন নিশ্চিত কৰিব বিচাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ ভাৰতৰ বৈদেশিক নীতিৰ কেন্দ্ৰীয় উদ্দেশ্যসমূহ উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৪ ঃ ভাৰতৰ বৈদেশিক নীতিৰ দূৰবৰ্তী উদ্দেশ্যসমূহৰ ভিতৰত প্ৰনিধানযোগ্য হ'ল— দেশখনৰ ৰাষ্ট্ৰীয় স্বপ্ন আৰু আদৰ্শক বাস্তবায়িত কৰিব পৰাকৈ এটি আন্তঃৰাষ্ট্ৰীয় ব্যবস্থা গঢ়ি তোলা। (শুদ্ধ/অশুদ্ধ)

.....

১০.৫ ভাৰতৰ বৈদেশিক নীতিৰ নীতিসমূহ

ওপৰত আলোচনা কৰা ভাৰতৰ বৈদেশিক নীতিৰ উদ্দেশ্যসমূহৰ প্ৰতি লক্ষ্য ৰাখি, সেই উদ্দেশ্যসমূহ পূৰণাৰ্থে ভাৰতে কেইবাৰ নিৰ্দিষ্ট মৌলিক নীতি গ্ৰহণ আৰু পোষকতা কৰিছে। ভাৰতৰ বৈদেশিক নীতিৰ মূল নীতি আৰু উদ্দেশ্যসমূহ ওতঃপ্ৰেতভাৱে জড়িত। সেই নীতিসমূহ সময়ৰ চাহিদাৰে সম্পৰীক্ষিত আৰু আন্তঃৰাষ্ট্ৰীয় আইন আৰু ভাৰতৰ বৈদেশিক নীতিৰ অনুশীলনৰ লগত সংপৃক্ত। ভাৰতৰ বৈদেশিক নীতিৰ মূল নীতিসমূহ নিম্নোলেখিত ধৰণে আলোচনা কৰিব পাৰি।

- **গোষ্ঠী নিৰপেক্ষতা ঃ** গোষ্ঠী নিৰপেক্ষতা ভাৰতৰ বৈদেশিক নীতিৰ এটি উল্লেখযোগ্য নীতি। এয়া আন্তঃৰাষ্ট্ৰীয় মঞ্চলৈ ভাৰতৰাষ্ট্ৰৰ আটাইতকৈ গুৰুত্বপূৰ্ণ অৱদান। ভাৰতে স্বাধীনতা লাভ কৰাৰ সময়ত, গোটেই বিশ্বখন ছোভিয়েট ইউনিয়ন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ— এই দুটা শক্তিগোটত বিভক্ত আছিল। যিহেতু ভাৰতে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত

বিশেষ ভূমিকা পালন কৰিবলৈ বদ্ধ পৰিকৰ, সেয়েহে দেশখনে কোনো এটি শক্তিগোষ্ঠীতে যোগদান নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত সৃষ্ট ৰাছিয়া আৰু আমেৰিকা নেতৃত্বাধীন দুই শক্তি গোষ্ঠীৰ কোনো এটিতে যোগদান নকৰি, স্বাধীনভাৱে আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক ৰক্ষা কৰাটো হ'ল ভাৰতৰ গোষ্ঠী নিৰপেক্ষতাৰ মূল উপাদান। আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত নিৰপেক্ষতা বা অংশগ্ৰহণ নকৰা বা অকলশৰে থকা এই বিষয়বোৰৰ লগত গোষ্ঠী নিৰপেক্ষতাক একেলগে চাব নোৱাৰি। গোষ্ঠী নিৰপেক্ষতা এটি যোগাত্মক প্ৰবাহমান ধাৰণা। গোষ্ঠীনিৰপেক্ষতাই আন্তঃৰাষ্ট্ৰীয় বিষয়, দেশ এখনে গ্ৰহণ কৰা স্বাধীন স্থিতিক বুজায়, কিন্তু একেসময়তে ই সূচায় যে দেশ এখন কোনো সামৰিক শক্তি গোষ্ঠীৰদ্ধাৰা প্ৰভাৱিত নহয়। সেয়েহে, বৈদিশিক নীতিৰ স্বাধীনতাৰ বাবে সামৰিক শক্তি আৰু বৃহৎশক্তি (superpowers)ৰ পৰা আতঁৰত থকাতো অতি অত্যাৱশ্যকীয় চৰ্ত। ভাৰতৰ গোষ্ঠী নিৰপেক্ষ নীতিয়ে বিশ্বৰ বিভিন্ন প্ৰান্তৰ, বিশেষকৈ এছিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ দেশসমূহৰ পৰা সমৰ্থন লাভ কৰিছে। যিটোৱে শীতল যুদ্ধৰ প্ৰভাৱৰ মাজতো ভাৰতৰ বৈদেশিক নীতিৰ উদ্দেশ্য পূৰণত বিশেষভাৱে অৰিহণা যোগাই আহিছে। গোষ্ঠী নিৰপেক্ষতাক জনপ্ৰিয় আৰু দৃঢ় কৰাৰ ক্ষেত্ৰত ভাৰতে অগ্ৰণী ভূমিকা পালন কৰি আহিছে। দেশীয় স্বাৰ্থ সুৰক্ষিত কৰাৰ উপৰিও, গোষ্ঠী নিৰপেক্ষতা নীতিয়ে বিশ্ব শান্তিৰ ক্ষেত্ৰত অৰিহণা যোগাই আহিছে।

- **শান্তিপূৰ্ণ সহাৱস্থান আৰু পঞ্চশীল নীতি ঃ** শান্তিপূৰ্ণ সহাৱস্থান আৰু সহযোগিতা ভাৰতীয় বৈদেশিক নীতিৰ আন এটি উল্লেখযোগ্য নীতি। শান্তিপূৰ্ণ বিবাদ মীমাংসাৰ ওপৰত ভাৰতে দিয়া বিশেষ গুৰুত্ব দেশখনৰ বৈদেশিক নীতিৰ শন্তিপূৰ্ণ সহাৱস্থান আৰু সহযোগিতাৰ মূল সত্ত্বা। ভাৰতীয় দৰ্শনৰ "বসুন্ধৈৱ কুতুম্বকম" মহামন্ত্ৰই এক বিশ্বৰ ধাৰণাক প্ৰসাৰিত কৰে। এইটোই এইটো সূচায় যে দেশসমূহৰ আদৰ্শগত, ধৰ্মীয় আৰু সামাজিক ব্যৱস্থাৰ তফাদ থকা সত্বেও দেশসমূহে শান্তিপূৰ্ণভাৱে আৰু সহযোগিতাৰে নিজস্ব বিভিন্নতা অক্ষুন্ন ৰাখিও একেলগে থাকিব পাৰে।

  ১৯৫৪ চনৰ ২৯ এপ্ৰিলত ভাৰত আৰু চীনৰ মাজত স্বাক্ষৰিত "পঞ্চশীল" (পাচঁটা নীতি)য়ে ভাৰতীয় দৰ্শনৰ এই মূল নীতিক বিধিগতভাৱে (formally) স্বীকৃতি প্ৰদান কৰিছিল।

  - *পঞ্চশীল নীতিয়ে নিম্নোক্ত বিষয়সমূহক সামৰি লয় ঃ*
    - দুয়োখন দেশৰ ভৌগোলিক অখণ্ডতা আৰু সাৰ্বভৌমত্বৰ প্ৰতি পাৰস্পৰিক সন্মান প্ৰদৰ্শন।
    - পৰস্পৰে আক্ৰমণ ৰোধ কৰা।
    - দুয়োখন দেশৰ আভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ নকৰা।
    - সমতা আৰু পাৰস্পৰিক লাভ (mutual benefit) আৰু
    - শান্তিপূৰ্ণ সহাৱস্থান।

- **ঔপনিবেক্ষিকতাবাদ আৰু সাম্ৰাজ্যবাদৰ বিৰোধিতা ঃ** ঔপনিবেক্ষিকতাবাদ আৰু সাম্ৰাজ্যবাদৰ তীব্ৰ বিৰোধিতা হ'ল ভাৰতৰ বৈদেশিক নীতিৰ আন এটি লেখত ল'বলগীয়া নীতি। দীৰ্ঘকালীন সময়ৰ বাবে ব্ৰিটিছ সাম্ৰাজ্যবাদৰ চিকাৰ হোৱাৰ অভিজ্ঞতাই ভাৰতক ঔপনিক্ষিকতা বাদ আৰু সাম্ৰাজ্যবাদৰ বিৰোধিতা কৰাৰ সিদ্ধান্তগ্ৰহণত অৱিহণা যোগাইছিল। গতিকে, এছিয়া আৰু আফ্ৰিকাৰ মানুহৰ স্বাধীনতাৰ যুঁজত ভাৰতে পূৰ্ণ সহযোগিতা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। সেই মানুহখিনিৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘই গ্ৰহণ কৰা কাৰ্যক্ৰমনিকাক ভাৰতে আগবঢ়াই নিছিল আৰু ঔপনিবেশিকতাবাদৰ বিলোপ সাধনত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল।
- **জাতি-বৈষম্যৰ বিৰোধিতা ঃ** ভাৰতীয় বৈদেশিক নীতিৰ আন এটি মূল নীতি হ'ল জাতি-বৈষম্যৰ বিৰোধীতা। সকলো মানুহৰ সমতাৰ ওপৰত ভাৰত বিশ্বাসী। জাতি আৰু সংস্কৃতিৰ ক্ষেত্ৰত উদ্ভৱ হ'ব পৰা যিকোনো প্ৰকাৰৰ ভিন্নতাক ভাৰতে বিৰোধীতা কৰে। জাতি-ভিত্তিক বৈষ্যম্যতাক আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত উপস্থাপন কৰা প্ৰথমখন ৰাষ্ট্ৰ হৈছে ভাৰত, আৰু দক্ষিণ আফ্ৰিকাই গ্ৰহণ কৰা জাতি-ভিত্তক বৈষম্যতাৰ ভাৰতে তীব্ৰ ভাষাৰে গৰিহণা দিছিল।

  ভাৰতে বিশ্বাস কৰে যে বিশ্বত সংঘঠিত বিভিন্ন সংঘাতৰ মূল উৎস হ'ল জাতি-বৈষম্য। জাতি-বৈষম্য বিশ্বশান্তি আৰু নিৰাপত্বাৰ প্ৰতিও ভাবুকিস্বৰূপ। সেয়েহে ভাৰতে সদায় এখন সমতাপূৰ্ণ সমাজ সৃষ্টিত সমৰ্থন আগবঢ়াই আহিছে, য'ত বৰ্ণ, জাতি, শ্ৰেণী আদিৰ ভিত্তিত সৃষ্টি কোনো বৈষম্যতা নাথাকিব।
- **বৈদেশিক অৰ্থনৈতিক সাহায্য আৰু ভাৰতৰ স্বতন্ত্ৰ নীতি ঃ** ভাৰতে বিশ্বাস কৰিছিল যে দেশখনৰ বাবে আটাইতকৈ প্ৰয়োজনীয় হৈছে অৰ্থনৈতিক বিকাশ। কিন্তু ভাৰতে স্বাধীনতা লাভ কৰাৰ সময়ত দেশখনে সম্পদ আৰু প্ৰযুক্তিৰ অভাৱৰ যোগেদি বাধাগ্ৰস্থ হৈছিল। বহুমূখী উন্নতি সাধনাৰ্থে উন্নয়নৰ প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ ভাৰতক প্ৰয়োজন হৈছিল অৰ্থনৈতিক সাহায্য আৰু ঋণ। সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়া আৰু বৈদেশিক নীতিৰ ক্ষেত্ৰত স্বতন্ত্ৰতা ৰক্ষা কৰিবলৈ ভাৰতে চেষ্টা আব্যহত ৰাখিছিল। দেশৰ গোষ্ঠী নিৰপেক্ষতা, স্বাধীনতা আৰু সাৰ্বভৌমত্বৰ লগত জড়িত কোনো বিষয়ত ভাৰতে আপোচ কৰিব বিচৰা নাছিল। অৱশ্য, দেশীয় অৰ্থনৈতিক বিকাশৰ ধাৰা খৰতকীয়া কৰিবলৈ ভাৰতে বিশ্ব বেংক আৰু অন্যান্য দেশসমূহৰ পৰা সাহায্য গ্ৰহণ আৰম্ভ কৰিছিল।
- **ৰাষ্ট্ৰসংঘৰ প্ৰতি আনুগত্য ঃ** ৰাষ্ট্ৰসংঘৰ প্ৰতি অনুগত্য প্ৰকাশ কৰা ভাৰতৰ নীতি ইয়াৰ বৈদিশিক নীতিৰ আন এটি অন্যতম দিশ। ৰাষ্ট্ৰসংঘ আৰু ইয়াৰ বিভিন্ন বিশেষ অঙ্গ সমূহৰ ভাৰত হৈছে প্ৰতিষ্ঠাপক সদস্য। শান্তিৰ ধ্বজাবাহক হিচাপে ভাৰতে ৰাষ্ট্ৰসংঘৰ প্ৰতি পূৰ্ণ আনুগত্য প্ৰকাশ কৰিছে। আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তাৰ ওপৰত ভাৰ পৰম বিশ্বসী আৰু দেশখনে ৰাষ্ট্ৰসংঘৰ বিশ্বজনীনতাক দৃঢ়তাৰে সমৰ্থন কৰে। ৰাষ্ট্ৰসংঘৰ সিদ্ধান্ত সমূহ ৰূপায়নৰ বাবে ভাৰতে সামৰিক আৰু অন্যান্য সহায় আগবঢ়াই আহিছে।

- **কমনৱেল্থ ৰাষ্ট্ৰৰ লগত সম্পৰ্ক ঃ** কমনৱেল্থ ৰাষ্ট্ৰৰ সৈতে ভাৰতে ৰক্ষা কৰা আন্তৰিকতাপূৰ্ণ সম্পৰ্ক ভাৰতীয় বৈদেশিক নীতিৰ এটি উল্লেখনীয় নীতি। ভাৰতে এখন গণতান্ত্ৰিক সংবিধান গ্ৰহণ কৰিছে যদিও দেশখনে অৰ্থনৈতিক আৰু অন্যান্য সা-সুবিধাৰ বাবে কমনৱেল্থ ৰাষ্ট্ৰসমূহৰ লগত সুসম্পৰ্ক ৰক্ষা কৰি আহিছে।
- **নিৰস্ত্ৰীকৰণৰ প্ৰতি সমৰ্থন ঃ** নিৰস্ত্ৰীকৰণৰ প্ৰতি সমৰ্থন ভাৰতৰ আন এটি বৈদেশিক নীতি। দুটা কাৰণৰ বাবে ভাৰতে নিৰস্ত্ৰীকৰণৰ প্ৰতি সমৰ্থন আগবঢ়াই আহিছে। প্ৰথমতে, ভাৰতে বিশ্বাস কৰে যে আন্তঃৰাষ্ট্ৰীয় বিবাদ মীমাংসাৰ বাবে নিৰস্ত্ৰীকৰন অতাৱশ্যকীয়। দ্বিতীয়তে, ভাৰতে বিশ্বাস কৰে যে অস্ত্ৰ নিৰ্মাণৰ নামত ব্যৱহিত ধনৰাশিয়ে আৰু অন্যান্য সংস্থা সমৰ্থিত অৰ্থ-সামাজিক উন্নয়ন সাধন কৰিব পাৰি। সেয়েহে ৰাষ্ট্ৰসংঘ আৰু অন্যান্য সংস্থা সমৰ্থিত নিৰস্ত্ৰীকৰণৰ বিভিন্ন চেষ্টাক ভাৰতে পূৰ্ণ সমৰ্থন কৰি আহিছে। যদিও ভাৰতে এতিয়ালৈকে পাৰমাণৱিক শক্তি অপ্ৰসাৰণ চুক্তি- (NPT) আৰু বিস্তৃত পাৰমাণৱিক পৰীক্ষা নিষিদ্ধকৰণ চুক্তি (CTBT) স্বাক্ষৰ প্ৰদান কৰা নাই, তথাপিও দেশখনে পাৰমানৱিক নিৰস্ত্ৰীকৰণৰ প্ৰতি পূৰ্ণ সহযোগিতা আগবঢ়াই আহিছে।
- **পাৰমানৱিক শান্তিপূৰ্ণ ব্যৱহাৰ ঃ** পাৰমানৱিক অস্ত্ৰৰ উন্নয়ন বিৰোধীতা কৰে যদিও, ভাৰতে পাৰমানৱিক শক্তিৰ শান্তিপূৰ্ণ ব্যৱহাৰৰ পোষকতা কৰে। অৰ্থনৈতিক উন্নয়নৰ গতি খৰতকিয়া কাৰিবলৈ উন্নয়নশীল দেশলৈ শান্তিপূৰ্ণ উদ্দেশ্যৰ বাবে পাৰমানৱিক প্ৰযুক্তি যোগানৰ প্ৰতি ভাৰতে পূৰ্ণ সহযোগিতা কৰে।
- **আন্তঃৰাষ্ট্ৰীয় বিবাদৰ শান্তিপূৰ্ণ মীমাংসা ঃ** ভাৰতৰ বৈদেশিক নীতিৰ আন এটি নীতি হ'ল আন্তঃৰাষ্ট্ৰয় বিবাদৰ শান্তিপূৰ্ণ মীমাংসা। ভাৰতৰ সংবিধানৰ প্ৰনেতাসকলে স্মৰণ কৰাই দিছিল যে, ৰাষ্ট্ৰ হিচাপে ভাৰতে আন্তঃৰাষ্ট্ৰীয় বিবাদ মীমাংসাৰ প্ৰতি আগ্ৰহী। ভাৰতৰ সংবিধানৰ ৫১ নং অনুচ্ছেদত উল্লেখ কৰা হৈছে যে আন্তঃৰাষ্ট্ৰীয় বিবাদ মীমাংসাৰ বাবে ৰাষ্ট্ৰখনে শান্তিপূৰ্ণ উপায় অৱলম্বন কৰিব।
- **মাধ্যম (Means)ৰ ওপৰত গুৰুত্ব প্ৰদান ঃ** ভাৰতীয় বৈদেশিক নীতিৰ আন এটি উল্লেখযোগ্য নীতি হ'ল যে ৰাষ্ট্ৰখনে মাধ্যমৰ শুদ্ধতা (purity of means)ৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ভাৰতে সদায় উচ্চ পৰ্যায়ৰ আদৰ্শক লালন-পালন কৰিছে আৰু ৰাষ্ট্ৰীয় স্বাৰ্থপূৰণৰ অৰ্থে আটাইতকৈ কাৰ্যকৰী মাধ্যমৰ পোষকতা কৰিছে।

সেয়েহে ভাৰতৰ বৈদেশিক নীতিৰ মূল নীতিসমূহ উচ্চ পৰ্যায়ৰ আদৰ্শৰ ওপৰত প্ৰতিষ্ঠিত।



অগ্ৰগতি নিৰীক্ষণ ঃ

প্ৰশ্ন নং ৫ ঃ ভাৰতৰ বৈদেশিক নীতি হিচাপে ঔপনিবেশিকতাবাদ আৰু সাম্ৰাজ্যবাদৰ বিৰোধিতাৰ বিষয়ে লিখক।

.....

.....

.....

প্ৰশ্ন নং ৬ ঃ ভাৰতৰ বৈদেশিক নীতিৰ দুটা নীতি উল্লেখ কৰক।

.....

.....

.....



১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতে স্বাধীনতা লাভ কৰিছিল আৰু স্বাধীন ৰাষ্ট্ৰ হিচাপে বৈদেশিক নীতি গ্ৰহণ বা সৃষ্টি কৰা ভাৰতৰ প্ৰয়োজন হৈছিল।
- স্বাধীনতা প্ৰাপ্তিৰ পূৰ্বেও ভাৰতক কিছু পৰিমানে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিনিধিত্ব কৰাৰ বাবে সুবিধা দিয়া হৈছিল।
- দেশখনৰ ইতিহাস, সংস্কৃতি আৰু পৰম্পৰা ওপৰত ভাৰত বৈদেশিক নীতি প্ৰতিষ্ঠিত।
- বিভিন্ন কাৰকৰ দ্বাৰা দেশ এখনৰ বৈদেশিক নীতি প্ৰভাৱিত আৰু নিৰ্ধাৰিত হয়। বৈদেশিক নীতি নিৰ্ধাৰণ এটি গতিশীল বিষয়। কাৎচিৎ ই গতিবিহীন।
- ভাৰতৰ বৈদেশিক নীতিৰ গুৰুত্বপূৰ্ণ নিৰ্ধাৰকবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল— ভূগোল, ইতিহাস, পৰম্পৰা, অৰ্থনৈতিক কাৰক, সামজিক কাৰক, আদৰ্শ, আন্তঃৰাষ্ট্ৰীয় পৰিস্থিতি ইত্যাদি।
- ভাৰতৰ বৈদেশিক নীতি মূল লক্ষ্যসমূহ হ'ল— আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা সুনিশ্চিত কৰা। ঔপনিবেশবাদ আৰু সাম্ৰাজ্যবাদ বিৰোধিতা কৰা, আন্তঃৰাষ্ট্ৰীয় সংঘাতৰ শান্তিপূৰ্ণ আৰু ৰাজনৈতিক সমাধান কৰা, শান্তিপুৰ্ণ সহাৱস্থান কৰা আৰু গোষ্ঠীনিপৰেক্ষতা বজাই ৰখা।
- এই লক্ষ্যসমূহত উপনীত হ'বলৈ ভাৰতে নিদিষ্ট আৰু মৌলিক বৈদেশিক নীতি গ্ৰহণ আৰপ পোষণ কৰিছে। ভাৰতৰ বৈদেশিক নীতিৰ মূল নীতিসমূহ আৰু ইয়াৰ উদ্দেশ্যসমূহ ওতঃপ্ৰোত ভাৱে জড়িত।



১০.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গোঁহাই, নবীন আৰু মমী দত্ত কটকী (২০১৩) ঃ *ভাৰতৰ বৈদেশিক নীতি*। যোৰহাট বিদ্যা ভৱন।

২) বৰুৱা, ডঁ দেৱ প্ৰসাদ (২০০৯)ঃ *ভাৰতৰ বৈদেশিক নীতি*। গুৱাহাটী ঃ স্বস্তিকা প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

১) Bandyopadhyaya, Jayantanuja (2003). *The Making of India's Foreign Policy*. New Delhi: Allied Publishers Pvt. Ltd.

২) Biju, M.R. (2001). *New Horizons of Indian Foreign Policy.* Delhi: Authorpress

৬) Chander, Prakash and Prem Arora (2000). *International Relations*. New Delhi: Cosmos Bookhive Pvt. Ltd.

৪) Chhabra, H.K. (1989). *Foreign Policies of Major Countries*. Delhi: Surjeet Publications

৫) Dutt, V.P. (2011). *India's Foreign Policy in a Changing World*. Noida: Vikas Publishing House Pvt. Ltd.

৬) Khanna, V.N. (2001). *Foreign Policy of India*. New Delhi: Vikas Publishing House Pvt. Ltd.



১০.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ আভ্যন্তৰীণ কাৰকসমূহ, বাহ্যিক কাৰকসমূহ

২ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতৰ বৈদেশিক নীতিৰ কেন্দ্ৰীয় উদ্দেশ্যসমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল ঃ দেশখনৰ ৰাষ্ট্ৰীয় স্বাৰ্থ, ৰাষ্ট্ৰীয় স্বাধীনতা আৰু সাৰ্বভৌমত্বক পোষণ কৰা।

৪ নং প্ৰশ্নৰ উত্তৰঃ শুদ্ধ

৫ নং প্ৰশ্নৰ উত্তৰঃঔপনিবেক্ষিকতাবাদ আৰু সাম্ৰাজ্যবাদৰ তীব্ৰ বেৰোধিতা হ'ল ভাৰতৰ বৈদেশিক নীতিৰ আন এটি লেখত ল'বলগীয়া নীতি। দীৰ্ঘকালীন সময়ৰ বাবে ব্ৰিটিছ সাম্ৰাজ্যবাদৰ

চিকাৰ হোৱাৰ অভিজ্ঞতাই ভাৰতক ঔপনিক্ষিকতা বাদ আৰু সাম্ৰাজ্যবাদৰ বিৰোধিতা কৰাৰ সিদ্ধান্তগ্ৰহণত অৱিহণা যোগাইছিল। গতিকে, এছিয়া আৰু আফ্ৰাতিকৰ মানুহৰ স্বাধীনতাৰ যুঁজত ভাৰতে পূৰ্ণ সহযোগিতা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। সেই মানুহখিনিৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘই গ্ৰহণ কৰা কাৰ্যক্ৰমনিকাক ভাৰতে আগবঢ়াই নিছিল আৰু ঔপনিবেশিকতাবাদৰ বিলোপ সাধনত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ গোষ্ঠী নিৰপেক্ষতা, ৰাষ্ট্ৰসংঘৰ প্ৰতি আনুগত্য



১০.৯ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভাৰতৰ বৈদেশিক নীতিক প্ৰভাৱিত কৰা যিকোনো দুটা বাহ্যিক কাৰক উল্লেখ কৰক।

প্ৰশ্ন ২ ঃ ভাৰতৰ বৈদেশিক নীতিৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কেন্দ্ৰীয় উদ্দেশ্যসমূহ কি কি?

(খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভাৰতৰ বৈদেশিক নীতিৰ যিকোনো চাৰিটা বাহ্যিক নিৰ্ধাৰকৰ বিষয়ে বিশ্লেষণ আগবঢ়াওক।

প্ৰশ্ন ২ ঃ ভাৰতৰ বৈদেশিক নীতিৰ যিকোনো পাঁচটা উদ্দেশ্য ব্যাখ্যা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভাৰতৰ বৈদেশিক নীতিৰ উদ্দেশ্যসমূহ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ ভাৰতৰ বৈদেশিক নীতিক নীতিসমূহ আলোচনা কৰক।

*** ***** ***

অধ্যায় ১১ ঃ ভাৰত আৰু আমেৰিকাৰ সম্বন্ধ

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ ভাৰত- আমেৰিকাৰ সম্পৰ্ক ঃ ইতিহাস, স্তৰ আৰু বৰ্তমানৰ স্থিতি

- ১১.৩.১ ঐতিহাসিক পটভূমি
- ১১.৩.২ ভাৰত-আমেৰিকাৰ শীতল যুদ্ধকালীন সম্পৰ্ক
- ১১.৩.৩ ১৯৬২চনৰ পৰৱৰ্তী সময়ত ভাৰত-আমেৰিকাৰ সম্বন্ধ
- ১১.৩.৪ ১৯৬৫ চনৰ পৰৱৰ্তী ভাৰত-আমেৰিকাৰ সম্বন্ধ
- ১১.৩.৫ ১৯৭১ চনৰ পৰৱৰ্তী ভাৰত-আমেৰিকাৰ সম্বন্ধ
- ১১.৩.৬ শীতল যুদ্ধৰ পৰৱৰ্তী সময়ত ভাৰত-আমেৰিকাৰ সম্বন্ধ
- ১১.৩.৭ পাৰমাণবিক শক্তি অ-প্ৰসাৰ চুক্তি আৰু ভাৰত- আমেৰিকাৰ সম্বন্ধ
- ১১.৩.৮ মানৱ অধিকাৰ আৰু ভাৰত-আমেৰিকাৰ সম্বন্ধ
- ১১.৩.৯ বৰ্তমান সময়ত ভাৰত-আমেৰিকাৰ সম্বন্ধ

১১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৫ অধিক জানিবলৈ

১১.৬ অগ্ৰগতিৰ খতিয়ান

১১.৭ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰত-আমেৰিকাৰ সম্পৰ্কৰ বিষয়ে অৱগত হ'ব পাৰিব
- ভাৰত-আমেৰিকাৰ সম্পৰ্কৰ ইতিহাস আৰু স্তৰৰ বিষয়ে জানিব পাৰিব
- উভয় দেশৰ সম্বন্ধৰ উত্থান-পতনৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- দেশ দুখনৰ সম্বন্ধত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা কাৰকসমূহ চিহ্নিত কৰিব পাৰিব
- তদুপৰি ভাৰত-যুক্তৰাষ্ট্ৰৰ সম্পৰ্কৰ বৰ্তমানৰ খতিয়ান দিব পাৰিব।

১২.২ পৰিচয়

ভাৰতবৰ্ষ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ উভয়ে বিশ্বৰ দুখন বৃহৎ গণতান্ত্ৰিক দেশ। একবিংশ শতিকাত আমেৰিকাই বিশ্বৰ একমাত্ৰ মহাশক্তিত পৰিণত হোৱাৰ সময়ত ভাৰতেও বিশ্ব ৰাজনীতিত এখন শক্তিশালী দেশ হিচাপে আত্মপ্ৰকাশ কৰিবলৈ সক্ষম হৈছে। উভয় দেশে

ৰাজনৈতিক, অৰ্থনৈতিক, কূটনৈতিক তথা সংস্কৃতিক ক্ষেত্ৰত ৰক্ষা কৰা সম্বন্ধই বিভিন্ন স্তৰৰ মাজেৰে আহি আজিৰ অৱস্থা পাইছে। এই অধ্যায়ত দেশ দুখনৰ সম্বন্ধৰ বিষয়ে পৰ্যাপ্ত ব্যাখ্যা আগবঢ়াবলৈ প্ৰয়াস কৰা হ'ব।

১১.৩ ভাৰত-আমেৰিকাৰ সম্পৰ্ক ঃ ইতিহাস, বিভিন্ন স্তৰ আৰু বৰ্তমানৰ স্থিতি

১১.৩.১ ঐতিহাসিক পটভূমি

ভাৰত-আমেৰিকাৰ সম্বন্ধৰ আৰম্ভণিৰ সময়সীমা বিংশ শতিকাৰ ত্ৰিশ আৰু চল্লিশৰ দশকৰ আৰম্ভণিৰ সময়চোৱা নিৰূপণ কৰিব পাৰি। এই সময়চোৱাত ভাৰতত ব্ৰিটিছৰ বিৰুদ্ধে চলি থকা স্বাধীনতা আন্দোলনলৈ আমেৰিকাই পূৰ্ণ সমৰ্থন আগবঢ়াইছিল। সেই সময়ৰ আমেৰিকাৰ ৰাষ্ট্ৰপতি ৰুজভেল্টে ব্ৰিটিছ ঔপনিৱেশিক শাসনৰ অধীনত থকা সকলো দেশৰ স্বাধীনতা পোষকতা কৰিছিল। ভাৰতৰ স্বাধীনতা লাভৰ ক্ষেত্ৰত আমেৰিকাৰ ৰাষ্ট্ৰপতিযে পালন কৰা ভূমিকাক আন্দোলনৰ নেতাসকলে কৃতজ্ঞতাৰে স্বীকাৰ কৰিছিল। প্ৰকৃততে যুক্তৰাষ্ট্ৰৰ যি গণতান্ত্ৰিক আদৰ্শ, সেই আদৰ্শৰ দ্বাৰা ভাৰতৰ নেতাসকল যথেষ্ট প্ৰভাৱিত হৈছিল। ১৯৪৭ চনৰ ১৫ আগষ্টত স্বাধীনতা লাভ কৰাৰ লগে লগে ভাৰতে স্বাধীন দেশেৰে গঠিত আন্তঃ ৰাষ্ট্ৰীয় সংস্থাসমূহৰ সদস্যপদ গ্ৰহণ কৰে। স্বাধীনতাৰ সমসাময়িক সময়চোৱাত দেশ দুখনৰ সম্বন্ধ যথেষ্ট বন্ধুত্বসুলভ আছিল। কিন্তু কাশ্মীৰক কেন্দ্ৰ কৰি সৃষ্টি হোৱা ভাৰত-পাকিস্তানৰ বিবাদত আমেৰিকাই পাকিস্তানক সমৰ্থন কৰা কাৰ্যৰ পৰা দেশ দুখনৰ সম্পৰ্কত ফাঁট মেলিবলৈ আৰম্ভ কৰে। ১৯৬২ চনৰ চীনা যুদ্ধৰ সময়ত আমেৰিকাই ভাৰতক সামৰিক সাহায্য আগবঢ়ালেও, দেশ দুখনৰ সম্পৰ্কে উন্নত নহ'ল। শীতল যুদ্ধত ভাৰতৰ নিৰপেক্ষ ভূমিকা আৰু ১৯৭১ চনত ছোভিয়েট ইউনিয়নৰ লগত ভাৰতে কৰা শান্তি, বন্ধুত্ব আৰু পাৰস্পৰিক সহযোগিতাৰ চুক্তিক কেন্দ্ৰ কৰি আমেৰিকা চিন্তিত হৈ পৰিছিল। প্ৰণিধানযোগ্য যে এই সময়চোৱাত আমেৰিকাই ভাৰতক আন্তঃ ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত সাধাৰণ ভূমিকা ল'ব পৰা এটা ক্ষুদ্ৰ আঞ্চলিক শক্তি হিচাপে গণ্য কৰি পাকিস্তানক অগ্ৰাধিকাৰ দিছিল। অৱশ্যে শীতল যুদ্ধৰ সামৰণি কৰাৰ পিছত আমেৰিকাৰ পাকিস্তানৰ প্ৰতি থকা সহযোগিতামূলক মনোভাৱ ক্ৰমান্বয়ে পৰিবৰ্তন হ'ল আৰু ভাৰতৰ সৈতে এটা সু-সম্পৰ্ক স্থাপনৰ গুৰুত্ব প্ৰদান কৰিলে। ১৯৯১চনত ভাৰতে নিজৰ অৰ্থ ব্যৱস্থা মুক্ত কৰি দিয়াৰ লগে লগে দ্ৰুতগতিত আৰ্থিক বিকাশ লাভ কৰিবলৈ সক্ষম হয়; লগতে ই ভাৰত-আমেৰিকাৰ সম্পৰ্কৰো নতুন দুৱাৰ মুকলি কৰিলে। বিশেষকৈ অৰ্থনৈতিক উন্নয়ন, নিৰাপত্তা, সামৰিক আৰু পাৰমাণৱিক ক্ষেত্ৰত ভাৰত-আমেৰিকাৰ পাৰস্পৰিক সহযোগিতাই নতুন দিগন্ত স্পৰ্শ কৰিছে। অৱশ্যে সময়ে ভাৰত আৰু আমেৰিকাৰ মাজত সম্পৰ্কত

জটিলতাৰ সৃষ্টি নোহোৱাকৈ থকা নাই; বিশেষকৈ আমেৰিকাৰ-ভাৰত-পাকিস্তানৰ ত্ৰিপাক্ষিক সম্পৰ্কলৈ চালে এই কথাষাৰ নুই কৰিব নোৱাৰি।

১১.৩.২ ভাৰত-আমেৰিকাৰ শীতল যুদ্ধকালীন সম্পৰ্ক

ভাৰতে স্বাধীনতা লাভৰ সময়ত বিশ্ব ৰাজনীতিত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েট ইউনিয়নে দুটা মহাশক্তি ৰূপত আত্মপ্ৰকাশ কৰি দুই বিপৰীত মেৰুত অৱস্থান গ্ৰহণ কৰিছিল। স্বাধীন ভাৰতে দুয়োটা মিত্ৰগোষ্ঠীৰ যিকোনো এটাৰ লগত যুক্ত হোৱাৰ সলনি নিৰপেক্ষ স্থিতি গ্ৰহণ কৰি উভয় গোষ্ঠীৰ লগত মিত্ৰতা বজাই ৰখাৰ নীতি অৱলম্বন কৰিলে। অৱশ্যে ভাৰতে এই স্থিতি গ্ৰহণ কৰিও সমালোচনাৰ পৰা মুক্ত হ'ব পৰা নাছিল। আমেৰিকাৰ নেতাসকলে ভাৰতৰ এই স্থিতিক ছোভিয়েট ৰাছিয়াৰ প্ৰতি যোগাত্মক মনোভাৱ বুলি সমালোচনা কৰিছিল। আমেৰিকাৰ উদ্যোগত হোৱা বিভিন্ন সামৰিক চুক্তি তথা আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত দেশখনে গ্ৰহণ কৰা কেতবোৰ সিদ্ধান্তলৈ ভাৰতে সমৰ্থন আগনবঢ়োৱা কাৰ্যই দেশখনক যথেষ্ট অস্বস্তিত পেলাইছিল। সেইদৰে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত কাশ্মীৰ বিবাদত আমেৰিকাই পাকিস্তানক সমৰ্থন তথা সাহাৰ্য প্ৰদান কৰা কাৰ্যই ভাৰতক চিন্তিত কৰি তুলিছিল।

সামৰিক মিত্ৰতাৰ জৰিয়তে ছোভিয়েট ইউনিয়ন আৰু চীনৰ সাম্যবাদক অৱৰোধ কৰাৰ আমেৰিকাৰ যি কুটনীতি তালৈ ভাৰতে সমৰ্থন আগবঢ়োৱাৰ পৰা বিৰত থাকি এক শান্তিপূৰ্ণ বাতাৱৰণৰ পোষকতা কৰিছিল। ভাৰতৰ এই মনোভাৱৰ পৰিচয় পৰৱৰ্তী কালতো পোৱা যায়, যেতিয়া চীনৰ তিব্বত আক্ৰমণৰ সময়ত নেহেৰুৰ উদ্যোগত ভাৰতে এক নৰম স্থিতি গ্ৰহণ কৰে। তদুপৰি আমেৰিকাই কোৰিয়াৰ প্ৰসংগত চীনক আগ্ৰাসী সজাবলৈ কৰা চেষ্টাৰ প্ৰতিও ভাৰতে সমৰ্থন জনোৱা নাছিল। সেইদৰে আমেৰিকাৰ আহ্বানত ১৯৫০ চনৰ নৱেম্বৰত স্বাক্ষৰিত হোৱা 'শান্তিৰ বাবে একত্ৰীকৰণ'ৰ চুক্তিৰ পৰাও ভাৰত আঁতৰি আছিল। আমেৰিকাৰ উদ্যোগত ১৯৫১ চনৰ ছেপ্তেম্বৰত হোৱা শান্তি চুক্তিৰ অধিবেশনত উপস্থিত থকাৰ পৰা ভাৰত বিৰত আছিল। আনকি ভাৰতে শান্তি চুক্তিৰ অধিবেশনলৈ ছোভিয়েট ইউনিয়ন আৰু চীনক আমন্ত্ৰণ নজনোৱা বাবে আমেৰিকাক তীক্ষ্ণ সমালোচনা কৰিছিল। ফলত দেশ দুখনৰ দ্বিপাক্ষিক সম্বন্ধ যথেষ্ট উদ্বেগজনক হৈ পৰিছিল।

লক্ষণীয়ভাৱে ভাৰত যুক্তৰাষ্ট্ৰৰ দ্বিপাক্ষিক ৰাজনৈতিক সম্পৰ্ক ক্ৰমে অৱনতি হ'বলৈ ধৰিলেও অৰ্থনৈতিক, সাংস্কৃতিক আৰু শৈক্ষিক ক্ষেত্ৰত এক শক্তিশালী সম্বন্ধ গঢ়ি তুলিছিল। ১৯৫১ চনত স্বাক্ষৰিত 'প্ৰযুক্তিবিদ্যাৰ সহযোগিতামূলক চুক্তি' ৰ অধীনত আমেৰিকাই ভাৰতক পৰ্যাপ্ত সহায় আগবঢ়াইছিল। ভাৰতে সন্মুখীন হোৱা খাদ্য সংকটৰ সময়ত আমেৰিকাই ভাৰতক পৰ্যাপ্ত খাদ্য যোগান ধৰাটো এটা লক্ষণীয় দিশ। ভাৰতে আনকি আমেৰিকাস্থিত বিভিন্ন ব্যক্তিগত প্ৰতিষ্ঠান যেনে ফ'ৰ্ড ফাউণ্ডেচন

(Ford Foundation), ৰ'কফেলাৰ ফাউণ্ডেচন (Rockefeller Foundation) আদিৰ পৰাও যথেষ্ট সহায় লাভ কৰিছিল।

১১.৩.৩ ১৯৬২ ৰ পৰৱৰ্তী সময়ত ভাৰত-আমেৰিকাৰ সম্বন্ধ

১৯৬২ চনৰ ভাৰত-চীন যুদ্ধই ভাৰত আৰু আমেৰিকাৰ সম্বন্ধলৈ এক নতুন সম্ভাৱনা কঢ়িয়াই আনিছিল। যুদ্ধৰ পৰৱৰ্তী কালত উভয় দেশৰ দ্বি-পাক্ষিক সম্বন্ধ যথেষ্ট উন্নত আৰু শক্তিশালী হৈছিল। ইয়াৰ মূলতে আছে যুদ্ধৰ সময়ছোৱত আমেৰিকাই ভাৰতলৈ আগবঢ়োৱা নিঃচর্ত সামৰিক আৰু নৈতিক সমর্থন। যুদ্ধৰ কালছোৱাত আনকি ভাৰতে গোষ্ঠী নিৰপেক্ষ আন্দোলন পৰিহাৰ কৰি আমেৰিকাৰ সৈতে একত্রিত হ'ব লাগে বুলিও ভাৰতবর্ষৰ অভ্যন্তৰত দাবী উত্থাপন হৈছিল। অৱশ্যে চীনে ভাৰতৰ বিভিন্ন অংশৰ পৰা সৈন্য বাহিনী আতঁৰাই নিয়াৰ পিছত এই দাবী ক্রমে প্রশমন হৈছিল আৰু ভাৰতেও নিজৰ গোষ্ঠী নিৰপেক্ষ স্থিতি বাহাল ৰাখিছিল।

১১.৩.৪ ১৯৬৫ ৰ পৰৱৰ্তী সময়ত ভাৰত-আমেৰিকাৰ সম্বন্ধ

চীনা যুদ্ধৰ সময়ত ক্রমান্বয়ে উন্নত হোৱা ভাৰত আমেৰিকাৰ সম্বন্ধ ১৯৬৫ চনৰ পিচত পুনৰ অৱনতি হ'বলৈ ধৰিলে। ইয়াৰ মূলতে আছিল ভিয়েটনাম যুদ্ধৰ সময়ত আমেৰিকাই উত্তৰ ভিয়েটনামত গেছ প্রয়োগ কৰাৰ ক্ষেত্রত প্রতি ভাৰতে কৰা বিৰোধিতা। আনকি ভাৰতৰ এই বিৰোধিতাত অসন্তুষ্ট হৈ আমেৰিকাই ৰাষ্ট্রপতিৰ ভাৰত ভ্রমণ কার্য অনির্দিষ্ট কাললৈ স্থগিত ৰাখিছিল। আকৌ ১৯৬৫ চনৰ ভাৰত পাকিস্তানৰ যুদ্ধত পাকিস্তানে আমেৰিকাৰ অস্ত্র ব্যৱহাৰ কৰা কার্যক কেন্দ্র কৰি ভাৰত যথেষ্ট অসন্তুষ্ট হৈছিল আৰু এই কার্যৰ মাজেৰে বিৰোধিতা কৰি পাকিস্তানক এই অস্ত্র ব্যৱহাৰ কৰাত বাধা দিবলৈ ভাৰতে আমেৰিকাৰ ওচৰত দাবী উত্থাপন কৰিছিল। কিন্তু ভাৰতৰ এই বিৰোধিতালৈ আওকাণ কৰি আমেৰিকাই ভাৰতলৈ প্রেৰণ কৰা ছয় খন অস্ত্র ভর্তি জাহাজ ওভতাই নিছিল। মন কৰিবলগীয়া যে ওভতাই নিয়াৰ সময়ত জাহাজ আৰু ভাৰতৰ উপকূলৰ মাজৰ দূৰত্ব আছিল মাত্র পোন্ধৰ মাইল।

পৰৱৰ্তী সময়তো ভাৰত আৰু আমেৰিকাৰ মাজত বন্ধুত্বমূলক সম্পর্ক গঢ়ি উঠা নাছিল। ইয়াৰ আৰত আছিল কাশ্মীৰ বিবাদত পাকিস্তানৰ প্রতি আমেৰিকাই আগবঢ়োৱ সমর্থন। তদুপৰি ১৯৬১ চনত নগা বিদ্রোহী ফিজোক আমেৰিকাই আশ্রয় প্রদান কৰা কার্যই দেশ দুখনৰ সম্বন্ধ অধিক তিক্ত কৰি তুলিছিল। সেইদৰে আমেৰিকাই ভাৰতলৈ আগবঢ়োৱা আর্থিক সাহার্য্যৰ পৰিমাণ কর্তনৰ বিৰূপ প্রভাৱ ভাৰতে সন্মুখীন হ'বলগীয়া হৈছিল। আনহাতে ভাৰতেও আমেৰিকাৰ এই পদক্ষেপত নতশিৰ নহৈ

বিশ্ব ৰাজনীতি শক্তিশালীভাৱে আত্মপ্রকাশ কৰি ১৯৭০ চনত উত্তৰ ভিয়েটনামত ভাৰতীয় দূতাবাস স্থাপন কৰিছিল। সমান্তৰালভাৱে ভাৰতেও কলিকতা, হাইদৰাবাদ, লক্ষ্ণৌ, পাতনা আদিত থকা আমেৰিকাৰ সাংস্কৃতিক কেন্দ্রসমূহ বন্ধ কৰি দিছিল।

১১.৩.৫ ১৯৭১ ৰ পৰৱৰ্তী সময়ত ভাৰত-আমেৰিকাৰ সম্বন্ধ

১৯৭১ চনত সংঘটিত ভাৰত পাকিস্তানৰ যুদ্ধৰ সময়তো আমেৰিকাই পূৰ্বৰ মনোভাৱ বাহাল ৰাখি পাকিস্তানৰ প্রতি নৈতিক সমর্থন আগবঢ়াইছিল। আমেৰিকাই নিৰাপত্তা পৰিষদৰ জৰিয়তে যুদ্ধ বিৰতি স্থাপন কৰি পাকিস্তানৰ স্থিতি অক্ষুণ্ণ ৰাখিবলৈ চেষ্টা কৰিছিল। কিন্তু ছোভিয়েট ইউনিয়নে 'ভেটো' ক্ষমতা প্রয়োগ কৰি আমেৰিকাক এই কূটনীতিত সফল হোৱাৰ পৰা বিৰত ৰাখে। এই বিফলতাৰ বাবেই আমেৰিকাই পূব পাকিস্তান (এতিয়াৰ বাংলাদেশ) ত বসবাস কৰি থকা আমেৰিকান নাগৰিকসকলক ওভোতাই আনিবলৈ পাৰমাণৰিক শক্তি কঢ়িওৱা জাহাজ প্রেৰণ কৰে। এই কার্য্যই দেশ দুখনৰ সম্পর্কক অধিক নিম্নগামী কৰে।

১৯৭৪ চনত ভাৰতে ৰাজস্থানত প্রথমটো পাৰমাণৰিক সম্পৰীক্ষণ সফলতাৰে সম্পন্ন কৰিছিল। অৱশ্যে ইয়াৰ লগতে এইটো স্পষ্ট কৰি দিছিল যে ভাৰতে এই পাৰমাণৰিক শক্তি শান্তিৰ অর্থে ব্যৱহাৰ কৰিব । কিন্তু আমেৰিকাই ভাৰতৰ এই পাৰমাণৰিক পৰীক্ষণক সহজভাৱে নলৈ ই দক্ষিণ এছিয়াত অশান্তিৰ বাতাবৰণৰ সৃষ্টি কৰিব বুলি আশংকা ব্যক্ত কৰিছিল।

ভাৰতত জনতা দল আৰু আমেৰিকাত জিমি কার্টাৰে শাসনভাৰ লোৱাৰ পিছৰে পৰা উভয় দেশৰ মাজৰ সম্বন্ধ ক্রমে উন্নত হ'বলৈ ধৰে। ১৯৭৭ চনত আমেৰিকাৰ ৰাষ্ট্রপতি জিমি কার্টাৰে ভাৰত ভ্রমণ কৰে। পৰৱৰ্তী বর্ষত ভাৰতৰ প্রধানমন্ত্রী মোৰাৰজী দেশায়েও আমেৰিকা ভ্রমণ কৰিছিল। কিন্তু এই সম্বন্ধই ঘনিষ্ঠ ৰূপ পোৱাৰ আগতে ইন্দিৰা গান্ধী পুনৰ ভাৰতৰ শাসনভাৰলৈ ঘূৰি আহে আৰু ভাৰত চৰকাৰে আফগানিস্থানৰ প্রতি আমেৰিকাই গ্রহণ কৰা ভুমিকাক সমর্থন জনাবলৈ অস্বীকাৰ কৰে। তদুপৰি আমেৰিকাৰ নৱনির্বাচিত ৰাষ্ট্রপতি ৰোনাল্ড ৰেগানে গ্রহণ কৰা ছোভিয়েট ইউনিয়ন বিৰোধী মনোভাৱে ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্রৰ সম্বন্ধ শিথিল কৰি তুলিছিল। ভাৰতৰ প্রৱল প্রতিবাদ স্বত্বেও আমেৰিকাই পাকিস্তানক অত্যাধুনিক মাৰণাস্ত্র বিক্রী কৰা কার্যক কেন্দ্র কৰিও দেশ দুখনৰ মাজত অশান্তিৰ বাতাবৰণ বিৰাজ কৰিছিল। ইয়াৰ উপৰিও ভাৰতৰ তাৰাপুৰ পাৰমাণৰিক প্রকল্পৰ বাবে ইউৰেনিয়াম যোগান ধৰিবলৈ আমেৰিকাই প্রদর্শন কৰা অপাৰগতা আৰু পাৰমাণৰিক অসম্প্রসাৰণ নীতিত স্বাক্ষৰ কৰিবলৈ ভাৰতে অস্বিকাৰ কৰাৰ দৰে ঘটনাও দেশ দুখনৰ মাজত কোনো মিত্রতা স্থাপন হোৱাত বাধা জন্মাইছিল।

১১.৩.৬ শীতল যুদ্ধৰ সামৰণিৰ পিছৰ পৰা ভাৰত -আমেৰিকাৰ সম্বন্ধ

দ্বিতীয় মহাযুদ্ধৰ সামৰণিৰ লগে লগে আৰম্ভ হোৱা শীতল যুদ্ধৰ ১৯৮৯ চনত অন্ত পৰিছিল। উল্লেখযোগ্য যে শীতল যুদ্ধ সামৰণি পৰাৰ পিছত ১৯৯১ চনত ছোভিয়েট ইউনিয়ন কেইবাখনো সৰু সৰু দেশলৈ বিভাজিত হৈছিল। এই ঘটনাই আমেৰিকাক বিশ্বৰ একমাত্ৰ মহাশক্তিত পৰিণত কৰালে। ফলত ভাৰতকে প্ৰমুখ্য কৰি বিশ্বৰ বহুতো দেশে নিজৰ বৈদেশিক নীতি সলনি কৰিবলৈ বাধা হৈ পৰিল আৰু ইয়াৰ পৰিণতি ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ সম্বন্ধ বিভিন্ন পৰিবৰ্তনৰ মাজেৰে অগ্ৰসৰ হ'বলৈ ধৰে। 'কিক্‌লায়টাৰ প্ৰস্তাৱ' (Kicklighter Proposal) অনুসৰি ভাৰতে ক্ৰমান্বয়ে আমেৰিকাৰ লগত সামৰিক সহযোগিতা বৃদ্ধি কৰিবলৈ আৰম্ভ কৰিলে। সেয়া হ'লেও 'পাৰমাণৰিক অসম্প্ৰসাৰণ নীতি'ত ভাৰতে স্বাক্ষৰ কৰিবলৈ মান্তি নোহোৱা ঘটনাই আমেৰিকাক অসন্তুষ্ট কৰি ৰাখিছিল। পাকিস্তান আৰু চীনৰ পৰা সামৰিক ভাবুকিৰ যুক্তি দেখুৱাই ভাৰতে চুক্তিখনত স্বাক্ষৰ কৰাৰ পৰা বিৰত থাকিলেও আমেৰিকাই ভাৰতক মান্তি হ'বলৈ হেঁচা প্ৰয়োগ কৰি আহিছিল। অৱশ্যে উভয় দেশে সামৰিক ক্ষেত্ৰত এক সু-সম্পৰ্ক ৰক্ষা কৰি যুটীয়া নৌ বাহিনীৰ অনুশীলনৰ বাবে সন্মত হোৱাতো এটা লক্ষণীয় দিশ আছিল। সেইদৰে নব্বৈৰ দশকত ভাৰতে গ্ৰহণ কৰা মুক্ত বজাৰ নীতিয়েও উভয় দেশক ওচৰ চপাই আনিছিল।

ছোভিয়েট ইউনিয়নৰ পতন আৰু বিশ্বত দ্বি-মেৰুৰ অৱসানৰ লগে লগে ভাৰত -আমেৰিকা যুক্তৰাষ্ট্ৰৰ সম্বন্ধই এই নতুন গতি লাভ কৰিছিল। গণতান্ত্ৰিক আদৰ্শ, বিশ্ব শান্তি, ইছলামিক সন্ত্ৰাসবাদ দমন, পাৰস্পৰিক বাণিজ্যৰ প্ৰসাৰ আদিৰ দৰে উমৈহতীয়া আদৰ্শসমূহে উভয় দেশক ওচৰ চপাই আনিছিল। ছোভিয়েট ইউনিয়নৰ আৱৰ্তমানত আমেৰিকাৰ সৈতে সু-সম্পৰ্ক বজাই ৰখাৰ বাহিৰে যে ভাৰতৰ গত্যন্তৰ নাই, সেই কথা ভালদৰে উপলব্ধি কৰিছিল। আনহাতে আমেৰিকাইও ভাৰতৰ সামৰিক শক্তি আকাৰ, জনসংখ্যা আদি দিশবোৰ বিবেচনা কৰি এক দৃঢ় সম্পৰ্ক বজাই ৰাখিবলৈ সন্মত হৈছিল।

১১.৩.৭ পাৰমাণবিক শক্তি অ-প্ৰসাৰ চুক্তি আৰু ভাৰত-আমেৰিকাৰ সম্বন্ধ

ভাৰতে পাৰমাণৰিক প্ৰকল্পৰ কাম-কাজ স্থগিত নকৰাৰ যি সিদ্ধান্ত গ্ৰহণ কৰিছিল, সি উভয় দেশৰ মাজৰ তিক্ততাপূৰ্ণ সম্বন্ধৰ এক গুৰুত্বপূৰ্ণ কাৰক আছিল। ভাৰতে যুক্তি দৰ্শাই কৈছিল যে যদিহে সকলো পাৰমাণৰিক শক্তিৰ অধিকাৰী দেশে পাৰমাণৰিক নিৰস্ত্ৰীকৰণত সন্মত হয়, তেন্তে ভাৰতেও পাৰমাণৰিক সম্পৰীক্ষা স্থগিত ৰাখিব। তদুপৰি এই নিৰস্ত্ৰীকৰণৰ এক নিৰ্দিষ্ট সময়সীমা থাকিব আৰু এই সময়সীমাৰ ভিতৰত সকলো দেশে নিৰস্ত্ৰীকৰণত উপনীত হ'ব লাগিব। কিন্তু আমেৰিকাই ভাৰতৰ এই দৃষ্টিভংগীক সহজভাৱে লোৱা নাছিল।

আমেৰিকাই সদায় ভাৰত আৰু পাকিস্তান উভয়ে পাৰমাণবিক শক্তি অ-প্রসাৰ চুক্তিত স্বাক্ষৰ কৰাটো বিচাৰিছিল। এই মনোভাৱ ৰাষ্ট্রপতি জিমি কাৰ্টাৰৰ পৰা বিল ক্লিণ্টনলৈ সকলোৱে গ্রহণ কৰিছিল। পাকিস্তানে এই কথা স্পষ্ট কৰি দিছিল যে ভাৰতে পাৰমাণবিক শক্তি অ-প্রসাৰ চুক্তিত স্বাক্ষৰ কৰাৰ পিছতহে পাকিস্তানে স্বাক্ষৰ কৰিব। আনহাতে পক্ষপাতিতাৰ দোহাই দি ভাৰতেও স্বাক্ষৰ কৰাৰ পৰা বিৰত আছিল। ভাৰতৰ মতে তিনিখন চুবুৰীয়া দেশ পাৰমাণৰিক শক্তিৰ অধিকাৰী হোৱা হেতুকে ভাৰতে পাৰমাণবিক প্রকল্প স্থগিত ৰাখিব নোৱাৰে। আমেৰিকাই যে কেৱল ভাৰতে স্বাক্ষৰ কৰিবলৈ সন্মত হোৱাটো বিচাৰিছিল, তেনে নহয়; ভাৰতে স্বকীয় মিছাইল নির্মাণ কৰা কার্যকো আমেৰিকাই সহজভাৱে ল'ব পৰা নাছিল। সেয়েহে ভাৰতৰ 'অগ্নি' আৰু 'পৃথ্বি' মিছাইলৰ সফল পৰীক্ষণে আমেৰিকাক অসন্তুষ্ট কৰি তুলিছিল। ভাৰতে আনকি পৰৱর্তী সময়ত প্রস্তাৱিত বিস্তৃত পাৰমাণৰিক পৰীক্ষা নিষিদ্ধকৰণ চুক্তি, ১৯৯৬ (Comprehensive Test Ban Treaty) লৈও সমর্থন জনোৱা নাছিল আৰু ১৯৯৬ চনত ৰাষ্ট্রসংঘৰ সাধাৰণ সভাত ইয়াৰ বিপক্ষে ভোট দিছিল।

উল্লেখযোগ্য যে ১৯৯১ চনৰ ছেপ্তেম্বৰত পোন প্রথমবাৰৰ বাবে আমেৰিকাৰ ৰাষ্ট্রপতি বিল ক্লিণ্টনে পাকিস্তানৰ প্রধান মন্ত্রী নাৱাজ শ্বৰিফক এই কথা স্পষ্ট কৰি দিছিল যে কাশ্মীৰ সমস্যা ভাৰত-পাকিস্তানৰ দ্বি পাক্ষিক সমস্যা আৰু দেশ দুখনে নিজেই এই সমস্যা সমাধান কৰিব লাগিব। আমেৰিকাই এই ক্ষেত্রত কোনো ভূমিকা নলয়।

১১.৩.৮ মানৱ অধিকাৰ আৰু ভাৰত-আমেৰিকাৰ সম্পর্ক

মানৱ অধিকাৰক কেন্দ্র কৰিও ভাৰত আৰু আমেৰিকাৰ দৃষ্টিভংগীৰ পার্থক্য দেখা যায়। Amnesty International, Asia Watch আদিৰ দৰে সংস্থাই ভাৰতত সৈন্য বাহিনীৰ দ্বাৰা মানৱ অধিকাৰ ভংগ হোৱা বিষয়টোত উদ্বেগ প্রকাশ কৰিছিল। এই সংস্থাসমূহে ভাৰতৰ সংসদে অনুমোদন জনোৱা বিতর্কিত টাডা আইন পৰিহাৰ কৰাটো বিচাৰিছিল। তদুপৰি আমেৰিকা যুক্তৰাষ্ট্রৰ কংগ্রেছেও ভাৰতত সংঘটিত হোৱা সঘন মানৱ অধিকাৰ ভংগৰ ঘটনাক লৈ চিন্তিত হৈ পৰিছিল। ভাৰতে Amnesty Internationalৰ প্রতিনিধিক ১১ বছৰৰ বাবে নিষিদ্ধ কৰি মানৱ অধিকাৰ ভংগৰ ঘটনাবোৰ তদন্ত কৰাত বাধা আৰোপ কৰিছিল। এই ঘটনাৰ প্রতিক্রিয়া স্বৰূপে ১৯৯০ চনৰ জুনত আমেৰিকাৰ সংসদত এখন বিধেয়ক উত্থাপন হৈছিল য'ত এই কথা স্পষ্টকৈ উল্লেখ আছিল যে ভাৰতে Amnesty International ৰ প্রতিনিধিক তদন্তৰ অনুমতি নিদিয়ালৈ সকলো সাহার্য বন্ধ ৰখা হ'ব।

১১.৩.৯ বর্তমান সময়ত ভাৰত-আমেৰিকাৰ সম্বন্ধ

বিগত সময়চোৱাত ভাৰত-আমেৰিকা যুক্তৰাষ্ট্ৰ সম্পর্কেই এক নতুন মোৰ গ্ৰহণ কৰিছে। আমেৰিকাৰ দৰে ভাৰতো ইছলামিক সন্ত্ৰাসবাদৰ ভূক্তভোগী। ই উভয় দেশক ওচৰ চপাই আনি সন্ত্ৰাসবাদীৰ বিৰুদ্ধে সন্মিলিতভাৱে থিয় হোৱাৰ বাট মোকলাই দিছে। তদুপৰি চুবুৰীয়া চীনে যিদৰে অনৈতিকভাৱে চো�ৰাংচোৰাৰ জৰিয়তে আমেৰিকাৰ পাৰমাণৰিক অস্ত্ৰ নিৰ্মাণৰ কৌশল আহৰণ কৰিবলৈ চেষ্টা কৰিছে, ভাৰতে পাৰমাণৰিক ক্ষেত্ৰত তেনে অনৈতিকতাৰ আশ্ৰয় কাহানিও লোৱা নাই। আকৌ ভাৰতে গ্ৰহণ কৰা মুক্ত বজাৰৰ নীতিকো আমেৰিকাই যথেষ্ট প্ৰশংসা কৰিছে। সৰ্বতোপৰি এছিয়া মহাদেশত বাঢ়ি অহা চীনৰ প্ৰতিপত্তিক নিয়ন্ত্ৰণ কৰাৰ উদ্দেশ্যেও আমেৰিকাই ভাৰতৰ সৈতে সু- সম্বন্ধৰ পোষকতা কৰা পৰিলক্ষিত হয়।

২০০০ চনত আমেৰিকাৰ ৰাষ্ট্ৰপতি বিল ক্লিণ্টনৰ ভাৰত ভ্ৰমণে দেশ দুখনৰ সম্বন্ধক এক নতুন মাত্ৰা প্ৰদান কৰিলে। দক্ষিণ-পূব এছিয়াৰ প্ৰতি আমেৰিকাৰ যি সাহাৰ্যমূলক নীতি, তাক বাহাল ৰখাৰ সিদ্ধান্ত এই ভ্ৰমণৰ এটা গুৰুত্বপূৰ্ণ দিশ। তদুপৰি ৰাষ্ট্ৰপতি গৰাকীয়ে এই কথা স্পষ্ট কৰি দিছিল যে সীমাক কেন্দ্ৰ কৰি পাকিস্তানে ভাৰতৰ লগত সংঘৰ্ষত লিপ্ত হোৱা কাৰ্যক আমেৰিকাই কাহানিও সহজভাৱে নলয়। তদুপৰি কাশ্মীৰ প্ৰসংগত আমেৰিকাই হস্তক্ষেপ নকৰে বুলিও স্পষ্ট মত পোষণ কৰিছিল।

বুশ্ব প্ৰশাসনে ২০০২ চনৰ ছেপ্তেম্বৰ মাহত পোনপ্ৰথমবাৰলৈ ভাৰতক 'বৃহৎ শক্তি' (Great Power) হিচাপে স্বীকৃতি দিছিল। এই প্ৰক্ৰিয়াৰ আৰম্ভণি হৈছিল আমেৰিকাৰ ৰাষ্ট্ৰপতি বিল ক্লিণ্টন আৰু ভাৰতৰ প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ যুটীয়া প্ৰচেষ্টাত আৰু ইয়াক আগুৰাই নি সম্পূৰ্ণ ৰূপ দিছিল প্ৰধানমন্ত্ৰী মনমোহন সিং আৰু ৰাষ্ট্ৰপতি জৰ্জ ডব্লিউ বুশ্বে। বিশ্বৰ এই দুই শক্তিশালী নেতাই ২০০৫ চনৰ জুলাইত ৰাশ্বিংটন ডি.চি.ত আৰু ২০০৬ চনৰ মাৰ্চ মাহত নতুন দিল্লীত মিলিত হৈছিল। এই বৈঠকত নেতা দুগৰাকীয়ে এক গোলকীয় সহযোগিতা স্থাপন কৰাৰ উদ্দেশ্যে দেশ দুখনৰ সম্বন্ধক এক নব ৰূপ দিবলৈ সন্মত হৈছিল। মানৱ অধিকাৰ ৰক্ষা, শক্তি আৰু প্ৰতিৰক্ষা খণ্ডৰ উন্নতি আদি দিশত সন্মিলিতভাৱে পদক্ষেপ ল'বলৈ বুজাবুজিত উপনীত হৈছিল। উভয় নেতাই দ্বি-পক্ষিক বানিজ্যৰ বিনিয়োগ আৰু দ্ৰুত প্ৰযুক্তিৰ বিনিময়ৰ জৰিয়তে দ্ৰুত অৰ্থনৈতিক বিকাশ সাধন কৰিবলৈ অংগীকাৰবদ্ধ হৈছিল।

২০১১ চনত আমেৰিকাৰ নবনিৰ্বাচিত ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে ভাৰতক আমেৰিকাৰ 'প্ৰিয় বন্ধু' (best friend) হিচাপে স্বীকৃতি দিয়াৰ লগে লগে ভাৰত-যুক্তৰাষ্ট্ৰৰ সম্বন্ধ অধিক শক্তিশালী হৈছিল। এই স্বীকৃতিৰ চিনস্বৰূপে ট্ৰাম্প প্ৰশাসনে আমেৰিকাৰ এশ বছৰীয়া পৰিকল্পনাত ভাৰতক স্থান দিছিল। প্ৰণিধানযোগ্য যে এই পৰিকল্পনাত আমেৰিকাৰ গুৰুত্বপূৰ্ণ মিত্ৰশক্তি হিচাপে পৰিচিত দেশেও স্থান পোৱা নাছিল। আমেৰিকাই বিস্তৃত এছিয়া প্ৰশান্ত মহাসাগৰীয় অঞ্চলটোক ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চল হিচাপে নতুনকৈ অভিহিত কৰি বিস্তৃত অঞ্চলটোত ভাৰতৰ প্ৰতিপত্তি বৃদ্ধি কৰিছিল। লগতে আফগানিস্তানত ভাৰতে গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ

ভুমিকাকো আমেৰিকাই প্ৰশংসা কৰাৰ লগতে আগষ্ট ২০১১ চনত প্ৰথমবাৰলৈ আমেৰিকাই পাকিস্তানৰ পৰা সন্ত্ৰাসবাদ নিৰ্মূল কৰাৰ ক্ষেত্ৰত ভাৰতলৈ মুকলি সমৰ্থন আগবঢ়াইছিল। শেহতীয়াকৈ ৰাষ্ট্ৰপতি ট্ৰাম্পে মুকলি কৰা 'ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা নীতি' (National Security Strategy) ত ভাৰতক এক গোলকীয় শক্তি হিচাপে অভিহিত কৰি বিস্তৃত ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ প্ৰতিৰক্ষাৰ ক্ষেত্ৰত ভাৰতে পালন কৰা ভূমিকাক স্বীকাৰ কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ১৯৬২ চনৰ পৰৱৰ্তী সময়ত ভাৰত-আমেৰিকাৰ সম্বন্ধৰ বিষয়ে আলোচনা কৰক।

.....

.....

প্ৰশ্ন নং ২ ঃ শীতল যুদ্ধ আৰু ইয়াৰ পৰৱৰ্তী সময়ত ভাৰত-আমেৰিকাৰ সম্বন্ধৰ বিষয়ে আলোচনা কৰক।

.....

.....

১১.৩.১০ ইণ্ডো-আমেৰিকান ৰক্ষা/সামৰিক সহযোগীতা

ভাৰতৰ সৈতে আমেৰিকাৰ ৰক্ষা সম্পৰ্ক বঢ়াৰ সংকেত হিচাপে, আমেৰিকাই ভাৰতৰ সৈতে চাৰিটা গুৰুত্বপূৰ্ণ চুক্তি স্বাক্ষৰ কৰিছে, যিয়ে যে বিগত ভাৰত-আমেৰিকাৰ এটা গুৰুত্বপূৰ্ণ ৰক্ষা সহযোগী ৰূপে আত্মপ্ৰকাশ কৰিছে। সেই চাৰিটা চুক্তি হ'ল ঃ

- **জিএছঅ'এমআইএ ঃ** ২০০২ চনত স্বাক্ষৰিত **জেনাৰেল চিকিউৰিটি অফ মিলিটাৰী ইনফৰ্মেচন এগ্ৰিমেণ্ট** (GSOMIA), ভাৰত-আমেৰিকা ৰক্ষা সহযোগিতাৰ আধাৰ স্থাপন কৰে আৰু সংবেদনশীল সেনা তথ্যৰ বিনিময়ৰ সুবিধা প্ৰদান কৰে।
- **এলইএম'এ ঃ** ২০১৬ চনত স্বাক্ষৰিত **লজিষ্টিকছ এক্সচেঞ্জ মেম'ৰেণ্ডাম অফ এগ্ৰিমেণ্ট** (LEMOA), দুয়োখন সেনাৰ মাজত পৰস্পৰ সহযোগিতা আৰু লজিষ্টিকৰ বিনিময়ৰ বাবে এক কাঠামো প্ৰস্তুত কৰে।
- **ক'মকাছা ঃ** ২০১৮ চনত স্বাক্ষৰিত **কমিউনিকেচনছ কম্পেটিবিলিটি এণ্ড চিকিউৰিটি এগ্ৰিমেণ্ট** (COMCASA), ভাৰতক উন্নত যোগাযোগ প্ৰযুক্তিত প্ৰবেশাধিকাৰ দিয়ে, যিটো আমেৰিকাৰ ৰক্ষা উপকৰণত ব্যৱহৃত হয়, আৰু দুয়োখন দেশৰ সেনাৰ মাজত বাস্তৱ সময়ৰ তথ্য বিনিময়ৰ সুবিধা দিয়ে।
- **BECA ঃ** ২০২০ চনত স্বাক্ষৰিত **বেছিক এক্সচেঞ্জ এণ্ড ক'অ'পাৰেচন এগ্ৰিমেণ্ট** (BECA), সেনা অভিযানৰ বাবে গুৰুত্বপূৰ্ণ ভৌগলিক তথ্য বিনিময়ৰ পথ মুকলি কৰে।

এই চাৰিটা মৌলিক চুক্তিৰ উপৰিও, ভাৰত-আমেৰিকা ২+২ বাৰ্তা, ইণ্ডো-আমেৰিকা যুটীয়া সামৰিক অনুশীলন, ৰক্ষা প্ৰণালীৰ যুটীয়া উৎপাদনৰ উদ্যোগ, আৰু ইণ্ডো-পেছিফিক কৌশলৰ অংশ হিচাপে QUAD ৰ সদস্য (ভাৰত, আমেৰিকা, জাপান আৰু অষ্ট্ৰেলিয়া)ৰ মাজত সহযোগিতা বৃদ্ধিয়ে ভাৰত-আমেৰিকা ৰক্ষা সম্পৰ্ক অধিক গভীৰ কৰিবলৈ অৱিহণা যোগাইছে।



১১.৪ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

- স্বাধীনতাৰ সমসাময়িক সময়ত ভাৰত-আমেৰিকাৰ সম্বন্ধ বন্ধুত্বসুলভ আছিল।
- কাশ্মীৰক কেন্দ্ৰ কৰি সৃষ্টি হোৱা ভাৰত-পাক বিবাদত পাকিস্তানক সমৰ্থন জনোৱা কাৰ্যই দেশ দুখনৰ সম্বন্ধ তিক্ত কৰিছিল।
- পাৰমাণৰিক অসম্প্ৰসাৰণ নীতিলৈ ভাৰতে সমৰ্থন নজনোৱাতোৱে আমেৰিকাক অসন্তুষ্ট কৰি তুলিছিল।
- ১৯৬২ চনৰ চীনা যুদ্ধৰ পিছত দেশ দুখনৰ সম্বন্ধ শক্তিশালী হৈছিল।
- কিন্তু ১৯৬৫ চনৰ ভাৰত-পাক যুদ্ধৰ সময়ত আমেৰিকাই পাকিস্তানক সামৰিক সমস্যা প্ৰদান কৰাক কেন্দ্ৰ কৰি দেশ দুখনৰ সম্পৰ্ক অৱনতি পুনৰ ঘটিছিল।
- ১৯৭১ চনৰ ভাৰত-পাক যুদ্ধৰ সময়ত আমেৰিকাই পুনৰ পাকিস্তানক সমৰ্থন কৰিছিল।
- ভাৰতৰ জনতা চৰকাৰ গঠন আৰু আমেৰিকাত জিমি কাৰ্টাৰ ৰাষ্ট্ৰপতি নিৰ্বাচিত হোৱাৰ পিছত উভয় দেশৰ সম্পৰ্ক উন্নত হ'বলৈ আৰম্ভ কৰিছিল।
- শীতল যুদ্ধৰ অবসানৰ লগে লগে ছোভিয়েট ইউনিয়নৰ পতনে ভাৰতক আমেৰিকাৰ ওচৰ চপাই আনিলে।
- ভাৰতে পাৰমাণৰিক প্ৰকল্প স্থগিত নৰখাৰ সিদ্ধান্তই আমেৰিকাক যথেষ্ট অস্বস্তিত পেলাইছিল।
- মানৱ অধিকাৰক কেন্দ্ৰ কৰিও ভাৰত যুক্তৰাষ্ট্ৰৰ মাজত বিভেদ হৈছিল।
- বিগত সময়চোৱাত বিভিন্ন কাৰকৰ বাবে ভাৰত-আমেৰিকাৰ সম্বন্ধ যথেষ্ট উন্নত হৈছে।
- ২০০০ চনৰ মাৰ্চ মাহত ৰাষ্ট্ৰপতি বিল ক্লিণ্টনৰ ভাৰত ভ্ৰমণে এই সম্বন্ধক এক নতুন গতি প্ৰদান কৰিছিল।
- ২০১৭ চনত ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে ভাৰতক আমেৰিকাৰ 'প্ৰিয় বন্ধু' হিচাপে দিয়া স্বীকৃতি এই সম্পৰ্কৰ এটি অতি গুৰুত্বপূৰ্ণ ঘটনা।

১১.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গোঁহাই, নবীন আৰু মমী দত্ত কটকী (২০১৩) ঃ *ভাৰতৰ বৈদেশিক নীতি* । যোৰহাট

বিদ্যা ভৱন।

২) বৰুৱা, ড° দেৱ প্ৰসাদ (২০০৯)ঃ *ভাৰতৰ বৈদেশিক নীতি* । গুৱাহাটী ঃ স্বস্তিকা প্ৰকাশন।

ইংৰাজী গ্ৰন্থঃ

১) Bandyopadhyaya, Jagantaniya (2003), *The making of India Foreign Policy*, New Delhi, Allied Publication Pvt. Ltd.

২) Biju, M.R. (2001), *New Horizons of Indian Foreign Policy*, Delhi, Author Press

৩) Charder, Prakash and Prem, Arora (2000), *International Relations*, New Delhi, Casmos Bookhive Pvt. Ltd.

৪) Chhabra, H.K. (1989), *Foreign Policies of Major Countries*, Delhi, Surjeet Publications.

৫) Dutt, V.P.(2011), *Indias Foreign Policy in a Changing world*, Noida, Vikash Publishing House Pvt. Ltd.

৬) Khanna, V.N. (2001), *Foreign Policy of India*, New Delhi, Vikash Publishing House Pvt. Ltd.



১১.৬ অগ্ৰগতি খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৬২ চনৰ ভাৰত-চীন যুদ্ধই ভাৰত আৰু আমেৰিকাৰ সম্বন্ধলৈ এক নতুন সম্ভাৱনা কঢ়িয়াই আনিছিল। যুদ্ধৰ পৰৱৰ্তী কালত উভয় দেশৰ দ্বি-পাক্ষিক সম্বন্ধ যথেষ্ট উন্নত আৰু শক্তিশালী হৈছিল। ইয়াৰ মূলতে আছে যুদ্ধৰ সময়ছোৱত আমেৰিকাই ভাৰতলৈ আগবঢ়োৱা নিঃচৰ্ত সামৰিক আৰু নৈতিক সমৰ্থন। যুদ্ধৰ কালছোৱাত আনকি ভাৰতে গোষ্ঠ নিৰপেক্ষ আন্দোলন পৰিহাৰ কৰি আমেৰিকাৰ সৈতে একত্ৰিত হ'ব লাগে বুলিও ভাৰতবৰ্ষৰ আভ্যন্তৰত দাবী উত্থাপন হৈছিল। অৱশ্যে চীনে ভাৰতৰ বিভিন্ন অংশৰ পৰা সৈন্য বাহিনী আতঁৰাই নিয়াৰ পিছত এই দাবী ক্ৰমে প্ৰসমন হৈছিল আৰু ভাৰতেও নিজৰ গোষ্ঠী নিৰপেক্ষ স্থিতি বাহাল ৰাখিছিল।

২ নং প্ৰশ্নৰ উত্তৰ ঃ দ্বিতীয় মহাযুদ্ধৰ সামৰণিৰ লগে লগে আৰম্ভ হোৱা শীতল যুদ্ধৰ ১৯৮৯ চনত অন্ত পৰিছিল। উল্লেখযোগ্য যে শীতল যুদ্ধ সামৰণি পৰাৰ পিছত ১৯৯১ চনত ছোভিয়েট ইউনিয়ন কেইবাখনো সৰু সৰু দেশলৈ বিভাজিত হৈছিল। এই ঘটনাই আমেৰিকাক বিশ্বৰ একমাত্ৰ মহাশক্তিত পৰিণত কৰালে। ফলত ভাৰতকে প্ৰমূখ্য কৰি বিশ্বৰ বহুতো দেশে নিজৰ

বৈদেশিক নীতি সলনি কৰিবলৈ বাধা হৈ পৰিল আৰু ইয়াৰ পৰিণতি ভাৰত যুক্তৰাষ্ট্ৰৰ সম্বন্ধ বিভিন্ন পৰিবৰ্তনৰ মাজেৰে অগ্ৰসৰ হ'বলৈ ধৰে। 'কিক্‌লায়ট াৰ প্ৰস্তাৱ' (Kicklighter Proposal) অনুসৰি ভাৰতে ক্ৰমান্বয়ে আমেৰিকাৰ লগত সামৰিক সহযোগিতা বৃদ্ধি কৰিবলৈ আৰম্ভ কৰিলে। সেয়া হ'লেও 'পাৰমাণৰিক অলম্প্ৰসাৰণ নীতি'ত ভাৰতে স্বাক্ষৰ কৰিবলৈ মান্তি নোহোৱা ঘটনাই আমেৰিকাক অসন্তুষ্ট কৰি ৰাখিছিল। পাকিস্তান আৰু চীনৰ পৰা সামৰিক ভাবুকিৰ যুক্তি দেখুৱাই ভাৰতে চুক্তিখনত স্বাক্ষৰ কৰাৰ পৰা বিৰত থাকিলেও আমেৰিকাই ভাৰতক মান্তি হ'বলৈ হেঁচা প্ৰয়োগ কৰি আহিছিল। অৱশ্যে উভয় দেশে সামৰিক ক্ষেত্ৰত এক সু- সম্পৰ্ক ৰক্ষা কৰি যুটীয়া নৌ বাহিনীৰ অনুশীলনৰ বাবে সন্মত হোৱাটো এটা লক্ষণীয় দিশ আছিল। সেইদৰে নব্বেৰ দশকত ভাৰতে গ্ৰহণ কৰা মুক্ত বজাৰ নীতিয়েও উভয় দেশক ওচৰ চপাই আনিছিল।

ছোভিয়েট ইউনিয়নৰ পতন আৰু বিশ্বত দ্বি-মেৰুৰ অৱসানৰ লগে লগে ভাৰত যুক্তৰাষ্ট্ৰৰ সম্বন্ধই এই নতুন গতি লাভ কৰিছিল। গণতান্ত্ৰিক আদৰ্শ, বিশ্ব শান্তি, ইছলামিক সন্ত্ৰাসবাদ দমন, পাৰস্পৰিক বাণিজ্যৰ প্ৰসাৰ আদিৰ দৰে উমৈহতীয়া আদৰ্শসমূহে উভয় দেশক ওচৰ চপাই আনিছিল। ছোভিয়েট ইউনিয়নৰ আৱৰ্তমানত আমেৰিকাৰ সৈতে সু-সম্পৰ্ক বজাই ৰখাৰ বাহিৰে যে গত্যন্তৰ নাই, সেই কথা ভালদৰে উপলব্ধি কৰিছিল। আনহাতে আমেৰিকাইও ভাৰতৰ সামৰিক শক্তি আকাৰ, জনসংখ্যা আদি দিশবোৰ বিবেচনা কৰি এক দৃঢ় সম্পৰ্ক বজাই ৰাখিবলৈ সন্মত হৈছিল।

১১.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ ১৯৫১ চনৰ কি নীতিৰ অধীনত আমেৰিকাই ভাৰতক সাহায্য আগবঢ়াইছিল?

প্ৰশ্ন ২ ঃ ভাৰতে গুৰুত্বপূৰ্ণ সাহায্য লাভ কৰা দুটা ব্যক্তিগত প্ৰতিষ্ঠানৰ নাম লিখক?

(খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ পাৰমাণৰিক অসম্প্ৰসাৰণ নীতি আৰু ভাৰত-আমেৰিকাৰ সম্পৰ্কৰ ওপৰত এটি টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ২ ঃ বৰ্তমান সময়ত ভাৰত-আমেৰিকাৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰক।

(খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ১৯৬২ চনৰ পৰা শীতল যুদ্ধৰ সামৰণিলৈ ভাৰত-আমেৰিকাৰ সম্বন্ধৰ বিষয়ে ফঁহিয়াই আলোচনা কৰক।

প্ৰশ্ন ২ ঃ শীতল যুদ্ধৰ সামৰণিৰ পৰা বৰ্তমানলৈ ভাৰত-যুক্তৰাষ্ট্ৰৰ সম্বন্ধৰ এক খতিয়ান দাঙি ধৰক।

*** ***** ***

অধ্যায় ১২ ঃ ভাৰত আৰু চীনৰ সম্বন্ধ

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ ভাৰত-চীনৰ সম্পৰ্ক ঃ ইতিহাস, বিভিন্ন স্তৰ আৰু সাম্প্ৰতিক অৱস্থা

- ১২.৩.১ ইতিহাস
- ১২.৩.২ তীব্বৰ্তৰ সমস্যা
- ১২.৩.৩ পঞ্চশীল চুক্তি
- ১২.৩.৪ তীব্বৰ্তৰ আন্দোলন
- ১২.৩.৫ চীন-ভাৰতৰ সীমা সংঘৰ্ষ
- ১২.৩.৬ ভাৰত-চীনৰ যুদ্ধ, ১৯৬২
- ১২.৩.৬ কলম্বো প্ৰস্তাৱ
- ১২.৩.৮ ১৯৬২ চনৰ যুদ্ধ (১৯৬৫-২০০০)ৰ পাছত চীন-ভাৰতৰ সম্পৰ্ক
- ১২.৩.৯ সমকালীন সময়ৰ ভাৰত-চীনৰ সম্পৰ্ক
- ১২.৩.৯ ডকলাম বিবাদ, ২০১৭

১২.৪ অধ্যায়টিৰ পৰা কি শিকিলোঁ

১২.৫ অধিক জানিবলৈ

১২.৬ অগ্ৰগতিৰ খতিয়ান

১২.৭ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰত আৰু চীনৰ সম্পৰ্কৰ বিষয়ে জানিব পাৰিব।
- ভাৰত আৰু চীনৰ সম্পৰ্ক, ইতিহাস আৰু স্তৰসমূহৰ বিষয়ে ধাৰণা লাভ কৰিব ।
- ভাৰত আৰু চীনৰ সম্পৰ্ক উঠা-নমাসমূহ আলোচনা কৰিব পাৰিব।
- ভাৰত আৰু চীনৰ সম্পৰ্ক লগত জড়িত সমস্যা আৰু প্ৰশ্নসমূহৰ চিনাক্তকৰণ কৰিব পাৰিব।
- সাম্প্ৰতিক সময়ৰ ভাৰত আৰু চীনৰ সম্পৰ্কৰ বিষয়ে আলোচনা আগবঢ়াব পাৰিব।

১২.২ পৰিচয়

সাম্প্ৰতিক পৰিপ্ৰেক্ষাত ভাৰত আৰু চীন ক্ৰমশঃ উত্থানপ্ৰাপ্ত দুই বিশ্ব শক্তি। দুয়োখন দেশেই ৰাজনৈতিক আৰু অৰ্থনৈতিকভাৱে শক্তিশালী আৰু প্ৰভাৱশালী। যদিও সামগ্ৰিক

ভাৱে ভাৰত আৰু চীনৰ সম্পৰ্ক বন্ধুত্বপূৰ্ণ, তথাপিতো কোনো কোনো সময়ত সংঘটিত হোৱা সীমা সমস্যা জনিত ঘটনাৰ দৰে কাৰণৰ ফলত এই সম্পৰ্কত ব্যাঘাত জন্মে। এই অধ্যায়ত আমি ভাৰত আৰু চীনৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰিব।

১২.৩ ভাৰত-চীনৰ সম্পৰ্ক ঃ ইতিহাস, বিভিন্ন স্তৰ আৰু সাম্প্ৰতিক অৱস্থা

১২.৩.১ ইতিহাস

ভাৰতৰ বৈদেশিক নীতিৰ ক্ষেত্ৰখনত চীনৰ সৈতে ভাৰতৰ সম্পৰ্ক বিষয়টো অতি গুৰুত্বপূৰ্ণ। এই সম্পৰ্কৰ ভেটি গঢ়ি তুলিছিলবৌদ্ধধৰ্মৰ প্ৰচাৰকসকলে। এই বৌদ্ধধৰ্মৰ প্ৰচাৰক সকলে চীনলৈ গৈ দেশৰ চুকে কোনে এই ধৰ্মৰ প্ৰচাৰ কৰিছিল। অন্যহাতে বহু সংখ্যক চীনা গৱেষক ছাত্ৰও জ্ঞান অৰ্জনৰ বাবে ভাৰতলৈ আহে।

আধুনিক সময়ত জাপানৰ আক্ৰমণৰ লক্ষ্য হৈ পৰা চীনৰ প্ৰতি ভাৰতে পূৰ্ণ সহমৰ্মিতাৰ ভাব প্ৰকাশ কৰিছিল। স্বধীনতাৰ পাছত এই দেশ দুখনৰ সম্পৰ্কৰ বিশেষ উন্নতি নঘটিল। তাৰোপৰি নিজস্ব কিছুমান আভ্যন্তৰীণ সমস্যাৰ বাবে সম্পৰ্কটো অনুষ্ঠানিকতাৰ মাজতে বৰ্তি থাকিল।

চীনৰ ৰাষ্ট্ৰীয়তাবাদী শাসনৰ সময়চোৱাত কাশ্মীৰৰ সমস্যাৰ বিষয়টো সন্দৰ্ভত চীনে যি পক্ষ গ্ৰহণ কৰিছিল সেয়া আছিল মুকলিকৈ পাকিস্থানৰ প্ৰতি কৰা সমৰ্থন, যিটো ভাৰতৰ নেতৃত্বস্থানীয় ব্যক্তিসকলৰ বাবে তিক্ততাৰ কাৰণ হৈ পৰে। ইন্দোনেচীয়াৰ স্বাধীনতাৰ বিষয়টোৰ ক্ষেত্ৰতো চীনে গ্ৰহণ কৰা পদক্ষেপ ভাৰতৰ বিপৰীতে আছিল।

যিকি নহওঁক চীনৰ "পিপুলচ্ ৰিপাব্লিক" কমিউনিষ্ট দলৰ উদ্ভৱ হোৱা সময়খিনিত ভাৰত-চীনৰ সম্পৰ্কৰ উন্নতি সাধন হয়। ১৯৪৯ চনৰ ১ অক্টোবৰত "দ্য পিপুলচ্ ৰিপাব্লিক অৱ চাইনা" য়ে আনুষ্ঠানিকতা লাভ কৰে। ইয়াক সমৰ্থন কৰা প্ৰথম দেশসমূহৰ ভিতৰত ভাৰতো অন্যতম। এই আনুষ্ঠানিকতা হয় ১৯৪৯ চনৰ ৩০ ডিচেম্বৰত। ৰাষ্ট্ৰসংঘত কমিউনিষ্ট চীনৰ প্ৰতিনিধিত্বৰ বাবে ভাৰতে পূৰ্ণ সমৰ্থন জনাইছিল। ভাৰতে চীনক এনেদৰে সমৰ্থন কৰা বিষয়টোত আমেৰিকা যুক্তৰাষ্ট্ৰৰ লগতে বহুকেইখন কমিউনিষ্ট বিৰোধী দেশে অসন্তুষ্টি প্ৰকাশ কৰে। কিন্তু ভাৰতে চীনে তীব্ৰতত চলোৱা সামৰিক কুচকাৱাজৰ দৰে ঘটনাকো আন্তঃৰাষ্ট্ৰীয় দৰবাৰত উত্থাপন নকৰি চীনৰ সৈতে বন্দুত্বপূৰ্ণ সম্পৰ্কক উন্নত কৰাৰ ক্ষেত্ৰত আগ্ৰহ দেখুৱাইছিল।

১২.৩.২ তিব্বতৰ সমস্যা

চীনৰ নেতাসকলে যেতিয়া ৰাজহুৱাভাৱে তীব্ৰতক মুক্ত কৰাৰ কথা ঘোষণা কৰে, তেতিয়া চীন আৰু ভাৰতৰ মাজত থকা সম্পৰ্কত ব্যাঘাত জন্মে। এই ঘোষণাই

ভাৰতত উত্তেজনাৰ সৃষ্টি কৰিছিল কিয়েনো ভাৰতে তিব্বত ৰাজ্যৰ অস্তিত্বক দেশৰ সুৰক্ষাজনিত দিশৰ পৰা গুৰুত্ব আৰোপ কৰিছিল। ১৯৫০ চনৰ ১ জানুৱাৰীত নতুনকৈ প্ৰতিষ্ঠা হোৱা "পিপুলচ্ ৰিপাব্লিক অৱ চাইনা"য়ে মুকলিকৈ ঘোষণা কৰে যে, তেওঁলোকৰ প্ৰথমটো কাম হ'ব সামৰিক বাহিনীৰ জৰিয়তে তিব্বতক মুক্ত কৰোৱাতো।১৯৫০ চনৰ অক্টোৱৰ মাহত চীনে ইতিমধ্যে তিব্বতক আগ্ৰাসন কৰিবলৈ লোৱা কাৰ্যৰ সম্পৰ্কে ভাৰতৰ দৃষ্টিগোচৰ হয়। ইয়াৰ প্ৰতিক্ৰিয়া হিচাপে ভাৰতে প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে 'আশ্চৰ্য' আৰু 'ভুলৰ উপলব্ধি' প্ৰকাশ কৰে। চীনাসকলৰ দৃষ্টিভংগীৰ পৰা চাবলৈ গলে এই সমস্যাটো শান্তিপূৰ্ণভাৱে সমাধান কৰিব পৰা গ'লহেঁতেন কিন্তু চীনৰ চৰকাৰে ভাৰতৰ এই প্ৰতিবাদ অগ্ৰাহ্য কৰে। তাৰোপৰি ভাৰত সাম্ৰাজ্যবাদী শক্তিসমূহৰ দ্বাৰা প্ৰভাৱিত হৈছে বুলি দোষী সাব্যস্ত কৰে। ইয়াৰ বিপৰীতে ভাৰতে চীনৰ এই আধিপত্যক স্বীকাৰ কৰে আৰু চীনৰ অভ্যন্তৰীণ বিষয়বোৰত হস্তক্ষেপ কৰাৰ পৰা বিৰত থাকে। দালাই লামাই তিব্বত ত্যাগ কৰে লগতে তিব্বতৰ এই সমস্যাক ৰাষ্ট্ৰসংঘত দাঙি ধৰিবলৈ যত্ন কৰে। কিন্তু বিশ্বৰ প্ৰধান প্ৰধান প্ৰচেষ্টাত বাধা প্ৰদান কৰিছিল। ভাৰতেও এইক্ষেত্ৰত সমৰ্থন আগ নবঢ়ালে। আন্তঃৰাষ্ট্ৰীয় দৰবাৰত চীনক দোষী সাব্যস্ত কৰি ভাৰতে ভৰিষ্যতে চীনৰ সৈতে সু-সম্পৰ্ক গঢ়ি তোলাৰ সকলো পথ বন্ধ কৰিবলৈ বিচৰা নাছিল। অৱশেষত ১৯৫১ চনৰ ২৩ মে'ত তিব্বত আৰু চীনৰ মাজত এখন চুক্তি সম্পাদন হয়, য'ত চীনৰ সম্পূৰ্ণ অধিপত্য মানি লোৱা হৈছিল আৰু কিছুমান বিষয়ত তিব্বতীয়ানসকলৰ স্বাধীনতা হ্ৰাস কৰা হয়।

এই ঘটনাৰ পৰিপ্ৰেক্ষিতত ভাৰত নিজৰ দেশৰ বাহিৰে-ভিতৰে কঠোৰ সমালোচনাৰ সন্মুখীন হয়। চীনৰ কমিউনিষ্ট শাসকসকলক সন্তুষ্ট কৰিবলৈ ভাৰতে তিব্বতৰ সায়ত্বশাসনক বলিদান দিছিল। ভাৰতৰ এই তিব্বত নীতি এতিয়াও বহুক্ষেত্ৰত সমালোচনাৰ সন্মুখীন হৈ আছে।

১২.৩.৩ পঞ্চশীল চুক্তি

চীনৰ তীব্বতৰ নীতিক লৈ ভাৰত অসন্তুষ্ট আছিল যদিও দুয়োখন দেশৰ বন্ধুত্বত প্ৰভাৱ পৰিবলৈ দিয়া নাছিল। বৰঞ্চ চীনে ৰাষ্ট্ৰসংঘত প্ৰতিনিধিত্ব কৰিবলৈ দাবী জনোৱাৰ বিষয়টোত ভাৰতে সমৰ্থন জনাই গ'ল। ভাৰত-চীনৰ বুজাবুজিৰ আৰম্ভণি ঘটিছিল এখন উল্লেখযোগ্য চুক্তিৰ জৰিয়তে ১৯৫৪ চনৰ ২৯ এপ্ৰিলত ভাৰত-চীৰৰ মাজত এই চুক্তিৰ সম্পাদন ঘটে। এই চুক্তি অনুসৰি তীব্বতৰ ওপৰত থকা ভাৰতৰ সকলো প্ৰাদেশিক অধিকাৰ বৰ্জন কৰিবলগীয়া হয়, তীব্বত চীনৰ এটি অংশস্বৰূপে চিহ্নিত কৰে। সেয়ে ভাৰতে তীব্বতৰ ওপৰত চীনৰ সম্পূৰ্ণ অধিকাৰ মানি ললে।

কিন্তু আটাইতকৈ মনকৰিবলগীয়া কথা যে এই চুক্তিখন মূলত পাঁচটা নীতিত ভগোৱা হৈছিল। এয়া সুখ্যাত 'পঞ্চশীল' নামে জনাজাত। এই পাঁচটা নীতি হৈছে —

- দুয়োখন দেশৰ অখণ্ডতা আৰু অধিকাৰক পাৰস্পৰিকভাৱে সন্মান জনোৱা।
- পৰস্পৰে পৰস্পৰৰ প্ৰতি হিংসা-দ্বেষ পৰিহাৰ কৰা।
- দুয়োখন দেশেই পৰস্পৰৰ অভ্যন্তৰীণ বিষয়বোৰত হস্তক্ষেপ নকৰা।
- সমতা আৰু পাৰস্পৰিক লাভালাভ।
- শান্তিপূৰ্ণ ভাৱে, সহযোগিতাৰে অস্তিত্ব ৰক্ষা।

পঞ্চশীল চুক্তিৰ পাছৰ চাৰিবছৰৰ সময়খিনিক 'চীনো-ইণ্ডিয়ান হনিমুন' আৰু 'হিন্দী-চিনী ভাই-ভাই' বুলি আখ্যা দিয়া হয়। ভাৰতৰ চীনৰ সৈতে সম্পৰ্ক থকা সময়খিনিত দুয়োখন দেশৰ নেতাসকলৰ মাজত ভালেমান আহ-যাহ পৰিভ্ৰমণ আদিও ঘটিছিল।

১৯৫৫ চনৰ এপ্ৰিল মাহত বাণ্ডঙত 'এফ্ৰো-এছিয়ান' দেশৰ আলোচনা চক্ৰৰ আয়োজন কৰা হৈছিল। ভাৰত চীনৰ বন্ধুত্বই এই আলোচনাৰ চক্ৰত দৃঢ়ৰূপ লৈছিল। তাৰোপৰি গোৱাৰ প্ৰসঙ্গৰ ক্ষেত্ৰতো চীনে ভাৰতক সমৰ্থন জনাইছিল।

১২.৩.৪ তীব্বতৰ আন্দোলন

তিব্বতীয় সকলে চীনৰ দমন কাৰ্য আৰু তেওঁলোকৰ ধৰ্মীয় কথাত হস্তক্ষেপ কৰাৰ প্ৰতিবাদ আন্দোলন গঢ়ি তুলিছিল। চীনে এই আন্দোলনৰ সন্মুখীন হ'বলগীয়া সময়ত পুনৰ ভাৰত আৰু চীনৰ সম্পৰ্কত তিক্ততাৰ সৃষ্টি হয়।

১৯৫৯ চনৰ মাৰ্চ মাহত তীব্বতৰ ৰাজধানী লাছাত হঠাতে এক প্ৰতিবাদৰ কাৰ্যসূচী আৰম্ভ হয়। এই প্ৰতিবাদৰ ফলত তিব্বতীয় আৰু চীনৰ সামৰিক বাহিনীৰ মাজত সংঘৰ্ষ , হতাহতি চলে। এই আন্দোলনক চীনে কঠোৰ হাতেৰে দমন কৰে। ১৯৫৯ চনত তীব্বতৰ ধৰ্মীয় গুৰু দালাই লামা ভাৰতলৈ পলাই গুচি আহে। হাজাৰ হাজাৰ তিব্বতীয় লোকে তেওঁলোকৰ গুৰুত্বক অনুসৰণ কৰিছে। ভাৰতে দালাই লামক ৰাজনৈতিক আশ্ৰয় প্ৰদান কৰে আৰু তেওঁক ভাৰতভূমিত চীনৰ হকে একো কাৰ্য কৰাৰ আয়োজন যাতে নকৰে তাৰ বাবে উপদেশ দিছিল। যিকি নহওঁক, পঞ্চশীল চুক্তি অনুসৰি দুয়োখন দেশে পৰস্পৰৰ অভ্যন্তৰীণ বিষয়সমূহত হস্তক্ষেপ নকৰাৰ বাবে সিদ্ধান্ত লৈছিল। গতিকে ভাৰতে তিবব্বতৰ এই সমস্যাত হস্তক্ষেপ কৰাৰ পৰা বিৰত থাকিল অন্যথা পঞ্চশীল নীতিৰ বিৰোধিতা কৰাতো সূচালেহেঁতেন ভাৰতৰ এই সিদ্ধান্তৰ সুযোগ লৈ চীনে ভাৰতৰ সীমাত নিজৰ সামৰিক শক্তিক স্থাপন কৰিলে। ফলস্বৰূপে তিব্বতে নিজৰ স্বায়ত্তশাসন হেৰুৱায়, যাক কেইবছৰমানৰ আগতহে লাভ কৰিছে।

তিব্বতত হৈ থকা এই ঘটনাসমূহৰ ক্ষেত্ৰত ভাৰতৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে যি নিৰুদ্বেগ পন্থা অৱলম্বন কৰিছিল তাৰ বাবে কঠোৰ সমালোচনাৰ সন্মুখীন হয়। ভাৰতৰ সংসদত নেহৰুৱে কৈছিল যে, "চীনৰ দৰে এখন মহান দেশৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক ৰক্ষাটো আমাৰ বাবে গুৰুত্বপূৰ্ণ । তিব্বতীয়া সকলৰ প্ৰতি আমাৰ পূৰ্ণ সহমৰ্মিতা আছে... আমি তিব্বতৰ লোকসকলৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক বিচাৰো আৰু স্বাধীনভাৱে তেওঁলোকৰ উন্নতি হওঁক"

যদিও ভাৰতে তিব্বতত চীনৰ বৈধ আসনক পূৰ্ণ সমৰ্থন জনাইছিল, কিন্তু চীনে তিব্বতৰ প্ৰতি ভাৰতে প্ৰকাশ কৰা সহৃদয়তাক সহজভাৱে লোৱা নাছিল। ভাৰতে দালাই লামক আশ্ৰয় প্ৰদান কৰা কাৰ্যক চীনে শত্ৰুৰ দৰে আচৰণ কৰা বুলি আখ্যা দিছিল আৰু ভাৰতীয় পৰ্যটক আৰু ব্যৱসায়ীসকলৰ ক্ষেত্ৰত প্ৰতিবন্ধকতা আৰোপ কৰে।

১২.৩.৫ 'চীন-ভাৰত' সীমা সংঘৰ্ষ

তিব্বতৰ সমস্যা তথা দালাই লামাক আশ্ৰয় প্ৰদান কৰা কাৰ্যৰ ফলত ভাৰত আৰু চীনৰ সম্পৰ্ক বেয়াৰ ফালে গতি কৰিবলৈ আৰম্ভ কৰে। সেই একে সময়তে চীনে ভাৰতভূমিত হস্তক্ষেপ কৰিবলৈ লৈছিল। চীনে ভাৰতৰ বহুহাজাৰ মাইল অংশ নিজৰ বুলি দাবী কৰে আৰু য'ত ভাৰতৰ সামৰিক ঘাটিসমূহ আছিল সেয়া চীনৰ ভূমিত স্থাপন কৰা বুলি দোষী সাব্যস্ত কৰে।

ভাৰত আৰু চীনৰ মাজত ২২০০ মাইল দীৰ্ঘতাৰ সীমা অৱস্থিত, এই সীমা চুক্তি আৰু শাসকীয় আয়োজনৰ দ্বাৰা নিৰ্দ্ধাৰণ কৰা হৈছিল। তাৰোপৰি দুয়োখন দেশৰ মাজত প্ৰাকৃতিকভাৱে যি সীমাৰ সৃষ্টি হৈছে তাতো কোনো অস্পষ্টতা নাই। সমগ্ৰ 'চীন-ভাৰত' সীমাক সাধাৰণতে তিনিটা খণ্ডত ভগাব পাৰি—

- পূৱ ভূটানলৈকে থকা সীমা।
- উত্তৰ প্ৰদেশ, পঞ্জাৱ আৰু হিমাচল প্ৰদেশৰ মুখ্য সীমা আৰু
- জম্মু-কাশ্মীৰক চীনৰ ভূমিৰ ছিকিয়াঙ আৰু তীব্বতৰ পৰা খণ্ডিত কৰা সীমা।

ভাৰত-চীনৰ এই সীমা সংঘষৰ মূলত 'মেকমোহন লাইন'ক লৈ জড়িত আছিল যি উত্তৰ-পূব আৰু উত্তৰ-পশ্চিমৰ ফালে লাডাখত অৱস্থান কৰিছে।



জানি থোৱা ভাল

মেকমোহন লাইন ঃ এই সীমাৰেখাডাল ভূটানৰ পূব অংশত দুয়োখন দেশৰ মাজত অৱস্থিত। ভাৰতে 'মেকমোহন লাইন'ক সদায় আইনগতভাৱে ভাৰত আৰু চীনৰ সীমা বুলি মানি আহিছে।

১৯১৪ চনত চিমলাত অনুষ্ঠিত এক আলোচনা চক্ৰত ব্ৰিটিছ ইণ্ডিয়া, তিব্বত

আৰু চীনৰ উপস্থিতিত 'মোকমোহন লাইন ঠিৰাং কৰা হৈছিল। এই আলোচনা চক্রখন মূলত নেপাল, ভূটান, চিকিম আৰু তিব্বতৰ সীমা নির্দ্ধাৰণৰ সমস্যাক আঁতৰ কৰিবলৈ অনুষ্ঠিত কৰা প্রতিনিধিত্ব কৰিছিল ব্রিটিছ কেবিনেটৰ 'State for India'ৰ সম্পাদক আর্থৰ হেনৰি মেকমোহনে। তিব্বতৰ বহিঅংশৰ সীমা আৰু ভাৰতৰ সীমাক পাহাৰৰ ওখ চূড়াসমূহেৰে নির্ধাৰণ কৰে। এই ৰেখা মেকমোহনৰ উপদেশ মতেই অকাঁ হৈছিল। মেকমোহনে নিজেই মেপত ৰঙা কলমেৰে ৰেখা টানিছিল। সেয়েহে ইয়াক 'মেকমোহন লাইন' নামেৰে জনা যায়। তাৰোপৰি ই একপ্রকাৰে প্রাকৃতিকভাৰে হোৱা সীমাৰেখাও আছিল। যিটো প্রাকৃতিকভাৰে উত্তৰ দিশৰ তিব্বত ভূমিৰ অংশ আৰু দক্ষিণৰ ভাৰতৰ পর্ব্বতসমূহত অৱস্থান কৰে। এই মেপখনত ব্রিটিছ ভাৰত, তিব্বত আৰু চীনৰ প্রতিনিধিসকলে চহী কৰে। কিন্তু চীনৰ চৰকাৰে এইখনক মানি লোৱা নাছিল। চীনৰ কোনো এখন চৰকাৰেই এই সীমাৰেখা মানি লোৱা নাছিল যদিও ভাৰতে সদায় এই 'মেকমোহন লাইন'ক স্বীকাৰ কৰি আহিছে।



জানি থোৱা ভাল

লাডাখ ঃ লাডাখ হৈছে জম্মু-কাশ্মীৰ ৰাজ্যৰ এক অংশ। এই ৰাজ্যখন সদায় ব্রিটিছৰ অধীনত আছিল যদিও স্বাধীনতৰ পাছত ভাৰতৰ এক অংশ হিচাপে স্বীকৃত হয়। যদিও লাডাখ-চীনৰ সীমা কোনো চুক্তি দ্বাৰা গৃহীত হোৱা নাছিল ভাৰত-চীনে ইয়াক সীমা হিচাপে সদায় মানি আহিছে। ভাৰতৰ মেপত এই সীমাক দেখিবলৈ পোৱা যায়। ১৩৯৯ চনত ভাৰতে চীনক প্রেৰণ কৰা এটি টোকাৰ পৰা স্পষ্ট কৰি দিছিল যে 'অকচাই চীন (Aksai Chin) ভাৰতভূমিৰে এটি অংশ। জম্মু-কাশ্মীৰৰ ৰাজকীয় নথি পত্রসমূহৰ পৰাও নিশ্চিত হ'ল যে, 'অকচাই চীন' সদায় জম্মু-কাশ্চীৰৰ অন্তর্গত লাডাখ ভূমিৰ অংশ আছিল।

১৯৫৬-৫৭ চনৰ সময়চোৱাত চীনে যেতিয়া এই 'অকচাই চীন' অঞ্চলত এটা পথ নির্মাণ কৰিবলৈ আৰম্ভ কৰে, ভাৰত চীনৰ সীমা সংঘর্ষ আৰম্ভ হয়। এই পথ নির্মানে চীনৰ পৰা তিব্বতলৈ অহিবলগীয়া বহিৰাগতৰ লগতে পশ্চিমীয়া তিব্বতৰ পথ মুকলি কৰাৰ সংশয়ৰ সৃষ্টি কৰিছিল। তাৰোপৰি ই দক্ষিণ পশ্চিমীয়া চীন আৰু ছোভিয়েট ইউনিয়নৰ সৈতে সংলগ্ন কৰাৰ আশংকাৰ সৃষ্টি কৰিছিল।

জানুৱাৰী মাহত ১৯৫৯ চনত চীনৰ প্রধানমন্ত্রী চ' এন লাইয়ে ভাৰত আৰু চীনৰ মাজত সীমা নিমার্ণৰ প্রত্যাহ্বান জনায়। সেই একে বছৰৰে ছেপ্তেম্বৰ মাহত ভাৰতৰ ৫০,০০০ মাইল অংশ নিজৰ বুলি দাবী কৰে। এমাহৰ পাছত লাডাখত চীনা সৈন্যয়ে প্রৱেশ কৰি মুকলিকৈ গুলীবর্ষণ কৰে। ফলস্বৰূপে কিছু সংখ্যক ভাৰতীয়

সৈন্যৰ মৃত্যু ঘটে। এই ঘটনাক বহুলোকে গৰিহণা দিছিল আৰু এনে জটিল সম্পৰ্কৰ অৱসান ঘটাবলৈ দাবী জনায়।

দুয়োখন দেশৰ বেয়ালৈ গতি কৰা সম্পৰ্কৰ বাবে ১৯৬০ চনৰ এপ্ৰিল মাহত, চীন-ভাৰতৰ দুয়োজন প্ৰধানমন্ত্ৰীয়ে আলোচনাৰ বাবে মিলিত হয়। কিন্তু বিশেষ একো উন্নতি সাধন নহ'ল। যি কি নহওঁক দুয়োখন দেশৰ প্ৰধানমন্ত্ৰীয়ে সীমাৰ লগত জড়িত তথ্যপাতিসমূহ আনুষ্ঠানিক ভাৱে পৰীক্ষা নিৰীক্ষা কৰাৰ ক্ষেত্ৰত সহমত পোষণ কৰে। তাৰোপৰি আনুষ্ঠানিকভাৱে গৃহীত কিছুমান চৰ্ত, পৰিভ্ৰমণৰ বাদে কোনো চুক্তি সাধন নহ'ল। সীমাৰ সমস্যা, সংঘৰ্ষ একেদৰেই চলি থাকিল।

১২.৩.৬ ভাৰত-চীনৰ যুদ্ধ, ১৯৬২

১৯৬২ চনত পৰিস্থিতিয়ে গুৰুতৰ ৰূপ ধাৰণ কৰিলে। চীনে ভাৰতৰ নেফা আৰু লাডাখ অঞ্চলত পূৰ্ণ আক্ৰমণ চলায়। ভাৰতেও সামৰিক বাহিনীক নেফালৈ হস্তান্তৰ হ'বলৈ নিৰ্দেশ দিয়ে আৰু চীনৰ প্ৰতি প্ৰত্যাক্ৰমণ চলায়। সোনকালে এই জটিলতাই পূৰ্ণৰূপত যুদ্ধলৈ গতি কৰে। ভাৰতৰ সামৰিক বাহিনীয়ে যথেষ্ট ক্ষতিসাধনৰ মুখা-মুখি হয়। অন্যহাতে চীনাসকলেও যথেষ্ট পৰিমানে ক্ষতিসাধনৰ সন্মুখীন হৈছিল। তেনে পৰিস্থিতিত ভাৰতৰ জৰুৰীকালীন অনুৰোধত ব্ৰিটেইন আৰু যুক্তৰাষ্ট্ৰই প্ৰয়োজনীয় যুদ্ধৰ সামগ্ৰী ভাৰতীয় সামৰিক বাহিনীক যোগান ধৰে।

১৯৬২ চনৰ ২১ নৱেম্বৰত চীনে উদ্দেশ্য প্ৰণোদিতভাৱে গুলীবৰ্ষণ কৰে। তাৰোপৰি চীনে তিনিটা টোকা সম্বলিত এক প্ৰস্তাৱ আগ�বঢ়াইছিল। এই প্ৰস্তাৱৰ মতে যিকোনো এটা টোকা উলংঘন হ'লেই চীনে গুলীবৰ্ষণ কৰিব। ১৯৬২ চনৰ ২৬ অক্টোবৰত আগবঢ়োৱা এই প্ৰস্তাৱক ভাৰতে মানি নোলোৱাৰ লগতে ভাৰতে ৩ ছেপ্তেম্বৰত সীমাৰ অৱস্থা আৰু পৰিস্থিতি যিদৰে আছিল তেনেদৰে থাকিবলৈ দিব লাগে বুলি মতপোষণ কৰে, যিটো চীনৰ পক্ষে সমৰ্থন কৰা সম্ভৱ নাছিল আৰু সেয়ে গুলীবৰ্ষণ কৰে।

১২.৩.৭ কলম্বো প্ৰস্তাৱ

চীনৰ গুলীবৰ্ষণ ঘটনাৰ পাছত ১৯৬২ চনত ডিচেম্বৰৰ ১০ তাৰিখে কলম্বোত শ্ৰীলংকাৰ প্ৰধানমন্ত্ৰী চিৰিমাৱো বনদৰানাইকে (Sirimavo Bandaranaike) ৰ উদ্যোগত ছখন নিৰপেক্ষ ৰাষ্ট্ৰক লৈ আলোচনাত মিলিত হয়। এই আলোচনাত শ্ৰীলংকা, বাৰ্মা, ইন্দোনেচীয়া, ইজিপ্ত, ঘানা আৰু কাম্বোদিয়াই অংশগ্ৰহণ কৰিছিল। কলম্বো প্ৰস্তাৱৰ আলোচনা মূলতঃ শ্ৰীলংকা, ভাৰত আৰু চীনৰ প্ৰধানমন্ত্ৰীৰ মাজত হৈছিল। কলম্বো প্ৰস্তাৱ ভাৰতৰ বাবে গ্ৰহণযোগ্য আছিল যদিও চীনে পোষণ কৰা কিছুমান চৰ্ত ভাৰতৰ বাবে গ্ৰহণীয় নাছিল। গতিকে কলম্বো

প্রস্তাৱো কৃতকার্য নহ'ল। ভাৰত-চীনৰ সম্পর্কত যথেষ্ট ঘূণে ধৰিলে যিটো বহুবছৰলৈকে ঠিক নহ'ল। সম্পর্কৰ এই তিক্ততাৰ ফলশ্রুতিত চীনে ভাৰতৰ প্রধান শত্রু পাকিস্থানৰ ওচৰ চাপিল।

১২.৩.৮ ১৯৬২ চনৰ যুদ্ধৰ পাছত 'চীন-ভাৰত' ৰ সম্পর্ক (১৯৬৫-২০০০)

ইছলামিক দেশ পাকিস্থানৰ লগত চীনে লাহে লাহে গভীৰ সম্পর্ক গঢ়ি তুলিলে। ১৯৬৫ আৰু ১৯৭১ চনত হোৱা ভাৰত-পাক সংঘর্ষতো চীনে পাকিস্থানক মুকলিকৈ সমর্থন জনায় । তাৰোপৰি চীনে বহুপৰিমানে অস্ত্র-শস্ত্রৰো সৰবৰাহ ঘটায়। যিসমূহ ভাৰতৰ বিপক্ষে ব্যৱহাৰ কৰিবলৈ সৰবৰাহ কৰা হৈছিল।

ইন্দিৰা গান্ধীৰ প্রধানমন্ত্রীত্বৰ কালত ভাৰত-চীনৰ সম্পর্কক উন্নত কৰিবলৈ চেষ্টা কৰিছিল যদিও ফলপ্রসূ নহ'ল। ১৯৬৭ চনৰ জুন মাহত দিল্লীত দুজন চীনা দূতাবাসৰ গুপ্তচৰ বিষয়াক অভিযোগত গ্রেপ্তাৰ কৰা হ'ল। সেই বছৰৰে ছেপ্তেম্বৰ মাহত নথুলাত ভাৰতৰ সৈন্য বাহিনীৰ চকীত চীনে আক্রমণ কৰে। অক্টোৱৰ মাহত ছো লা অঞ্চলত অন্য এটা ভাৰতীয়ক ঘৰত চীনে আক্রমণ কৰে।

চীনে ভাৰতৰ প্রতি থকা বিদ্বেষক এনেদৰে মুকলিকৈ প্রকাশ কৰি গ'ল, ১৯৭১ চনত হোৱা বাংলাদেশৰ সমস্যাৰ ক্ষেত্রতো চীনে পাকিস্থানক সমর্থন জনায়। তাৰোপৰি বাংলাদেশৰ স্বাধীনতাও চীনৰ বাবে গ্রহণযোগ্য নাছিল। 'ভেটো'ৰ জৰিয়তে ৰাষ্ট্র সংঘৰ সুৰক্ষা সমিতিত, ৰাষ্ট্রসংঘত যোগদানৰ পথো বাংলাদেশৰ বাবে বন্ধ কৰে।

১৯৭৪ চনৰ মে' মাহত ৰাজস্থানত ভাৰতে পৰীক্ষামূলক ভাৱে পাৰমাণৰিক অস্ত্র প্রয়োগ কৰিছল। তাৰোপৰি ভাৰতে স্পষ্ট কৰি দিছিল যে এই পাৰমাণৰিক পৰীক্ষা মাত্র শান্তিপূর্ণ প্রক্রিয়াৰ বাবেহে, কোনো ধৰণৰ পাৰমাণৰিক অস্ত্রৰ নির্মাণ হোৱা নাই। কিন্তু চীনে ভাৰতৰ এই পাৰমাণৰিক পৰীক্ষাক চুবুৰীয়া সৰু দেশসমূহক ভীতিপ্রদর্শনৰ বাবে কৰা বুলি আখ্যা দিয়ে আৰু পাকিস্থানৰ সমর্থনৰ বাবে অনুৰোধ জনায়।

ভাৰত সদায় চীনৰ সৈতে সীমা সমস্যাক সমাধান কৰাৰ পক্ষত আছিল আৰু ৰাষ্ট্রসংঘত চীনৰ প্রৱেশৰ অনুমতিৰ বাবেও সমর্থন জনাই আহিছিল। এই সম্পর্কত পুনৰাই পাক অধিকৃত কাশ্মীৰ অঞ্চলৰ 'খুনজেৰাব পাছ' ৰ (Khunjerab Pass)ৰ মুকলিৰ সময়ত ব্যাঘাত জন্মে। ৪,৬২০ মিটাৰ ওখ এই পথ চীনাসকলৰ অন্তিম ষ্টেশ্যন আছিল, তাত চীনাসকলে কাৰোকোৰাম পথৰ নির্মাণ কৰে যিটো প্রধানত নিয়মীয়া ভ্রমণ আৰু ব্যৱসায়ৰ বাবে নির্মাণ কৰা হৈছিল। ভাৰতে চীন আৰু পাকিস্থানৰ এই কার্মক অহৰহ প্রতিবাদ জনায়। এই ঘটনাৰ ফলত চীন আৰু ভাৰতৰ সম্পর্ক স্বাভাৰিক হোৱাৰ ক্ষেত্রত বাধাৰ সৃষ্টি হয়।

এই সকলোখিনিক বাদ দি ভাৰতে চীনাৰ সৈতে থকা সকলো সংঘর্ষৰ ওৰ পেলাবলৈ আগ্রহ দেখুৱাইছিল। চীনৰ নেতাসকলেও তাৰ বিপৰীতে ধনাত্মক ইংগিত প্রদান কৰে। ফলাফলত দুয়োখন দেশৰ মাজত সীমা সমস্যা সমাধানৰ বাবে কেইবাটাও আলোচনা কৰা হ'ল। কিন্তু চীনে লাডাখৰ পৰা নিজৰ নিয়ন্ত্রণ আঁতৰ কৰিবলৈ সন্মত নোহোৱাত এই আলোচনাই ফল দিয়া নাছিল। যেতিয়ালৈকে ভাৰতে পূবৰ 'মেকমোহন লাই'ৰ ক্ষেত্রত শিথিলতা আৰোপ নকৰে পৰিস্থিতি একেই থাকিব চীনে এই মতত অলৰ অচৰ হৈ থাকিল।

১৯৮৩ চনৰ ডিচেম্বৰ মাহত প্রধানমন্ত্রী ৰাজীৱ গান্ধীয়ে চীনৰ সৈতে সম্পর্ক সঠিক কৰিবলৈ বেইজিঙলৈ ভ্রমণ কৰে। দুয়োখন দেশে একেলগে সীমাৰ লগত জড়িত প্রশ্নবোৰত কাম কবিৰলৈ সন্মত হৈ সন্মিলিত কর্মী গোট এটা গঠন কৰাত মান্তি হয়, তাৰ উপৰিও অর্থনৈতিক সম্বন্ধ, বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ ক্ষেত্রতো সন্মিলিত ভাৱে কাম কৰিবলৈ সিদ্ধান্ত গ্রহণ কৰে। দুয়োখন দেশে পঞ্চশীল চুক্তিত উল্লিখিত নীতি নিয়ম অনুসৰি সম্পর্ক বজাই ৰাখিবলৈ সন্মত হয়।

১৯৯৩ চনৰ ছেপ্তেম্বৰ মাহত প্রধানমন্ত্রী নৰসিংহ ৰাও বেইজিঙলৈ যায় আৰু শান্তি সম্প্রীতি বজাই ৰখা তথা সীমা নিয়ন্ত্রণ সম্বলিত কেইবাখনো চুক্তিত চহী কৰে।

১৯৯৪ চনৰ জুন মাহত ভাৰত আৰু চীনে পোনপটীয়া ব্যৱসায়ৰ বাবে এখন ব্যৱসায়িক নীতিত চুক্তিবদ্ধ হয়। মন কৰিবলগীয়া বিষয় যে ১৯৯১-৯২ চনৰ ৭৭১ কোটিৰ তুলনাত ১৯৯৪ চনৰ এপ্রিল মাহত দুয়োখন দেশৰ ব্যৱসায় ১৬৩৩ কোটিলৈ বৃদ্ধি পাইছিল। ১৯৯৪ চনৰ জুলাই মাহত দুয়োখন দেশে তেল ব্যৱসায়ৰ সংক্রান্তত চুক্তিবদ্ধ হয়।

১৯৯৪ চনৰ অক্টোবৰ মাহত ভাৰতৰ উপ-ৰাষ্ট্রপতিয়ে চীন ভ্রমণ কৰাৰ লগতে দুয়োখন দেশৰ ব্যৱসায় অর্থনৈতিক সহযোগিতাৰ বাবে মত প্রকাশ কৰে। এই ভ্রমণৰ ফলত দুয়োখন দেশৰ মাজত কেইবাখনো চুক্তি সম্পাদিত হয়। এই চুক্তিৰ কেইটামান উল্লেখযোগ্য দিশ হৈছে ভিছা প্রক্রিয়াৰ ক্ষেত্রত সহজ কৰা আৰু দুয়োখন দেশৰ মাজত পোনপটীয়া বেংকৰ ব্যৱস্থাকৰণ।

১৯৯৩ চনৰ মে' মাহত পোখৰাণত হোৱা পাৰমাণৰিক পৰীক্ষাৰ বাবে চীন-ভাৰতৰ সম্পর্ক ঋণত্মক প্রভাৱ পৰিছিল। চীনে এই পৰীক্ষাক আন্তঃৰাষ্ট্রীয় গোটসমূহৰ বাবে আশ্চর্যকৰ আৰু অসন্মানজনক বুলি কৈছিল।

১৯৯৯ চনৰ আৰম্ভণিতে ভাৰত-চীনৰ সম্পর্কত উন্নতি ঘটা দেখা যায়। সেই সময়ত বেইজিঙলৈ ভাৰতে এজন প্রতিনিধি পঠিয়াইছিল। এইখিনি সময়ত সন্মিলিত গোটৰ জৰিয়তে সীমা সমস্যা সমাধানৰ বাবে দুয়োখন দেশে জৰুৰীকালীন ব্যৱস্থা ল'বলৈ সন্মত হয়। তাৰোপৰি দুয়োখন দেশে সংস্কৃতি, মানৱ সম্পদ, পৰিৱেশ

আদি ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ মান্তি হয়। দুয়োখন দেশে পঞ্চশীল চুক্তিৰ নীতি আদৰ্শ মতে শান্তিপূৰ্ণ আৰু সহযোগিতাৰে সম্পৰ্ক বজাই ৰাখিবলৈ ঠিৰাং কৰে। কাৰ্গিলৰ সংঘৰ্ষৰ সময়ত চীন নিপেক্ষ হিচাপে থিয় দিছিল।

১২.৩.৯ সমকালীন সময়ৰ চীন ভাৰতৰ সম্পৰ্ক

২০০৩ চনৰ জুন মাহত ভাৰতৰ প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীয়ে চীন ভ্ৰমণ কৰাৰ সময়ত দুয়োখন দেশৰ সম্পৰ্কৰ নতুন পাতনি মেলে। এই ভ্ৰমণকালত চীনৰ ছিকিমৰ প্ৰতি থকা দৃষ্টিভংগীৰ উন্নতি ঘটে। চীনেই বিশ্বৰ ভিতৰত একমাত্ৰ দেশ আছিল যিয়ে ছিকিমক ভাৰতৰ অংশস্বৰূপ বুলি গণ্য কৰা নাছিল। পাছৰ সময়চোৱাত ২০০৫ চনত চীনৰ প্ৰধান মন্ত্ৰী ওৱেন জিয়াবোয়ে যেতিয়া ভাৰত ভ্ৰমণ কৰিছিল সেই সময়ৰ ভাৰতৰ প্ৰধানমন্ত্ৰী ড° মনোমোহন সিঙক কয় যে চীনে ছিকিমক ভাৰতৰে এক অংশ হিচাপে গণ্য কৰে আৰু ছিকিমৰ বিষয়টো ভাৰত চীনৰ মাজৰ সমস্যা হিচাপে পৰিগণিত হৈ থকা নাই। ২০০৫ চনৰ এপ্ৰিল মাহত দুয়োখন দেশৰ প্ৰধানমন্ত্ৰীয়ে সমূহীয়াভাৱে এখন- মতামত পত্ৰত চহী কৰে য'ত স্পষ্টকৈ ছিকিমক State of the Republic of India বুলি উল্লেখ কৰিছিল। এই দৰে ১৯৭৫ চনৰ পৰা যি ছিকিমৰ স্থিতিক লৈ বিষাদগাৰ হৈ আছিল, সেই বিষয়টোৰ সমাধান চীন আৰু ভাৰতে বিচাৰি পাইছিল। তাৰ পাছত ২০০৬ চনত চীনৰ ৰাষ্ট্ৰপতি ভাৰতলৈ আহিছিল যিয়ে চীন-ভাৰতৰ সম্পৰ্কত ধনাত্মক দিশৰ সূচনা ঘটাইছিল। এছিয়াৰ উপৰিও সমগ্ৰ বিশ্বতে ভাৰত চীনৰ সম্পৰ্কক শান্তি, মৈত্ৰী আৰু বিকাশ হিচাপে দাঙি ধৰাটো এই ভ্ৰমণৰ অন্যতম উদ্দেশ্য আছিল।

২০০৩ চনত ভাৰতৰ প্ৰধানমন্ত্ৰী মনমোহন সিঙে চীনলৈ প্ৰমাণসূত্ৰে যায়। এই ভ্ৰমণকালত ভাৰতে একবিংশ শতিকাৰ লক্ষ্যৰ উপৰিও অসামৰিক সেৱাৰ ক্ষেত্ৰত পাৰমাণৰিক শক্তিৰ ক্ষেত্ৰত দুয়োখন দেশে ক্ষেত্ৰৰ সহযোগিতা, বুজাবুজিৰ বাবে চুক্তিবদ্ধ হয়।

২০১০ চনত প্ৰধানমন্ত্ৰী মনমোহন সিঙৰ নিমন্ত্ৰণ মৰ্মে চীনৰ প্ৰধানমন্ত্ৰী ভাৰতলৈ আহে। তেওঁৰ সৈতে ৪০০ শ চীনা ব্যৱসায়ী সংগঠিত আছিল। এই ব্যৱসায়ীসকল ভাৰতীয় ব্যৱসায়িক গোষ্ঠীসমূহৰ সৈতে চুক্তিবদ্ধ হ'বলৈ ইচ্ছুক আছিল। ২০১১ চনত BRICS সন্মিলনৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ সন্মত হয়। ২০১২ চনত এই BRICS সন্মিলন নতুন দিল্লীত আয়োজন কৰা হৈছিল। এই সন্মিলনতে চীনৰ ৰাষ্ট্ৰপতি ভাৰতৰ প্ৰধান মন্ত্ৰীৰ সৈতে বুজাপৰাত মিলিত হয় আৰু চীনে ভাৰতৰ সৈতে সম্পৰ্ক দৃঢ় কৰাত ইচ্ছুক বুলি ব্যক্ত কৰাৰ লগতে পৰিকল্পনাৰ ক্ষেত্ৰত সহযোগিতা, সাধাৰণ উন্নয়নৰ ক্ষেত্ৰত আগ্ৰহ প্ৰকাশ কৰে।

১২.৩.১০ ডকলাম বিবাদ, ২০১৭

ডকলাম অঞ্চলটো আছিল চীন আৰু ভূটানৰ বিবাদৰ এক অন্যতম কাৰণ। ভাৰতৰ সৈতে সন্ধিস্থলত এই অঞ্চলটোৰ অৱস্থিতি। চীন আৰু ভূটানৰ দৰে ভাৰতে দাবী জনোৱা নাছিল যদিও ভূটানৰ দাবীক ভাৰতে সমর্থন জনাইছিল।

২০১৭ চনৰ ১৬ জুনত ডকলামৰ দক্ষিণ দিশত চীনে পথ নিমার্ণৰ কিছুমান যন্ত্র-পাতি, যানবাহনৰ সৈতে অগ্রাসন চলাইছিল। এই ভূমি অংশ চীন আৰু ভূটান দুয়োয়ে নিজৰ বুলি দাবী কৰিছিল।

২০১৭ চনৰ জুনৰ ১৩ তাৰিখে ২৭০ ভাৰতীয় সৈন্য, অস্ত্র-শস্ত্র, সামৰিক বাহিনীৰ সৈতে ডকলামত প্রৱেশ কৰে আৰু পথ নিমার্ণৰ ক্ষেত্রত চীনক বাধা দিয়ে। চীনে এই ক্ষেত্রত ভাৰতে ভূটানক সহায় কৰাৰ জৰিয়তে আন্তঃৰাষ্ট্রীয় আইনৰ ক্ষেত্রত ভাবুকিৰ সৃষ্টি কৰিব বুলি কয়। আগষ্টৰ ২৩ তাৰিখে ভাৰত আৰু চীন দুয়োখন দেশেই ডকলামৰ পৰা নিজৰ সেনাবাহিনীক অপসাৰণ কৰা বুলি ঘোষণা কৰে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ 'পিপুলচ্ ৰিপাব্লিক অৱ চাইনা'ক চিনাক্ত কৰা প্রথম দেশসমূহৰ ভিতৰত ভাৰত আছিল অন্যতম। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন নং ২ ঃ .....মে' ২৩ তাৰিখে ভাৰত আৰু তিব্বতৰ মাজৰ এখন চুক্তি সম্পাদন হৈছিল, যিখনত তীব্বতৰ চীনৰ সম্পূর্ণ আধিপত্যৰ লগতে তিব্বতৰ স্বায়ত্ব শাসনৰ ক্ষেত্রত প্রতিবন্ধকতা আৰোপ কৰা হৈছিল। (খালী ঠাই পূৰণ কৰা)

প্রশ্ন নং ৩ ঃ চীন-ভাৰতৰ সম্পর্ক ইতিহাসৰ বিষয়ে লিখক।

.....

.....

.....

প্রশ্ন নং ৪ ঃ ২০০০ চনৰ পৰা ২০১২চনলৈকে ভাৰত-চীনৰ সম্পর্কৰ বিষয়ে লিখক।

.....

.....

২০১৭ চনৰ পাছৰ ঘটনাৱলী ঃ

- ২০১৯ চনৰ ১১ অক্টোবৰত তামিলনাড়ুৰ মহাবলিপুৰমত চীনৰ প্ৰধানমন্ত্ৰী ঝি জিনপিং আৰু ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দ্বিতীয়বাৰৰ বাবে অনানুষ্ঠানিক বৈঠকত মিলিত হৈছিল।
- ২০১৯ চনত আঞ্চলিক সংহতি বৰ্তাই ৰখাৰ বিষয়ত চিন্তা ব্যক্ত কৰি ভাৰতে পুনৰবাৰ 'ৱান বেল্ট ৱান ৰোড' নাম দিয়া উদ্যমটোৰ অংশীদাৰ হ'বলৈ নিজৰ অপাৰগতা দোহাৰিছিল।
- ২০২০ চনৰ ১৫ জুনৰ নিশা লাডাখত ভাৰতীয় আৰু চীনা সামৰিক বাহিনীৰ মাজত এক তাৎপৰ্যপূৰ্ণ সংঘাত ঘটিছিল। এই সংঘাতত এগৰাকী ভাৰতীয় কমাণ্ডিং বিষয়া আৰু দুগৰাকী সৈনিকে প্ৰাণ হেৰুৱাইছিল। ১৯৭৫ চনত ২০ গৰাকী ভাৰতীয় সৈনিক ছহিদ হোৱাৰ পাছত এইটো আছিল দুয়োখন দেশৰ সীমান্তত হোৱা প্ৰথমটো প্ৰাণঘাতক সংঘাত। ভাৰতীয় সৈন্য বাহিনীয়ে এই সংঘাতৰ যোগ্য প্ৰত্যুত্তৰ দিছিল। সংবাদ মাধ্যমৰ তথ্য অনুসৰি এই প্ৰত্যুত্তৰ চীনা সৈন্য বাহিনীৰ বিস্তৰ ক্ষতি হৈছিল।
- দুয়োখন দেশৰ কমাণ্ডিং বিষয়াসকলৰ মাজত অনুষ্ঠিত হোৱা এখন শীৰ্ষস্তৰীয় বৈঠকৰ পাছত ২০২০ চনৰ ৯ জুনত চীনা সৈনাবাহিনীয়ে বিবদমান এলেকাৰ পৰা প্ৰায় ২ - ২.৫ কি.মি. পিছহুহুকি গৈছিল। ইয়াৰ প্ৰত্যুত্তৰত ভাৰতীয় সেনাবাহিনীয়েও কিছুমান নিৰ্দিষ্ট অৱস্থান সাল-সলনি কৰি সদিচ্ছাৰ পৰিচয় দিছিল। এনেধৰণৰ সংঘাত পুনৰ সংঘটিত হোৱাতো ৰোধ কৰিবলৈ আলাপ-আলোচনা অব্যাহত ৰখা হৈছে।
- ২০২০ চনৰ জুন মাহৰ প্ৰথম সপ্তাহ কেইটাত প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ দুয়োপাৰে ভাৰতীয় আৰু চীনা সেনাবাহিনীয়ে পৰস্পৰে নিজৰ শক্তি-সামৰ্থ প্ৰদৰ্শন কৰিবলৈ যথেষ্ট সংখ্যক সৈনিক সুসংগঠিত কৰিছিল।
- ২০২০ চনৰ ১০ মে' তাৰিখে চিকিমৰ নাথুলা-ত ভাৰতীয় আৰু চীনা সেনাবাহিনীৰ মাজত আন এক সংঘাতৰ সৃষ্টি হৈছিল। এই ঘটনাত ১১ গৰাকী সৈনিক আঘাতপ্ৰাপ্ত হৈছিল। এই ঘটনাই দুয়োখন দেশৰ মাজৰ সম্পৰ্ক অৱনমিত কৰিছিল। লাডাখত এই ঘটনাৰ নেতিবাচক প্ৰভাৱ অধিক স্পষ্ট আছিল। বিভিন্ন

অঞ্চলত দুয়োপক্ষৰ সেনাবাহিনীৰ উপস্থিতি পূৰ্বতকৈ অধিক হৈ পৰিছিল। তাৎপৰ্যপূৰ্ণভাৱে ইয়াৰ মাজতেই ভাৰত আৰু চীনে ১৯৫০ চনত দুয়োখন দেশৰ মাজত আৰম্ভ হোৱা কূটনৈতিক সম্পৰ্কৰ ৭০ তম বাৰ্ষিকী ২০২০ চনৰ ১ এপ্ৰিলৰ দিনা আনুষ্ঠানিকভাৱে উদ্‌যাপন কৰিছিল।

- ভাৰত - চীন সম্পৰ্কৰ জটিলতা কোভিড - 19 অতিমাৰীয়ে পূৰ্বতকৈ অধিক গাঢ় কৰি তুলিছিল। নাগৰিকক আশ্বাসদান, চিকিৎসাকেন্দ্ৰিক সমলৰ ভাগ-বাটোৱাৰা, আদিৰ দৰে দিশত দুয়োখন দেশে পাৰস্পৰিক সহায়-সহযোগিতা আগবঢ়াইছিল যদিও আন কিছুমান দিশত অসহমতৰ সৃষ্টি হৈছিল। ভাই�ৰাছবিধৰ উৎস আৰু অতিমাৰী নিয়ন্ত্ৰাধীন কৰাৰ ব্যৱস্থাসমূহৰ ক্ষেত্ৰত এই অসহমতে গুৰুতৰ ৰূপ ধাৰণ কৰিছিল। ইয়াৰ ফলত দুয়োখন দেশৰ কূটনৈতিক বিভাগ যথেষ্ট চাপৰ সন্মুখীন হৈছিল।

- ২০২৪ চনৰ অক্টোবৰ মাহৰ শেষৰ ফালে সীমান্তত পহৰা দিয়াৰ বিষয়টোত ভাৰত আৰু চীন এক বুজাবুজিত উপনীত হৈছিল। ইয়াৰ পাছৰে পৰা প্ৰকৃত নিয়ন্ত্ৰণৰেখাত দুয়োখন দেশে সমন্বয় সাধন কৰি পহৰা দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এই কথাই সীমা সংঘাত কম কৰাৰ দিশত নতুন আশাৰ সঞ্চাৰ কৰিছে।



১২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পুৰনি কালত ভাৰত-চীনৰ সম্পৰ্ক গভীৰ আছিল।
- ১৯৪৯ চনৰ অক্টোবৰৰ ১ তাৰিখে 'পিপুলচ্ ৰিপাব্লিক অৱ চাইনা' য়ে স্বীকৃতি লাভ কৰিছিল। ইয়াক চিনাক্ত কৰা প্ৰথম দেশসমূহৰ ভিতৰত ভাৰত আছিল অন্যতম।
- চীনৰ নেতাসকলে যেতিয়া তিব্বতক মুক্ত কৰাৰ ইচ্ছাক ব্যক্ত কৰে তেতিয়াই ভাৰত-চীনৰ সম্পৰ্ক ফাঁট মেলে।
- ১৯৫৪ চনৰ ১৯ এপ্ৰিলত ভাৰত আৰু চীনৰ মাজত সুসম্পৰ্ক বজাই ৰাখিবলৈ পঞ্চশীল চুক্তি সম্পাদন কৰা হৈছিল।
- ১৯৫৯ চনৰ তিব্বতৰ আন্দোলনক চীনে কঠোৰ হাতেৰে দমন কৰিছিল আৰু দালাই লামাক ভাৰতে ৰাজনৈতিক আশ্ৰয় প্ৰদান কৰে।
- তিব্বতৰ সমস্যাক লৈয়ে ভাৰত আৰু চীনৰ সম্পৰ্কত ব্যাঘাত জন্মিছিল।
- ভাৰত আৰু চীনৰ সীমা সংঘৰ্ষ মূলত 'মেকমোহন লাইন'ক লৈ জড়িত আছিল। উত্তৰ পূব আৰু উত্তৰ পশ্চিমৰ লাডাখৰ 'মেকমোহন লাইন'ৰ অৱস্থিতিৰ সন্দৰ্ভত মতানৈক্য আছিল।
- ১৯৬২ চনত চীনে ভাৰতৰ নেফা আৰু লাডাখত ইচ্ছাকৃত আক্ৰমণ চলায়।
- ১৯৬২ চনৰ ২১ নৱেম্বৰত চীনে হঠাতে গুলীবৰ্ষণ কৰে।
- ১৯৬২ চনৰ যুদ্ধৰ পাছত চীনে ইছলামিক ৰাষ্ট্ৰ পাকিস্থানৰ লগত গভীৰ সম্পৰ্ক গঢ়ি তোলো। তদুপৰি ১৯৬৫ চন আৰু ১৯৭১ চনত হোৱা ভাৰত-পাকিস্থানৰ সংঘৰ্ষত চীনে পাকিস্থানক মুকলিকৈ সমৰ্থন জনায়।
- সমকালীন সময়ত ভাৰত আৰু চীনৰ সম্পৰ্ক সঠিক কৰিবলৈ কেইবাবাৰো চেষ্টা চলোৱা হৈছিল।
- ২০০৩ চনৰ জুন মাহত ভাৰতৰ প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীয়ে চীন ভ্ৰমণ কৰাৰ পৰিপ্ৰেক্ষিতত দুয়োখন দেশৰ সম্পৰ্কৰ ক্ষেত্ৰত নতুন ধনাত্মক দিশৰ সূচনা হয়।
- ২০০৩ চনিত ভাৰতৰ প্ৰধানমন্ত্ৰী মনমোহন সিঙৰ চীন ভ্ৰমণ আৰু ২০১০ চনত চীনৰ প্ৰধানমন্ত্ৰীৰ ভাৰত ভ্ৰমণ, দুয়োটা ঘটনাই দুয়োখন দেশৰ সম্পৰ্ক ক্ষেত্ৰত উন্নতি ঘটাৱ।
- ২০১৭ ডকলাম ষ্টেনডফৰ বাদ-বিতণ্ডাৰ ওৰ পৰে। চীন আৰু ভাৰত দুয়োখন দেশেই ডকলামৰ পৰা নিজৰ সৈন্যক অপসাৰণ কৰাৰ কথা ঘোষণা কৰে।



১২.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গোঁহাই, নবীন আৰু মমী দত্ত কটকী (২০১৩) ঃ *ভাৰতৰ বৈদেশিক নীতি* । যোৰহাট বিদ্যা ভৱন।

২) বৰুৱা, ড° দেৱ প্ৰসাদ (২০০৯)ঃ *ভাৰতৰ বৈদেশিক নীতি* । গুৱাহাটী ঃ স্বস্তিকা প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

১) Bandyopadhyaya, Jayantanuja (2003). *The Making of India's Foreign Policy*. New Delhi: Allied Publishers Pvt. Ltd.

২) Biju, M.R. (2001). *New Horizons of Indian Foreign Policy.* Delhi: Authorpress

৩) Chander, Prakash and Prem Arora (2000). *International Relations*. New Delhi: Cosmos Bookhive Pvt. Ltd.

৪) Chhabra, H.K. (1989). *Foreign Policies of Major Countries*. Delhi: Surjeet Publications

৫) Dutt, V.P. (2011). *India's Foreign Policy in a Changing World*. Noida: Vikas Publishing House Pvt. Ltd.

৬) Khanna, V.N. (2001). *Foreign Policy of India*. New Delhi: Vikas Publishing House Pvt. Ltd.



১২.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

২ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৫১

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতৰ বৈদেশিক নীতিৰ ক্ষেত্ৰখনত চীনৰ সৈতে ভাৰতৰ সম্পৰ্ক বিষয়টো অতি গুৰুত্বপূৰ্ণ। এই সম্পৰ্কৰ ভেটি গঢ়ি তুলিছিল বৌদ্ধধৰ্মৰ প্ৰচাৰকসকলে। এই বৌদ্ধধৰ্মৰ প্ৰচাৰক সকলে চীনলৈ গৈ দেশৰ চুকে কোনে এই ধৰ্মৰ প্ৰচাৰ কৰিছিল। অন্যহাতে বহু সংখ্যক চীনা গৱেষক ছাত্ৰও জ্ঞান অৰ্জনৰ বাবে ভাৰতলৈ আহে।

আধুনিক সময়ত জাপানৰ আক্ৰমণৰ লক্ষ্য হৈ পৰা চীনৰ প্ৰতি ভাৰতে পূৰ্ণ সহমৰ্মিতাৰ ভাব প্ৰকাশ কৰিছিল। স্বধীনতাৰ পাছত এই দেশ দুখনৰ সম্পৰ্কৰ বিশেষ

উন্নতি নঘটিল। তাৰোপৰি নিজস্ব কিছুমান আভ্যন্তৰীণ সমস্যাৰ বাবে সম্পৰ্কটো অনুষ্ঠানিকতাৰ মাজতে বৰ্তি থাকিল।

চীনৰ ৰাষ্ট্ৰীয়তাবাদী শাসনৰ সময়চোৱাত কাশ্মীৰৰ সমস্যাৰ বিষয়টো সন্দৰ্ভত চীনে যি পক্ষ গ্ৰহণ কৰিছিল সেয়া আছিল মুকলিকৈ পাকিস্থানৰ প্ৰতি কৰা সমৰ্থন, যিটো ভাৰতৰ নেতৃত্বস্থানীয় ব্যক্তিসকলৰ বাবে তিক্ততাৰ কাৰণ হৈ পৰে। ইন্দোনেচীয়াৰ স্বাধীনতাৰ বিষয়টোৰ ক্ষেত্ৰতো চীনে গ্ৰহণ কৰা পদক্ষেপ ভাৰতৰ বিপৰীতে আছিল।

যিকি নহওঁক চীনৰ "পিপুলচ্ ৰিপাব্লিক" কমিউনিষ্ট দলৰ উদ্ভৱ হোৱা সময়খিনিত ভাৰত-চীনৰ সম্পৰ্কৰ উন্নতি সাধন হয়। ১৯৪৯ চনৰ ১ অক্টোবৰত "দ্য পিপুলচ্ ৰিপাব্লিক অৱ চাইনা" য়ে আনুষ্ঠানিকতা লাভ কৰে। ইয়াক সমৰ্থন কৰা প্ৰথম দেশসমূহৰ ভিতৰত ভাৰতো অন্যতম। এই আনুষ্ঠানিকতা হয় ১৯৪৯ চনৰ ৩০ ডিচেম্বৰত। ৰাষ্ট্ৰসংঘত কমিউনিষ্ট চীনৰ প্ৰতিনিধিত্বৰ বাবে ভাৰতে পূৰ্ণ সমৰ্থন জনাইছিল। ভাৰতে চীনক এনেদৰে সমৰ্থন কৰা বিষয়টোত আমেৰিকা যুক্তৰাষ্ট্ৰৰ লগতে বহুকেইখন কমিউনিষ্ট বিৰোধী দেশে অসন্তুষ্টি প্ৰকাশ কৰে। কিন্তু ভাৰতে চীনে তীব্ৰতত চলোৱা সামৰিক কুচকাৱাজৰ দৰে ঘটনাকো আন্তঃৰাষ্ট্ৰীয় দৰবাৰত উত্থাপন নকৰি চীনৰ সৈতে বন্দুত্বপূৰ্ণ সম্পৰ্কক উন্নত কৰাৰ ক্ষেত্ৰত আগ্ৰহ দেখুৱাইছিল।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ২০০৩ চনৰ জুন মাহত ভাৰতৰ প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীয়ে চীন ভ্ৰমণ কৰাৰ সময়ত দুয়োখন দেশৰ সম্পৰ্কৰ নতুন পাতনি মেলে। এই ভ্ৰমণকালত চীনৰ ছিকিমৰ প্ৰতি থকা দৃষ্টিভংগীৰ উন্নতি ঘটে। চীনেই বিশ্বৰ ভিতৰত একমাত্ৰ দেশ আছিল যিয়ে ছিকিমক ভাৰতৰ অংশস্বৰূপ বুলি গণ্য কৰা নাছিল। পাছৰ সময়চোৱাত ২০০৫ চনত চীনৰ প্ৰধান মন্ত্ৰী ওৱেন জিয়াবোয়ে যেতিয়া ভাৰত ভ্ৰমণ কৰিছিল সেই সময়ৰ ভাৰতৰ প্ৰধানমন্ত্ৰী ড০ মনোমোহন সিঙক কয় যে চীনে ছিকিমক ভাৰতৰে এক অংশ হিচাপে গণ্য কৰে আৰু ছিকিমৰ বিষয়টো ভাৰত চীনৰ মাজৰ সমস্যা হিচাপে পৰিগণিত হৈ থকা নাই। ২০০৫ চনৰ এপ্ৰিল মাহত দুয়োখন দেশৰ প্ৰধানমন্ত্ৰীয়ে সমূহীয়াভাৱে এখন- মতামত পত্ৰত চহী কৰে য'ত স্পষ্টকৈ ছিকিমক State of the Republic of India বুলি উল্লেখ কৰিছিল। এই দৰে ১৯৭৫ চনৰ পৰা যি ছিকিমৰ স্থিতিক লৈ বিষাদগাৰ হৈ আছিল, সেই বিষয়টোৰ সমাধান চীন আৰু ভাৰতে বিচাৰি পাইছিল। তাৰ পাছত ২০০৬ চনত চীনৰ ৰাষ্ট্ৰপতি ভাৰতলৈ আহিছিল যিয়ে চীন-ভাৰতৰ সম্পৰ্কত ধনাত্মক দিশৰ সূচনা ঘটাইছিল। এছিয়াৰ উপৰিও সমগ্ৰ বিশ্বতে ভাৰত চীনৰ সম্পৰ্কক শান্তি, মৈত্ৰী আৰু বিকাশ হিচাপে দাঙি ধৰাটো এই ভ্ৰমণৰ অন্যতম উদ্দেশ্য আছিল।

২০০৩ চনত ভাৰতৰ প্ৰধানমন্ত্ৰী মনমোহন সিঙে চীনলৈ প্ৰমাণসূত্ৰে যায়। এই ভ্ৰমণকালত ভাৰতে একবিংশ শতিকাৰ লক্ষ্যৰ উপৰিও অসামৰিক সেৱাৰ ক্ষেত্ৰত পাৰমাণৰিক শক্তিৰ ক্ষেত্ৰত দুয়োখন দেশে ক্ষেত্ৰৰ সহযোগিতা, বুজাবুজিৰ বাবে চুক্তিবদ্ধ হয়।

২০১০ চনত প্ৰধানমন্ত্ৰী মনমোহন সিঙৰ নিমন্ত্ৰণ মৰ্মে চীনৰ প্ৰধানমন্ত্ৰী ভাৰতলৈ আহে। তেওঁৰ সৈতে ৪০০ শ চীনা ব্যৱসায়ী সংগঠিত আছিল। এই ব্যৱসায়ীসকল ভাৰতীয় ব্যৱসায়িক গোঠসমূহৰ সৈতে চুক্তিবদ্ধ হ'বলৈ ইচ্ছুক আছিল। ২০১১ চনত (BRICS) সন্মিলনৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ সন্মত হয়। ২০১২ চনত এই (BRICS) সন্মিলন নতুন দিল্লীত আয়োজন কৰা হৈছিল। এই সন্মিলনতে চীনৰ ৰাষ্ট্ৰপতি ভাৰতৰ প্ৰধান মন্ত্ৰীৰ সৈতে বুজাপৰাত মিলিত হয় আৰু চীনে ভাৰতৰ সৈতে সম্পৰ্ক দৃঢ় কৰাত ইচ্ছুক বুলি ব্যক্ত কৰাৰ লগতে পৰিকল্পনাৰ ক্ষেত্ৰত সহযোগিতা, সাধাৰণ উন্নয়নৰ ক্ষেত্ৰত আগ্ৰহ প্ৰকাশ কৰে।



১২.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ ভাৰত আৰু চীনৰ সীমা সংঘৰ্ষ মূলত উত্তৰ-পূব আৰু উত্তৰ-পশ্চিমৰ লাডাখৰ 'মেকমোহন'ৰ লগত জড়িত আছিল।

প্ৰশ্ন ২ ঃ ১৯৫৫ চনত হোৱা 'এফ্ৰো-এছিয়া নেচনচ্' অৰ সন্মিলনত দুয়োখন দেশৰ সম্পৰ্ক শান্তিপূৰ্ণ অৱস্থালৈ আহে।

প্ৰশ্ন ৩ ঃ কোনটো বছৰত তিব্বতৰ ৰাজধানী লাছাত আন্দোলনৰ সৃষ্টি হয়?

প্ৰশ্ন ৪ ঃ কোনটো বছৰত ভাৰত আৰু চীনে সীমাৰ লগত জড়িত প্ৰশ্নসমূহ তথ্য অৰ্থনৈতিক সম্পৰ্ক, ব্যৱসায় বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত সন্মিলিত গোট হিচাপে কাম কৰিবলৈ একত্ৰিত হয়?

(খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভাৰত-চীনৰ সম্পৰ্ক ক্ষেত্ৰত তিব্বত সম্পৰ্কীয় সমস্যাসমূহৰ বিষয়ে বহলাই আলোচনা কৰক।

প্ৰশ্ন ২ ঃ ১৯৬২ চনৰ (১৯৬৫-২০০০) যুদ্ধৰ পাছৰ চীন-ভাৰতৰ সম্পৰ্কৰ বিষয়ে লিখক।

প্ৰশ্ন ৩ ঃ পঞ্চশীল চুক্তিৰ বিষয়ে লিখক।

প্ৰশ্ন ৪ ঃ কলম্বো প্ৰস্তাৱৰ বিষয়ে লিখক।

(খ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ১৯৪৯ চনৰ পৰা বৰ্তমানলৈকে ভাৰত-চীনৰ সম্পৰ্কৰ বিষয়ে লিখক।

*** ***** ***

অধ্যায় ১৩ ঃ ভাৰত আৰু পাকিস্তানৰ সম্বন্ধ

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ ভাৰত-পাকিস্তানৰ সম্পৰ্ক ঃ ইতিহাস, বিভিন্ন স্তৰ আৰু সাম্প্ৰতিক অৱস্থা

- ১৩.৩.১ স্বাধীনতাৰ সময়ত ৰোপিত হোৱা সংঘাতৰ বীজ
- ১৩.৩.২ কাশ্মীৰ বিবাদ
- ১৩.৩.৩ পানী বিবাদ
- ১৩.৩.৪ ১৯৬৫ চনৰ ভাৰত-পাকিস্তান যুদ্ধ
- ১৩.৩.৫ ১৯৭১ চনৰ ভাৰত-পাকিস্তান যুদ্ধ ঃ বাংলাদেশ সংকট
- ১৩.৩.৬ ছিমলা চুক্তি ১৯৭২
- ১৩.৩.৭ ছিমলা চুক্তিৰ পিছত ভাৰত-পাকিস্তানৰ সম্পৰ্ক
- ১৩.৩.৮ ১৯৯৮ আণৱিক পৰীক্ষণৰ পিছত ভাৰত-পাকিস্তানৰ সম্পৰ্ক
- ১৩.৩.৯ লাহোৰ ঘোষণা
- ১৩.৩.১০ কাশ্মীৰ যুদ্ধ
- ১৩.৩.১১ সাম্প্ৰতিক সময়ত ভাৰত পাকিস্তানৰ সম্পৰ্ক

১৩.৪ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

১৩.৫ অধিক জানিবলৈ

১৩.৬ অগ্রগতিৰ খতিয়ান

১৩.৭ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰত-পাকিস্তানৰ সম্পৰ্কৰ ধাৰণা লাভ কৰিব
- ভাৰত-পাকিস্তানৰ সম্পৰ্কৰ ইতিহাস আৰু পৰ্যায়সমূহ আলোচনা কৰিব পাৰিব
- ভাৰত আৰু পাকিস্তানৰ সম্পৰ্ক নিৰ্ধাৰণ কৰি থকা বিষয় আৰু প্ৰশ্নসমূহ চিনাক্ত কৰিব পাৰিব
- ভাৰত আৰু পাকিস্তানৰ সম্পৰ্কৰ বৰ্তমান স্থিতি কি সেই বিষয়ে জানিব।

১৩.২ পৰিচয়

বৃটিছ সংসদে গৃহীত কৰা ভাৰত স্বাধীনতা আইন, ১৯৪৭ দ্বাৰা ভাৰত আৰু পাকিস্তান গঠন হৈছিল। এইখন আইনে সেই সময়ৰ বৃটিছ ভাৰত (British India)ক বিভাজন কৰিছিল।

১৯৪৭ চনৰ ১৪ আগষ্ট তাৰিখে পাকিস্তান আৰু ১৫ আগষ্ট তাৰিখে ভাৰতবর্ষ গঠন হৈছিল।

যদিও শতিকাজুৰি হিন্দু আৰু মুছলমানসকলে এই দেশত একেলগে বাস কৰিছিল ভাৰত বিভাজনে ধর্মনিৰপেক্ষ ভাৰতবর্ষ আৰু ইছলামিক পাকিস্তানৰ মাজত অনাকাংক্ষিত পৰিৱেশৰ সৃষ্টি কৰিছিল। বিভাজনে যুদ্ধৰ পিছৰ আন্তঃর্জাতিক সম্পর্কৰ অনাকাংক্ষিত তথ্যৰ বিষয়ে বর্ণনা কৰে।

বিভিন্ন ঐতিহাসিক আৰু ৰাজনৈতিক বিষয়ৰ বাবে ভাৰতবর্ষ আৰু পাকিস্তানৰ সম্পর্ক শত্রুতাপূর্ণ হৈছে। ১৯৪৭ চনত ব্রিটিছ ভাৰতৰ বিভাজন, কাশ্মীৰ সংঘর্ষ আৰু বিভিন্ন সামৰিক সংঘর্ষই ভাৰতবর্ষ আৰু পাকিস্তানৰ সম্পর্কক ৰূপ দিছে। ফলস্বৰূপে শত্রুতা আৰু সন্দেহে ভাৰতবর্ষ আৰু পাকিস্তানৰ সম্পর্ক ঘৃণীয়া কৰি তুলিছে।

স্বাধীনতাৰ ঠিক পিছতে, ভাৰতবর্ষ আৰু পাকিস্তানে কূটনৈতিক সম্পর্ক স্থাপন কৰিছিল, কিন্তু সংঘাতপূর্ণ বিভাজন, বিভিন্ন অৱস্থান সম্পর্কীয় মতভেদে তেওঁলোকৰ সম্পর্কত বাধা দিছিল। স্বাধীনতাৰ পিছৰপৰা এই দুখন ৰাষ্ট্রই তিনিখন মূল যুদ্ধ কৰিছে; এখন অঘোষিত যুদ্ধ আৰু বিভিন্ন সামৰিক সংঘর্ষত লিপ্ত হৈছে। এই সকলোবোৰ সংঘর্ষৰ মূল কেন্দ্রবিন্দু হৈছে কাশ্মীৰ সংঘাত।

১৩.৩ ভাৰত-পাকিস্তানৰ সম্পর্ক ঃ ইতিহাস, বিভিন্ন স্তৰ আৰু সাম্প্রতিক অৱস্থা

১৩.৩.১ স্বাধীনতাৰ সময়ত ৰোপিত হোৱা সংঘাতৰ বীজ

ব্রিটিছ ভাৰতবর্ষ ভাগহোৱাৰ পিছত উদ্ভৱ হোৱা সাম্প্রদায়িক সংঘর্ষত প্রায় ৬ লাখ মুছলমান আৰু হিন্দুৰ মৃত্যু হৈছিল।

ভাৰতত বসবাস কৰি থকা লাখ লাখ মুছলমান আৰু পাকিস্তানত বসবাস কৰি থকা হিন্দু আৰু শিখসকলৰ দেশান্তৰিত হোৱাৰ যাত্রা আছিল আধুনিক সময়ৰ ডাঙৰ যাত্রা। দুয়োখন দেশেই এখনে আনখনৰ সংখ্যালঘূসকলক পর্যাপ্ত সুৰক্ষা নিদিয়া বুলি অভিযোগ তুলিছিল। এইটোৱেই নতুনকৈ জন্ম হোৱা দুয়োখন দেশৰ মাজত উদ্বেগৰ কাৰণ হৈ উঠিছিল।

ব্রিটিছ ভাৰতবর্ষৰ বিভাজনৰ ব্রিটিছ পৰিকল্পনা অনুসৰি ৬৮০ খন দেশীয় ৰাজ্যৰে সকলোকে দুয়োখন দেশৰ যিকোনো এখনত লগ হোৱাৰ সুযোগ দিয়া হৈছিল। কিছু সংখ্যকৰ বাহিৰে বেছি সংখ্যক মুছলীম সংখ্যাগৰিষ্ঠ দেশীয় ৰাজ্যই পাকিস্তানৰ লগত সংযুক্ত হোৱাৰ বিপৰীতে বেছি সংখ্যক হিন্দু সংখ্যাগৰিষ্ঠ দেশীয় ৰাজ্যই ভাৰতৰ লগত সংযুক্ত হৈছিল। যদিও কিছুমান দেশীয় ৰাজ্যৰ নির্ণয়ে অনাগত দিনবোৰত ভাৰত পাকিস্তানৰ সম্পর্ক নির্দ্ধাৰণ কৰিছিল।

১৩.৩.২ কাশ্মীৰ বিবাদ

পূৰ্বতে কাশ্মীৰ দেশীয় ৰাজ্যক ভূ-স্বৰ্গ হিচাপে বৰ্ণনা কৰা হৈছিল; কিন্তু দুৰ্ভাগ্যবশতঃ ১৯৪৭ চনৰ পিছৰপৰা কাশ্মীৰ ভাৰতবৰ্ষ আৰু পাকিস্তানৰ মাজত সংঘৰ্ষৰ কাৰণ হৈছে, উত্তৰৰ এই ৰাজ্যখনত ৰজা হৰি সিঙ নামৰ হিন্দু ৰজা এজনে শাসন কৰিছিল। ১৯৪৭ চনৰ ১৫ আগষ্টৰ আগত বা ঠিক পিছতে মহাৰজা হৰি সিঙে ৰাজ্যৰ চামিল কৰা সম্পৰ্কে একো সিদ্ধান্ত লোৱা নাছিল। ৰজা হৰি সিঙে ভাৰত সংঘ আৰু পাকিস্তান কোনো এখনৰ লগত চামিল হোৱাৰ বিপৰীতে স্বাধীনভাৱে থকাটোত অগ্ৰাধিকাৰ দিছিল। মহাৰজা হৰিসিঙে ভাৰতবৰ্ষ আৰু পাকিস্তানৰ লগত সংযুক্ত হোৱাৰ বিপৰীতে দুয়োখন দেশৰ পৰা স্থিৰতা চুক্তি পোষকতা কৰিছিল আৰু সংযুক্ত হোৱাৰ চূড়ান্ত সিদ্ধান্ত পিছু�ৰাই ৰাখিছিল। যদিও তেনে ধৰণৰ চুক্তি ভাৰতবৰ্ষৰ লগত কৰিব পৰা নগৈছিল, পাকিস্তানে স্থিৰতা বাহাল ৰখা চুক্তিখন মানি লৈছিল। ঠিক সেইসময়তে কাশ্মীৰক পাকিস্তানৰ লগত সংযুক্ত কৰাৰ বাবে পাকিস্তানে কাশ্মীৰৰ ওপৰত অৰ্থনৈতিক হেঁচা দিয়া আৰম্ভ কৰিছিল। কিন্তু যেতিয়া অৰ্থনৈতিক হেঁচা কাৰ্যকৰী হিচাপে প্ৰমাণ নহৈছিল, পাকিস্তানে জনগোষ্ঠীয়লোকক কাশ্মীৰ আক্ৰমণ কৰাৰ বাবে উদগনি দিছিল। পাকিস্তানী সৈন্যই জনগোষ্ঠীয় লোকসকলক সহায় কৰিছিল। ১৯৪৭ চনৰ ২২ অক্টোবৰ তাৰিখে সিহঁতে বিভিন্ন স্থানত আক্ৰমণ কৰিছিল। পাঁচ দিনৰ ভিতৰত আক্ৰমণকাৰীসকলে শ্ৰীনগৰৰ পৰা ২৫ মাইল দুৰত্বত অৱস্থিত বাৰামুলা পাইছিলগৈ। ৰজা হৰিসিঙে আক্ৰমণকাৰীক প্ৰত্যুত্তৰ দিব নোৱাৰি ভাৰত চৰকাৰৰ ওচৰত সহায়ৰ বাবে আবেদন জনাইছিল যদিও ভাৰত চৰকাৰে সংযুক্ত চুক্তিত ভাৰতৰ সপক্ষে চহী কৰাৰ অবিহনে সহায় কৰিবলৈ অমান্তি হৈছিল।

শেষত মহাৰজা হৰি সিঙে কাশ্মীৰক ভাৰতৰ লগত অন্তৰ্ভুক্ত কৰিবলৈ চহী কৰিছিল। ১৯৪৭ চনৰ ২৭ অক্টোবৰৰ আগত সেই চুক্তি চূড়ান্ত হৈছিল আৰু ভাৰতীয় সেনাক পাকিস্তানৰ সাহায্যপুষ্ট আক্ৰমণকাৰী নিঃশেষ কৰাৰ বাবে পঠিওৱা হৈছিল।

পাকিস্তানে কাশ্মীৰৰ ভাৰতৰ লগত অন্তৰ্ভুক্তি চুক্তিৰ বিৰোধিতা কৰাই নহয়, আজাদ কাশ্মীৰকো সহায় কৰিবলৈ লৈছিল যি অঞ্চল পাকিস্তানৰ মুছলমান জনগোষ্ঠীয়লোকে জোৰকৈ অধীকৃত কৰিছিল। পাকিস্তানৰ প্ৰধানমন্ত্ৰী লিয়াকত আলী খানে কৈছিল "কাশ্মীৰক ভাৰতৰ লগত চামিলকৰণ কাশ্মীৰৰ মানুহৰ ওপৰত কাপুৰুষ ৰজা আৰু ভাৰত চৰকাৰৰ সহায়ৰদ্বাৰা হোৱা এটা কু-কৰ্ম।"

১৯৪৮ চনৰ ১ জানুৱাৰীত ভাৰতে চনদৰ ৩৫ নং অনুচ্ছেদৰ অধীনত বিষয়তো ৰাষ্ট্ৰসংঘৰ দৃষ্টিলৈ নিছিল। ভাৰতে পাকিস্তান অধিকাৰ কৰা কাশ্মীৰৰ এলেকাটোৰ স্বত্ব যাতে ত্যাগ কৰে তাৰ বাবে ৰাষ্ট্ৰসংঘৰ ওচৰত আৰ্জি দিছিল। সেইসময়তে ভাৰতীয় সৈন্য বাহিনীয়ে জনগোষ্ঠীয় লোক-অধীকৃত অঞ্চলৰ প্ৰায় আধা পুনৰ নিজৰ দখললৈ আনিছিল।

নিৰাপত্তা পৰিষদে সকলো বিবেচনা কৰাৰ পিছত ভাৰত- পাকিস্তানক ক্রমে নিজৰ সৈন্য বাহিনী আৰু জনগোষ্ঠীয় গোটক ওভতাই নিবলৈ কৈ এটা প্রস্তাৱ দিছিল। পৰিষদে মুখ্য ৰাজনৈতিক দলৰ প্রতিনিধি লৈ এখন অন্তৰৰ্তী চৰকাৰ গঠন কৰাৰো পোষকতা কৰিছিল। কাশ্মীৰত পুনৰ শান্তি ঘুৰাই অনা আৰু গণভোট অনুষ্ঠিত কৰাৰ বাবে নিৰাপত্তা পৰিষদে এখন পাঁচজনীয়া কমিটীৰ প্রস্তাৱ দিছিল, যিখন ভাৰতবর্ষ আৰু পাকিস্তানৰ বাবে ৰাষ্ট্রসংঘৰ আয়োগ হিচাপে জনা গৈছিল। যদিও প্রস্তাৱটোৱে দুয়োখন দেশক সন্তুষ্ট কৰাত ব্যর্থ হৈছিল। আয়োগখনে প্রায় এমাহ কাম কৰাৰ পিছত যুদ্ধ বিৰতি আৰু বিৰতিৰ বাবে আলাপ-আলোচনাৰ বাবে পৰামর্শ দিছিল। ১৯৪৮ চনৰ ১৩ আগষ্ট তাৰিখে শান্তি ঘূৰি অহাৰ পিছত আয়োগে মুক্ত আৰু পক্ষপাতহীন জনমত গ্রহণৰ বাবে এটি পৰিকল্পনা দাখিল কৰিছিল।

প্রথমে অসন্তুষ্টি প্রকাশ কৰিছিল যদিও পিছত পাকিস্তানে সেইসমূহ প্রস্তাৱ স্বীকাৰ কৰিছিল আৰু এখন যুদ্ধ বিৰতি চুক্তিত স্বাক্ষৰ কৰিছিল। চুক্তিখন ১৯৪৯ চনৰ ১ জানুৱাৰীৰ পৰা কার্যকৰী হৈছিল যদিও যুদ্ধবিৰতিৰ সীমা নির্দ্ধাৰণ কৰা দুই পক্ষৰ মাজৰ মতভেদৰ বাবে চুক্তিখন কার্যকৰী নহ'ল আৰু সম্পূর্ণ বিষয়টো নিৰাপত্তা পৰিষদলৈ ঘুৰি আহিছিল।

নিৰাপত্তা পৰিষদে সমস্যাটোৰ এটা সমাধান বিচৰাৰ বাবে নতুনকৈ চেষ্টা কৰিছিল। পৰিষদে কানাডাৰ জেনেৰেল মেকনাউটনক অনানুষ্ঠানিক মধ্যস্থতাকাৰী হিচাপে নিযুক্তি দিছিল যদিও তেওঁ কোনো সমাধান উলিওৱাত ব্যর্থ হৈছিল। ১৯৫০ চনৰ ফ্রেব্রুৱাৰীত নিৰাপত্তা পৰিষদে অষ্ট্রেলিয়াৰ ছাৰ আৱেন ডিক্সনক মধ্যস্থতাকাৰী হিচাপে নিযুক্তি দিছিল। তেওঁ ১৯৫০ চনৰ মে' মাহত উপ-মহাদেশখনলৈ আহিছিল আৰু ভাৰত, পাকিস্তান আৰু কাশ্মীৰত নিজৰ কার্য সমাধা কৰিছিল। শেষত তেওঁ এটা প্রস্তাৱ দিছিল, যিটোৱে বিভাজন আৰু গণভোট দুয়োটা নীতিকে সাঙুৰি লৈছিল। যদিও তেওঁৰ প্রস্তাৱসমূহ ভাৰতবর্ষ আৰু পাকিস্তান কাৰো বাবে গ্রহণযোগ্য নহ'ল। তেওঁ নিজৰ পৰিকল্পনাৰ অকৃতকার্যতাখিনি লক্ষ্য কৰিছিল আৰু ইস্তাফা দিছিল। ডিক্সনৰ অকৃতকার্যতাৰ পিছত ড° ফ্রেংক পি গ্রাহামক এজন মধ্যস্থতাকাৰী হিচাপে নিয়োগ কৰা হৈছিল।

গ্রাহামে তেওঁ জুনৰ ১৯৫১ চনত দুয়োখন দেশৰ মাজত আলাপ আলোচনাৰ পদক্ষেপ আৰম্ভ কৰিছিল। তেওঁ গণভোট অনুস্থিত কৰাৰ আগেয়ে জম্মু আৰু কাশ্মীৰৰ সৈন্য সামন্ত মুক্ত কৰাৰ বাবে কিছুমান প্রস্তাৱনা আগবঢ়াইছিল। যদিও দুয়োপক্ষৰ প্রয়োজন হোৱাকে কোনো চুক্তি নোহোৱাত তেওঁৰ প্রচেষ্টাবোৰ অকৃতকার্য হৈছিল। পূর্বৰ দৰে গ্রাহামেও তেওঁৰ অকৃতকার্যতাসমূহ ১৯৫৪ চনৰ স্বীকাৰ ফেব্রুৱাৰীত কৰিছিল আৰু দুয়োখন দেশৰ মাজত প্রত্যক্ষ আলোচনাৰ বাবে পৰামর্শ দিছিল।

সেই সময়তে কাশ্মীৰত কিছুমান গুৰুত্বপূৰ্ণ গতিবিধি লক্ষণীয় হৈছিল। সার্বজনীন ভোটাধিকাৰ ভিত্তিত নির্বাচিত হোৱা জম্মু-কাশ্মীৰ সাংবিধানিক সভাই ১৯৫৪ চনৰ ৬ ফেব্রুৱাৰীত ইয়াক ভাৰতবর্ষৰ লগত চামিলকৰণৰ চূড়ান্ত কৰিছিল। ১৯৫৬ চনৰ ১৯ নৱেম্বৰ তাৰিখে সভাই এখন সংবিধান গ্রহণ কৰিছিল। যাৰদ্বাৰা ৰাজ্যখনক ভাৰতবর্ষৰ অভিন্ন অংশ হিচাপে নির্মাণ কৰা হৈছিল। ১৯৫৭ চনৰ ২৬ জানুৱাৰীত ভাৰতে চামিলকৰণ চূড়ান্ত কৰিছিল। পাকিস্তানে সেইবোৰ গতিবিধি দেখি সন্তুষ্ট হোৱা নাছিল আৰু ৰাষ্ট্রসংঘত কাশ্মীৰত গণভোট অনুষ্ঠিত কৰাৰ বাবে দাবী জনাই চেষ্টা চলাইছিল। ভাৰতবর্ষই কাশ্মীৰৰ চামিলকৰণ সম্পূর্ণ আৰু চূড়ান্ত বুলি দৃঢ়ভাৱে কৈছিল আৰু নতুন কোনো আলোচনা বিচৰা নাছিল।

১৩.৩.৩ পানী বিবাদ

পানী বিতৰণৰ প্রশ্নতো ভাৰত আৰু পাকিস্তানৰ সম্পর্কত এটা গুৰুত্বপূৰ্ণ বিষয় হৈছে। পঞ্জাৱ বিভাজনৰ ফলস্বৰূপে পানী বিতৰণৰ সমস্যাৰ সৃষ্টি হৈছে। স্থিতমূলক চুক্তিৰ আধাৰত ১৯৪৮ চনৰ ৩১ মার্চলৈ ধন পৰিশোধৰ বিনিময়ত ভাৰতে নিজৰ মুলসুঁতিৰপৰা পাকিস্তানলৈ পানী দিয়াত মান্তি হৈছিল। ১৯৪৮ চনৰ এপ্রিল মাহত সেই চুক্তিৰ ম্যাদ উকলি গৈছিল বাবে চামিল হৈছিল। যদিও ১৯৪৮ চনৰ ৪ মে' তাৰিখে এখন নতুন চুক্তি সম্পন্ন হৈছিল যিয়ে ভাৰতৰ পৰা পাকিস্তানলৈ প্রগতিশীল সংশোধিত পানী ৰপ্তানিৰ সুবিধা দিছিল। এই চুক্তিখনৰ দুবছৰলৈ আছিল আৰু পাকিস্তানে ১৯৫০ চনৰ আগষ্ট মাহত একপক্ষীয়ভাৱে এইখন চুক্তি বাধ্যত পৰি চহী কৰিব লগীয়া হোৱা বুলি এই চুক্তিখনৰ গ্রহণযোগ্যতা অস্বীকাৰ কৰিছিল। পৰৱর্তী দশকত পানী বিতৰণ সম্পর্কক লৈ তর্ক-বিতর্ক আৰু আলোচনা চলি আছিল। শেষত বিশ্ববেংকৰ দূৰদর্শিতাপূৰ্ণ সিদ্ধান্ত মর্মে ১৯৬০ চনত ভাৰত আৰু পাকিস্তানৰদ্বাৰা এখন সন্ধি স্বাক্ষৰিত হৈছিল, যিখন সিন্ধু পানী চুক্তি হিচাপে জনাজাত।

এই চুক্তিখনৰ আধাৰত ভাৰতবর্ষই কেৱল তিনিখন নদী ক্রমে সিন্ধু, ঝেলাম আৰু চেনাবৰ পানী এৰি দিয়াত সন্মতি দিয়াই নহয়, ভাৰতৰ ফালৰ পৰা ৰবি, বিয়াছ আৰু ছুটলেজ নদীৰ পানী ৰপ্তানী কৰিবলৈও সন্মতি দিছিল। সেইবাবে পানী সম্পর্কে হোৱা সংঘাতৰ শান্তিপূৰ্ণ সমাধান কৰিছিল।

১৩.৩.৪ ১৯৬৫ চনৰ ভাৰত পাকিস্তান যুদ্ধ

১৯৬৫ চনৰ এপ্রিল আৰু ছেপ্তেম্বৰ মাহৰ মাজত হোৱা ভাৰত-পাকিস্তান যুদ্ধই ভাৰত-পাকিস্তানৰ মাজৰ সংঘাতৰ শীর্ষবিন্দু আছিল। এই সংঘাত পাকিস্তানৰ অপাৰেচন গিব্ৰাল্টাৰৰ পিছত আৰম্ভ হৈছিল। গিব্ৰাল্টাৰ অভিযানটো ভাৰতৰ

শাসনযন্ত্ৰৰ বিৰুদ্ধে সন্ত্ৰাসবাদত লিপ্ত হ'বৰ বাবে লাহে লাহে কাশ্মীৰত সন্ত্ৰাসবাদী সোমোৱাৰ বাবে সৃষ্টি কৰা হৈছিল। ভাৰতে পশ্চিম পাকিস্তানত পূৰ্ণ পৰ্যায়ত সৈনিক আক্ৰমণ কৰি প্ৰতিশোধ লৈছিল। যুদ্ধখন ২৩ দিন ধৰি চলিছিল। যুদ্ধখনে দুয়োখন দেশৰ হাজাৰ হাজাৰ লোকৰ মৃত্যু ঘটাইছিল আৰু দ্বিতীয় বিশ্বযুদ্ধৰ পিছত এই যুদ্ধখনে অস্ত্ৰসজ্জিত বাহন আৰু ডাঙৰ টেংকৰ যুদ্ধৰ সাক্ষী হৈছিল। ছোভিয়েট সংঘ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ হস্তক্ষেপৰ পিছত ৰাষ্ট্ৰসংঘৰ অস্ত্ৰ বিৰতিৰ আদেশ আৰু টাচকেণ্ট ঘোষণাৰ লগে লগে এই যুদ্ধৰ অন্ত পৰিছিল।

১৯৬৫ চনৰ ২০ ছেপ্তেম্বৰৰ নিৰাপত্তা পৰিষদৰ প্ৰস্তাৱৰ আধাৰত অস্ত্ৰবিৰতি হৈছিল, যিটো দুয়োখন দেশে ছেপ্তেম্বৰৰ ২ তাৰিখে গ্ৰহণ কৰা ২৩ তাৰিখে কাৰ্যকৰী কৰিছিল। অস্ত্ৰবিৰতি ঘোষণাৰ সময়ত পাকিস্তানৰ ওপৰত ভাৰতৰ প্ৰাধান্য আছিল। যুদ্ধখনত ভাৰতীয়সৈন্যৰ মূল লক্ষ্য আছিল নিজৰ শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰা আৰু যিমান সক্ষম হয় সিমানখিনি অস্ত্ৰ-শস্ত্ৰ ধ্বংস কৰা। যুদ্ধখনে পাকিস্তানক দুৰ্বল কৰিছিল আৰু ভাৰতীয় সেনা বাহিনীৰ লক্ষ্য পূৰণ হৈছিল।

১৩.৩.৫ ১৯৭১ চনৰ ভাৰত পাকিস্তান যুদ্ধ ঃ বাংলাদেশ সংকট

পূব পাকিস্তান বাংলাসকলৰ বিদ্ৰোহ আৰু বাংলাদেশৰ উত্থানে ভাৰত পাকিস্তানৰ সম্পৰ্কত ফাঁট মেলাত অহিৰণা যোগাইছিল। স্বাধীনতাৰ পিছৰপৰাই পাকিস্তান ভূ-ৰাজনৈতিকভাৱে দুই ভাগত বিভক্ত আছিল পশ্চিম পাকিস্তান আৰু পূৰ্ব পাকিস্তান। পূৰ্ব পাকিস্তান মুলতঃ বাংলা লোক অধ্যুষিত অঞ্চল আছিল। ১৯৭০ চনত ডিচেম্বৰৰ নিৰ্বাচনত পূৰ্ব পাকিস্তানৰ দেশীয় বিধানসভাত শ্বেইখ মুজিবুৰ ৰহমানৰ আৱামী লীগে সংখ্যাগৰিষ্ঠ পাইছিল। অৱশ্যে জেড এ ভুত্তোৰ চাপত ৰাষ্ট্ৰপতি ইয়াহা খানে জাতীয় সভাৰ বৈঠক তলব কৰা নাছিল। ফলস্বৰূপে, মাৰ্চ ১৯৭১ চনত শ্বেইখ মুজিবুৰ ৰহমানে ৰাজহুৱা আইন অমান্য আন্দোলন অন্ত কৰিছিল। স্বাধীনতা অৰ্জনক লক্ষ্য কৰি মুক্তি বাহিনী নামৰ জনসাধাৰণৰ বাহিনী এটাও গঠন কৰিছিল। পাকিস্তানী সৈন্য বাহিনীয়ে পূব বংগৰ মানুহৰ ওপৰত দমন চলাইছিল যাৰবাবে ভাৰতলৈ বাংলা শৰণার্থীৰ সোঁত বৈছিল। উৎপীড়নৰ পৰা ৰক্ষা পৰাৰ বাবে বহুসংখ্যক শৰণার্থী ভাৰতলৈ আহিছিল। এইটোৱে যে অর্থনৈতিক দিশত বাধা দিছিল তেনে নহয় ভাৰত-পাকিস্তানৰ মাজৰ সম্পৰ্কতো প্ৰভাৱ পেলাইছিল। ভাৰতবৰ্ষই পূব বেংগলীক উৎসাহ দিয়া আৰু পাকিস্তানৰ বিৰুদ্ধে প্ৰত্যক্ষভাৱে সহায় কৰা বুলি পাকিস্তানে অভিযোগ দিয়া আৰম্ভ কৰিছিল। যদিও ভাৰতে এইবোৰ অভিযোগ অস্বীকাৰ কৰিছিল, পাকিস্তানে ভাৰতবৰ্ষৰ পশ্চিম ভাগত আক্ৰমণ কৰিছিল। ভাৰত চৰকাৰ ইয়াৰ বাবে সাজু আছিল আৰু পাকিস্তানক উচিত প্ৰত্যুত্তৰ দিবৰ বাবে নিজৰ সৈন্য বাহিনী তাৎক্ষণিকভাৱে পঠাইছিল। যুদ্ধখন ১৯৭১ চনৰ ৩

ডিচেম্বৰ তাৰিখে আৰম্ভ হৈছিল, ভাৰতে আগুৱাই যাবলৈ সিদ্ধান্ত লৈছিল আৰু ১৯৭১ চনৰ ৬ ডিচেম্বৰ তাৰিখে বাংলাদেশক স্বীকৃতি দিছিল। যুদ্ধৰ পিছত পাকিস্তানী সেনাই মুক্তি বাহিনীৰ যুটীয়া সেনাপ্রধান আৰু ভাৰতীয় সেনাৰ ওচৰত আত্মসমর্পণ কৰিছিল। ১৯৭১ চনৰ ১৬ ডিচেম্বৰ তাৰিখে আত্মসমর্পণ কৰিছিল। ১৯৭১ চনৰ শীতৰ সেই ১৩ দিনীয়া যুদ্ধত কমেও ২০,০০০ সৈন্যই নিজৰ জীৱন হেৰুৱাইছিল। বাংলাদেশৰ আবির্ভাৱ এইখন উপমহাদেশৰ এটা মুখ্য বিষয় হিচাপে গণ্য কৰা হৈছিল।

১৩.৩.৬ চিমলা চুক্তি ১৯৭২

বাংলাদেশ মুক্তিয়ে য়াহা খানৰ পতন ঘটাইছিল আৰু জুলফিকৰ আলী ভূত্তোয়ে ২০ ডিচেম্বৰ ১৯৭১ চনত ক্ষমতালৈ আহিছিল। সোনকালে তেওঁ ভাৰতৰ লগত সম্পর্ক উন্নত কৰাৰ ইচ্ছা দেখুৱাইছিল আৰু ছিমলাৰ অধিৱেশনত অংশ লৈছিল। ২৮ জুনৰপৰা ২ জুলাইলৈ সভাখন অনুষ্ঠিত হৈছিল যিখনে ছিমলা চুক্তি ৰূপায়িত কৰিছিল। ছিমলা চুক্তিখন ২ জুলাই ১৯৭২ চনত প্রধানমন্ত্রী ইন্দিৰা গান্ধী আৰু পাকিস্তানৰ ৰাষ্ট্রপতি জুলফিকৰ আলী ভূত্তোৰ মাজত স্বাক্ষৰিত হৈছিল। এইখন চুক্তিৰ আধাৰত ভাৰত আৰু পাকিস্তান দুয়োৱে নিজৰ ব্যৱধানবোৰ শান্তিপূর্ণ দ্বিপাক্ষীক আলোচনাৰে মীমাংসা কৰাৰ ক্ষেত্রত একমত হৈছিল। দুয়োখন দেশেই শান্তিপূর্ণ সহাৱস্থান আৰু পৰস্পৰে অভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ নকৰাৰ নীতিত বিশ্বাস পোষণ কৰিছিল। দুয়োখন দেশ পৰস্পৰৰ ভূ-খণ্ড আৰু সার্বভৌমত্বৰ শ্রদ্ধাৰ ওপৰতো প্রতিষ্ঠিত হৈছিল। দুয়ো দেশে ৰাজস্থান আৰু পঞ্জাৰ আন্তঃৰাষ্ট্রীয় সীমাৰপৰা নিজৰ নিজৰ সেনা উভতাই নিয়াৰ বাবে মান্তি হৈছিল। কাশ্মীৰৰ ক্ষেত্রত দুয়োখন দেশৰ নিয়মিত সম্পর্ক, অর্থনৈতিক, সাংস্কৃতিক আৰু বৈজ্ঞানিক ক্ষেত্রত সহযোগিতাৰ ওপৰত হোৱা নিয়ম মতে নির্দ্ধাৰণ কৰিছিল।

চমুকৈ ছিমলা চুক্তিয়ে, ভৱিষ্যতৰ দুয়োখন দেশৰ স্বাভাৱিক সম্পর্ক আৰু যোৱা পাৰ হৈ যোৱা বছৰবোৰৰ শংকা-সন্দেহ শেষ হোৱা সূচাইছিল।

১৩.৩.৭ ছিমলা চুক্তিৰ পিছত ভাৰত-পাকিস্তানৰ সম্পর্ক

ছিমলা চুক্তি স্বাক্ষৰিত হোৱাৰ পিছত যদিও দুয়োখন দেশ চুক্তিখনৰ মতে আখৰে আখৰে চলিব পৰা নাছিল তথাপি দুয়োখন দেশৰ সম্পর্ক কিছু উন্নত হৈছিল। ইয়াৰ কাৰণ আছিল, দুয়োখন দেশৰ সন্তুষ্টি দিবপৰাকৈ কাশ্মীৰ সমস্যাটোৰ তেতিয়ালৈকে কোনো সমাধান পোৱা নাছিল। পাকিস্তানে এটা প্রতিকূল পৰিস্থিতিৰ সন্মুখীন হৈছিল যেতিয়া ১৯৭৪ চনৰ মে' মাহত ভাৰতে ৰাজস্থানৰ মৰু ভূমিত প্রথম আণৱিক পৰীক্ষা সম্পন্ন কৰিছিল। জেড.এ ভূত্তো ভাৰতৰ আণৱিক পৰীক্ষাত আচৰিত

হৈছিল আৰু কৈছিল যে পাকিস্তানে ভাৰতৰ আণৱিক ব্লেকমেইলৰ বশ্যতা স্বীকাৰ নকৰে। তেওঁ কৈছিল যে এই পৰীক্ষাই ভাৰত আৰু পাকিস্তানৰ মাজত যুদ্ধ নিঃশেষকৰণ চুক্তি এখনৰ সম্ভাৱনীয়তাক নোহোৱা কৰিছিল; কিন্তু ভাৰতবৰ্ষই বিশ্বক সৈমান কৰাবলৈ চেষ্টা কৰিছিল যে ইয়াৰ আণৱিক পৰীক্ষা কেৱল শান্তিৰ উদ্দেশ্যেহে আছিল।

১৯৭৭ চনত জেনেৰেল জিয়াউল হকৰ নেতৃত্বত এটা সামৰিক বাহিনীয়ে জেড.এ ভুত্তোক শাসনৰপৰা ওফৰাই দিছিল। ভাৰতত ১৯৭৭ চনত জনতা দল ক্ষমতালৈ আহিছিল। প্রধানমন্ত্রী মোৰাৰজী দেশাই চৰকাৰে চুবুৰীয়া ৰাষ্ট্রবোৰৰ লগত, বিশেষকৈ পাকিস্তানৰ লগত ভাৰতবৰ্ষৰ সম্পর্ক উন্নত কৰাৰ বাবে বহু চেষ্টা কৰিছিল। দুয়ো পক্ষৰপৰা বিভিন্ন উদ্যোগ গ্রহণ কৰা হৈছিল। ভাৰতৰ বৈদেশিক মন্ত্রী অটল বিহাৰী বাজপেয়ীৰ ১৯৭৮ চনৰ পাকিস্তান ভ্রমণ বহু পৰিমাণ কৃতকার্য হৈছিল আৰু দুয়োখন দেশৰ সম্পর্কৰ স্থবিৰতাক ভংগ কৰিছিল। পাকিস্তানে পিছত লক্ষ্য কৰিছিল যে ভাৰতৰ লগত তেওঁলোকৰ সম্পর্ক পূর্বৰ তুলনাত ১৯৭৭-৭৯ চনত বহুত উন্নত হৈছিল।

ইন্দিৰা গান্ধীৰ প্রধানমন্ত্রীত্বৰ দ্বিতীয় কার্যকালত (১৯৮০-৮৪) আৰু ৰাজীৰ গান্ধীৰ সময়ত (১৯৮৪-৮৯) বিভিন্ন পদক্ষেপ লোৱা হৈছিল। কিন্তু জেনেৰেল জিয়াৰ প্রশাসনে সেই প্রকাৰাত্মক পদক্ষেপসমূহ কৌশলেৰে আওকাণ কৰিছিল। ইয়াৰ বিপৰীতে এইটো বহুলভাৱে বিশ্বাস কৰা হৈছিল যে, জিয়া প্রশাসনে পঞ্জাৰত সন্ত্রাসবাদীক সহায় কৰি ভাৰতবৰ্ষক অস্থিৰ কৰা কার্যত নিজকে জড়িত কৰিছিল। সন্ত্রাসবাদী কার্যকলাপে ভাৰতবৰ্ষত বহু জীৱন হানি কৰিছিল। ইন্দিৰা গান্ধীক ১৯৮৪ চনত হত্যা কৰা হৈছিল আৰু এইটো পঞ্জাৰ সন্ত্রাসবাদৰ লগত জড়িত আছিল। পৰিস্থিতিয়ে গভীৰ ৰূপ লৈছিল যেতিয়া পাকিস্তান প্রৰোচিত সন্ত্রাসবাদীয়ে জম্মু-কাশ্মীৰ ৰাজ্যৰ শান্তিত ব্যাঘাত জন্মাইছিল। ৰাজীৰ গান্ধী আৰু জেনেৰেল জিয়া আৰু পিছত ৰাজীৰ গান্ধী আৰু প্রধানমন্ত্রী বেনাজিৰ ভুত্তোয়ে প্রত্যক্ষ আলোচনা আৰম্ভ কৰিছিল। দুয়ো পক্ষই চিমলা চুক্তি আৰু ইয়াৰ দ্বিপক্ষীয় দৃষ্টিভংগীক স্বীকাৰ কৰিছিল; কিন্তু কোনো ধৰণৰ স্থায়ী সমাধান নোলাল।

১৩.৩.৮ ১৯৯৮ ৰ আণৱিক পৰীক্ষাৰ পিছত ভাৰত- পাকিস্তানৰ সম্পর্ক

১৯৯৮ চনৰ মে মাহত দুয়োখন দেশে কৰা আণৱিক পৰীক্ষাৰ পিছত আৰু বেয়াৰ ফালে ঢাল খাইছিল। ১৯৭৪ চনত ভাৰতীয় সেনাই পোখৰানৰ পৰীক্ষাৰ পিছত ১৯৯৮ চনৰ মে মাহত ভাৰতে কৰা আণৱিক পৰীক্ষাতো প্রথম আছিল। দ্বিতীয় পোখৰনি হিচাপে জনাজাত এই পৰীক্ষাই পাঁচটা বিস্ফোৰণ সাঙুৰি লৈছিল আৰু অটল বিহাৰী বাজপেয়ীয়ে ভাৰতবৰ্ষক সম্পূর্ণ আণৱিক শক্তি সম্পন্ন দেশ হিচাপে ঘোষণা কৰিছিল। ভাৰতৰ পৰীক্ষাৰ ১৫ দিন পিছত, পাকিস্তানে চাগাই আৰু খৱন ক্ষেত্রত মাটিৰ তলত ছটা আণৱিক পৰীক্ষা কৰিছিল। এইবোৰ বিস্ফোৰণৰ

পিছত দুয়োখন দেশ যুক্তৰাষ্ট্ৰৰদ্বাৰা অর্থনৈতিক অৱৰোধৰ সন্মুখীন হৈছিল। যদিও সময়ত দুয়োখন দেশৰ প্ৰধানমন্ত্ৰী ১৯৯৮ চনৰ ছেপ্তেম্বৰত নিউইয়র্কত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ কালত সমান্তৰালভাৱে মিলিত হৈছিল। বাজপেয়ী শ্ৰৰীফৰ আলোচনাই স্থবিৰতা ভংগ কৰিছিল, যিহেতু অনানুষ্ঠানিক বিশ্বাস নির্মাণৰ কৌশলবোৰ আৰম্ভ হৈছিল আৰু ভাৰত- পাকিস্তানৰ মাজৰ সংঘাতবোৰ কমি আহিছিল। আনবোৰ বিষয়ৰ লগতে এইটোত সন্মতি দিছিল যে দুয়োখন দেশৰ মানুহৰ সুচল আৰু কম খৰচী যাত্ৰাৰ বাবে দিল্লী আৰু লাহোৰৰ মাজত বাছ সেৱা হ'ব। অটল বিহাৰী বাজপেয়ীয়ে ২০ ফেব্ৰুৱাৰী ১৯৯৯ চনত প্ৰথমে লাহোৰলৈ বাছ যাত্ৰা কৰাৰ সিদ্ধান্ত লৈছিল। তেওঁ আশা কৰিছিল যে পাকিস্তানৰ ফালৰ পৰাও তেনে এটা বন্ধুত্বপূর্ণ সঁহাৰি আহিব; কিন্তু তেনেকুৱা নহ'ল।

১৩.৩.৯ লাহোৰ ঘোষণা

লাহোৰ ঘোষণা ভাৰত আৰু পাকিস্তানৰ মাজত এখন দ্বিপাক্ষিক সহমত আৰু শাসন সম্বন্ধিত স্বাক্ষৰিত হোৱা সন্ধি। সন্ধিখন ১৯৯৯ চনৰ ২১ ফেব্ৰুৱাৰীত লাহোৰৰ ঐতিহাসিক বাজপেয়ী শ্ৰৰীফ সন্মিলনৰ শেষত স্বাক্ষৰিত হৈছিল আৰু একে বছৰতে দুয়োখন দেশৰ সংসদৰদ্বাৰা মঞ্জুৰ হৈছিল। লাহোৰ ঘোষণা দুয়োখন দেশৰ সম্পর্কত নতুন অধ্যায় খোলাৰ ইচ্ছাক নতুনকৈ জোৰেৰে উত্থাপন কৰিছিল। ঘোষণাপত্ৰখনে দুয়োখন দেশৰ মানুহৰ উন্নতি আৰু প্ৰগতিৰ বাবে ভাৰত আৰু পাকিস্তানৰ মাজত শান্তি প্ৰতিষ্ঠা আৰু প্ৰগতিৰ মতপোষণ কৰিছিল। প্ৰধানমন্ত্ৰীয়ে চিমলা চুক্তিৰ সংকল্পসমূহ কার্যকৰী কৰাৰ বাবে বাৰে বাৰে জোৰ দিছিল। তেওঁলোকে একমত হৈছিল যে তেওঁলোকৰ চৰকাৰে কাশ্মীৰৰ লগতে আন সকলো বিষয় সমাধান কৰাৰ বাবে তেওঁলোকৰ প্ৰচেষ্টাসমূহ তীব্ৰতৰ কৰি তুলিব আৰু প্ৰত্যেকৰে অভ্যন্তৰীণ বিষয়ত হস্তক্ষেপৰ পৰা বিৰত থাকিব। তেওঁলোকে সকলো প্ৰকাৰৰ মানৱ অধিকাৰৰ ৰক্ষা আৰু মৌলিক স্বাধীনতাৰ বাবে সকলো প্ৰকাৰৰ সন্ত্ৰাসবাদী কার্য সজোৰে গৰিহণা দিছিল। সেয়েহে লাহোৰ ঘোষণাই বন্ধুত্বপূর্ণ সহযোগিতা অ-হস্তক্ষেপ, সন্ত্ৰাসবাদ নির্মূলকৰণ আৰু ভাল চুবুৰীয়াৰ সকলো মহান আদর্শ কঢ়িয়াইছিল; কিন্তু ঘোষণাপত্ৰৰ চিয়াহী নুশুকাওতেই পাকিস্তানে সংঘর্ষ আৰু দমনমূলক পথ গ্ৰহণ কৰিছিল।

১৩.৩.১০ কার্গিল যুদ্ধ

কার্গিল সংঘর্ষ হিচাপেও জনাজাত ভাৰত-পাকিস্তানৰ কার্গিল যুদ্ধ ১৯৯৯ চনৰ মে'ৰ পৰা জুলাই মাহলৈকে জম্মু-কাশ্মীৰৰ কার্গিল জিলাত নিয়ন্ত্ৰণ ৰেখাত সংঘটিত হৈছিল। ভাৰতৰ ফালে নিয়ন্ত্ৰণ সীমাৰ কাষত পাকিস্তান সেনাৰ কাশ্মীৰী

সন্ত্রাসবাদীৰ ছদ্মবেশৰ প্ৰৱেশ আছিল যুদ্ধৰ কাৰণ। যিসময়ত পাকিস্তানৰ প্ৰধানমন্ত্রী নৱাজ শ্ৰৱীফে ভাৰতৰ প্ৰধানমন্ত্রী অটল বিহাৰী বাজপেয়ীক উষ্ম আদৰণি জনাইছিল, সেই সময়ত পাকিস্তানী সেনা আৰু অনুপ্ৰৱেশকাৰীয়ে ভাৰতৰ ফালে থকা নিয়ন্ত্রণ সীমাৰেখাৰ কাৰ্গিল স্থান গোপনে দখল কৰি আছিল। এইটো কেৱল দমনমূলকে নাছিল, এটা অবিশ্বাসী কামো আছিল।

পাকিস্তানৰ লক্ষ্য কেৱল কাৰ্গিলৰ উচ্চ অংশ দখল কৰাই নাছিল, শ্ৰীনগৰৰ লেহ ঘাইপথ হস্তগত কৰিছিল, যাতে লাডাখ অঞ্চলৰ মূল উপত্যকাৰ লগত সম্পৰ্ক নিঃশেষ হৈ যায়। পাকিস্তানে নিজৰ বাবে অতি কমেও চাৰিটা লক্ষ্য স্থিৰ কৰিছিল। সেয়া হৈছে—

- কাশ্মীৰ সমস্যাক আন্তঃৰাষ্ট্রীয়কৰণ কৰা।
- নিৰ্ণায়ক সামৰিক বিজয় লাভ কৰা আৰু নিয়ন্ত্রণ ৰেখাত ভাৰতৰ ফালে স্থায়ীভাৱে থকা অংশ দখল কৰা।
- নিয়ন্ত্রণ সীমাত ভাৰতৰ দিশত সংঘাতজৰ্জৰ পৰিৱেশৰ সৃষ্টি কৰা।
- ভাৰতৰ মুছলীমৰ সমৰ্থন আদায় কৰা।

কিন্তু পাকিস্তানে নিজৰ খেলখনত কৃতকাৰ্যতা লাভ নকৰিলে, যিহেতু ভাৰতীয় সেনাই অভূতপূৰ্ব দৃঢ় প্ৰতিজ্ঞা আৰু সাহস প্ৰদৰ্শন কৰি পাকিস্তানী অনুপ্ৰৱেশকাৰী আৰু সেনাক পৰাভূত কৰিছিল। কাৰ্গিল সংঘৰ্ষই বিশ্বজুৰি মনোযোগ আকৰ্ষণ কৰিছিল আৰু পাকিস্তান, ইয়াৰ স্বাধীনতাৰ পিছত পোনপ্ৰথম বাৰৰ বাবে সম্পূৰ্ণভাৱে অকলশৰীয়া হৈছিল। আন্তঃৰাষ্ট্রীয় সমাজে ভাৰতৰ অৱস্থান সম্পূৰ্ণ সমৰ্থন দিছিল। আনকি পাকিস্তানৰ একান্ত সুদৃঢ় সুহৃদ আমেৰিকা আৰু চীনেও কাৰ্গিলৰপৰা পাকিস্তানৰ প্ৰস্থান আৰু স্থিতাৱস্থা ৰক্ষা কৰাতো বিচাৰিছিল, যিটোৱে ভাৰত প্ৰশাসনৰ নিয়ন্ত্রণ সীমাৰপৰা সেনা আৰু সন্ত্রাসবাদী সম্পূৰ্ণ খালী হোৱাতো সূচাইছিল।



১৩.৩.১১ সাম্প্রতিক সময়ত ভাৰত-পাকিস্তানৰ সম্পৰ্ক

কাৰ্গিল যুদ্ধৰ পিছত ১৯৯৯ চনৰ অক্টোবৰত পাকিস্তান আকৌ এবাৰ সামৰিক শাসনৰ তললৈ আহিছিল। জেনেৰেল পাৰভেজ মুছাৰফে প্ৰধানমন্ত্রী নৱাব শ্ৰৱীফক ক্ষমতাৰ পৰা আঁতৰাই, নিজকে মুখ্য কাৰ্যবাহী হিচাপে ঘোষণা কৰিছিল। পাকিস্তানত পূৰ্বৰ গণন্ত্রৰ পুণৰ স্থাপন নোহোৱালৈ ভাৰতে কোনো আলোচনা নকৰে বুলি দৃঢ় স্থিতি লৈছিল। যদিও বাজপেয়ীয়ে সেনা শাসকৰ লগত আলোচনাৰ বিৰোধিতাক আঁতৰত ৰাখি, জেনেৰেল মুছাৰফৰ আলোচনাৰ বাবে ভাৰতলৈ আহ্বান জনোৱাৰ প্ৰস্তাৱ লৈছিল। ২০০১ চনৰ জুলাই মাহত আগ্রাত

বাজপেয়ী আৰু মুছাৰফৰ মাজত আলোচনা হৈছিল; কিন্তু আলোচনাখন কৃৰ্তকার্য নহ'ল। আনকি এখন যুটীয়া ঘোষণাও গ্ৰহণ কৰিব পৰা নহ'ল।

সেই সময়তে ২০০২ চনত জম্মু আৰু কাশ্মীৰ ৰাজ্যত মুক্ত আৰু নিকা নিৰ্বাচন অনুষ্ঠিত হৈছিল। প্ৰধানমন্ত্ৰী বাজপেয়ীয়ে এইটোক কাশ্মীৰৰ জনসাধাৰণৰ অভিপ্ৰায় আৰু আত্ম নিয়ন্ত্ৰণৰ প্ৰমাণ হিচাপে বৰ্ণনা কৰিছিল। ভাৰত সদায় পাকিস্তানৰ লগত বন্ধুত্বপূৰ্ণ সম্পৰ্ক ৰক্ষাৰ প্ৰতি আগ্ৰহী। ২০০৩ৰ এপ্ৰিলত প্ৰধানমন্ত্ৰী বাজপেয়ীয়ে কাশ্মীৰ যাত্ৰাৰ সময়ত আকৌ এবাৰ বন্ধুত্বৰ হাত প্ৰসাৰিত কৰিছিল।

ড° মনমোহন সিঙৰ অধ্যক্ষতাৰ ইউ.পি.এ চৰকাৰেও সেই সম্পৰ্ক স্বাভাৰিক কৰাৰ প্ৰক্ৰিয়া হাতত লৈছিল। ইয়াকে কৰিবলৈ যাওঁতে প্ৰধানমন্ত্ৰী মনমোহন সিঙে দেশ দুখনৰ ৰাষ্ট্ৰ প্ৰধানৰ পাৰস্পৰিক সম্পৰ্ক উন্নত কৰাৰ ক্ষেত্ৰত বিভিন্ন পদক্ষেপ লৈছিল আৰু কাশ্মীৰ সমস্যাকে আদি কৰি বিভিন্ন সমস্যাৰ সমাধানৰ ক্ষেত্ৰত বিভিন্ন প্ৰস্তাৱ লৈছিল।

ভাৰত আৰু পাকিস্তান উভয়ে পাৰস্পৰিক ভুল বুজাবুজি আঁতৰাই আস্থা আৰু বিশ্বাসৰ পৰিবেশ সৃষ্টি কৰিবলৈ তৎপৰ হৈছে। উচ্চস্তৰীয় আলোচনা, ভিছা, বাধা কমোৱা আৰু দুয়োখন দেশৰ মাজত নতুনকৈ ক্ৰিকেট মেচ আৰম্ভ কৰাৰ শ্ৰীনগৰ আৰু মুজাফৰবাদৰ মাজত নতুন বাছ সেৱাই দুয়োখন দেশক কাষ চপাই অনাত সহায় কৰিছে; দুয়োখন দেশে অৰ্থনৈতিক ক্ষেত্ৰতো সহযোগিতা কৰাত মতপোষণ কৰিছে; কিন্তু পাকিস্তান প্ৰৰোচিত সন্ত্ৰাসবাদী কাৰ্যকলাপৰ বাবে দুয়োখন দেশৰ সম্পৰ্ক সদায় বেয়াকৈ প্ৰভাৱিত হৈ আহিছে। উদাহৰণস্বৰূপে— ভাৰতীয় সংসদ ভৱনত হোৱা আক্ৰমণ আৰু ২০০১ চনত জম্মু আৰু কাশ্মীৰৰ বিধান সভাত সংঘটিত হোৱা আক্ৰমণ ২০০৭ চনৰ চমৰৌটি এক্সপ্ৰেছত হোৱা এলানি বোমা বিস্ফোৰণ, ২০০৮ চনৰ মুম্বাইৰ বোমা বৰ্ষণ, ২০১৬ ত সংঘটিত হোৱা উৰি আক্ৰমণ। ২০১৯ চনৰ পুলৱামা আক্ৰমণৰ পাছত, ভাৰতে পাকিস্তানৰ বালাকোটত বিমান আক্ৰমণ চলায়। এই পদক্ষেপৰ ফলত বায়ুসেনাৰ সংঘৰ্ষ হয় আৰু পাকিস্তানে এজন ভাৰতীয় পাইলটক বন্দী কৰে। পিছত, পাকিস্তানে সেই পাইলটক মুক্তি দিয়ে, যাৰ ফলত পৰিস্থিতি অধিক উত্তেজনাপূৰ্ণ হোৱা ৰোধ হয়।

২০১৯ চনত সংবিধানক ৩৭০ নম্বৰ দফাটো প্ৰত্যাহাৰ কৰাৰ লগে লগে জম্মু আৰু কাশ্মীৰে ইমানদিনে পাই থকা 'বিশেষ ৰাজ্যৰ খিতাপ নাইকিয়া হ'ল। ই ভাৰত-পাকিস্তানৰ মাজত চলি থকা উদ্বেগজনক পৰিস্থিতি আৰু অধিক গাঢ় কৰি তুলিছে। ইয়াৰ প্ৰত্যুত্তৰত পাকিস্তানে ভাৰতৰ সৈতে স্থল আৰু আকাশী সংযোগ বন্ধ কৰিছে, ব্যৱসায়-বাণিজ্য তথা ৰে'লসেৱা বাতিল কৰিছে। ২০২০ চনত গোটেই বছৰটো নিয়ন্ত্ৰণ ৰেখাৰ দুয়োপাৰে বিক্ষিপ্ত যুদ্ধবিৰতি

উলংঘাৰ ঘটনা ঘটিছে। বহুতো সামৰিক আৰু অসামৰিক লোক এই কাৰ্যৰ বলি হৈছে। ২০২১ চনৰ ফেব্রুৱাৰী মাহত দুয়োখন দেশে অৱশেষত নিয়ন্ত্রণ ৰেখাৰ দুয়োপাৰে যুদ্ধবিৰতিৰ চুক্তি কঠোৰভাৱে পালন কৰিবলৈ সন্মতি প্রকাশ কৰাৰ পাছতহে অৱস্থাৰ তাৎপর্যপূর্ণ উন্নতি ঘটিছে। এই সন্মতিয়ে হিংসাত্মক কার্যকলাপৰ মাত্রা ভালেখিনি কম কৰিছে। ২০২১ চনত দুয়োখন দেশে চলোৱা কূটনৈতিক পর্যায়ৰ প্রয়াসেও অৱস্থাৰ উন্নতিত অৰিহণা আগবঢ়াইছে। ভাৰতৰ প্রধানমন্ত্রী নৰেন্দ্র মোদী আৰু পাকিস্তানৰ প্রধানমন্ত্রী ইমৰান খানৰ মাজত চলা পত্রালাপত দুয়োগৰাকী নেতাই শান্তি প্রতিষ্ঠাৰ পাৰস্পৰিক ইচ্ছা ব্যক্ত কৰিছে। ২০২২ চনত পাকিস্তানত হোৱা বিধ্বংসী বানত ভাৰতে সাহায্য আগবঢ়োৱাৰ ফলত দুয়োখন দেশৰ মাজৰ সম্পর্ক সামান্য উন্নত হৈছে। ২০২৩ চনৰ চাংহাই কর্পৰেশ্যন অ'র্গেনাইজেশ্যনৰ শীর্ষ সন্মিলনত দুয়োখন দেশে ভাগ লৈছে। এনেবোৰ ইতিবাচক ঘটনা ঘটাৰ পাছতো সন্ত্রাসবাদ, সীমা বিবাদ আৰু ৰাজনৈতিক অনাস্থাৰ দৰে সমস্যাই বর্তমানেও ভাৰত আৰু পাকিস্তানৰ মাজৰ সম্পর্কৰ প্রতি গুৰুতৰ প্রত্যাহ্বান জনোৱাতো অব্যাহত ৰাখিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ১৯৭২ চনৰ ছিমলা চুক্তিৰ বিষয়ে লিখক।

.....

.....

.....

প্রশ্ন নং ২ ঃ ১৯৭১ চনৰ ভাৰত পাকিস্তানৰ যুদ্ধৰ বিষয়ে চমুকৈ লিখক।

.....

.....

.....

১৩.৪ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

- ব্রিটিছ সংসদৰ ভাৰত স্বাধীন আইন, ১৯৪৭ দ্বাৰা ভাৰত আৰু পাকিস্তান দুয়োখন দেশ সৃষ্টি হৈছিল।
- স্বাধীনতাৰ ঠিক পিছতে ভাৰত পাকিস্তানে কূটনৈতিক সম্পর্ক স্থাপন কৰিছিল যদিও

বিভাজনৰ সময়ত সংঘটিত হোৱা হিংসা আৰু সীমা বিবাদে সম্পর্ক তিক্ততাপূর্ণ কৰি তুলিছিল।

- স্বাধীনতাৰপৰা ভাৰত পাকিস্তানে বিভিন্ন অস্ত্র-শস্ত্রৰ সংঘর্ষত লিপ্ত হৈছে। দুয়োখন দেশৰ মাজত প্রধানতঃ তিনিখন যুদ্ধ সংঘটিত হৈছে— ১৯৪৭ত ১৯৬৫ ত আৰু ১৯৭১ ৰ বাংলাদেশ স্বাধীনতা যুদ্ধ। ইয়াৰ উপৰি ১৯৯৯ ৰ অনানুষ্ঠানিক কার্গিল যুদ্ধ আৰু কিছু সীমা বিবাদ।
- নদীৰ পানী বিতৰণৰ প্রশ্নটোও ভাৰত-পাকিস্তানৰ সম্পর্ক নির্দ্ধাৰণৰ কাৰক হৈছে।
- ১৯৭২ চনৰ ২ জুলাইত প্রধানমন্ত্রী ইন্দিৰা গান্ধী আৰু ৰাষ্ট্রপতি জুলফিকৰ আলী ভূত্তোৰ মাজত ছিমলা চুক্তি স্বাক্ষৰিত হৈছিল। এইখন চুক্তিৰ আধাৰত ভাৰত আৰু পাকিস্তান উভয়ে নিজৰ মাজৰ বিষয়বোৰ দ্বিপাক্ষিক আলোচনাৰদ্বাৰা শান্তিপূর্ণ ভাৱে নিষ্পত্তিৰ ক্ষেত্রত একমত হৈছিল।
- ছিমলা চুক্তি স্বাক্ষৰৰ পিছৰ বছৰত ভাৰত আৰু পাকিস্তানৰ মাজত সম্পর্ক কিছু নমনীয় হ'বলৈ আৰম্ভ কৰিছিল যদিও চুক্তিখনৰ আদর্শত তেওঁলোক পৰিচালিত হ'ব নোৱাৰিলে।
- ১৯৯৮ চনৰ মে' মাহত দুয়োখন দেশ আণৱিক পৰীক্ষাৰ পিছত ভাৰত-পাকিস্তানৰ সম্পর্ক অধিক বেয়া হৈছিল।
- লাহোৰ ঘোষণা ভাৰত আৰু পাকিস্তানৰ মাজত হোৱা এখন দ্বি-পাক্ষিক সহমতৰ চুক্তি আছিল। চুক্তিখন ১৯৯৯ চনৰ ২১ ফেব্রুৱাৰীত স্বাক্ষৰ হৈছিল।
- লাহোৰ ঘোষণাই দুয়োখন দেশৰ জনগণৰ উন্নতি আৰু প্রগতিৰ বাবে ভাৰতবর্ষ আৰু পাকিস্তানৰ মাজত শান্তি আৰু স্থিৰতা প্রতিষ্ঠাত গুৰুত্ব দিছিল।
- কার্গিল যুদ্ধ ১৯৯৯ চনৰ মে'-জুলাই মাহত জম্মু-কাশ্মীৰৰ কার্গিল জিলাত নিয়ন্ত্রণৰ সীমা ৰেখাত হৈছিল।
- কাশ্মীৰ সন্ত্রাসবাদীৰ ছদ্মবেশত পাকিস্তানী সেনাই নিয়ন্ত্রণ সীমা ৰেখা অতিক্রমি ভাৰতৰ ফালে প্রৱেশেই আছিল কার্গিল যুদ্ধৰ কাৰণ।
- ১৯৯৯ চনৰ অক্টোবৰত পাকিস্তান আকৌ এবাৰ সামৰিক শাসনৰ অধীনলৈ আহিছিল যিহেতু জেনেৰেল পাৰভেজ মুছাৰফে প্রধানমন্ত্রী নৱাজ শ্বৰীফক ক্ষমতাৰপৰা আঁতৰাই নিজকে মুখ্য কার্যবাহী হিচাপে ঘোষণা কৰিছিল।
- সামৰিক শাসকৰ লগত আলোচনা নকৰাৰ সিদ্ধান্ত একাষৰীয়া কৰি, বাজপেয়ীয়ে জেনেৰেল মুছাৰফক আলোচনাৰ বাবে ভাৰতলৈ নিমন্ত্রণ দিয়াৰ সিদ্ধান্ত লৈছিল।
- ২০০১ চনৰ জুলাইত আগ্রাত বাজপেয়ী আৰু মুছাৰফৰ মাজত আলোচনা হৈছিল; কিন্তু আলোচনাখনি কৃতকার্য নহ'ল আনকি এখন ঘোষণাপত্রও গৃহীত নহ'ল।
- জনসাধাৰণত মাজত সুসম্পর্কৰ বাবে প্রধানমন্ত্রী মনমোহন সিঙে বিভিন্ন পদক্ষেপ গ্রহণ কৰিছিল কাশ্মীৰ বিষয়ক অন্তর্ভূক্ত কৰি আন সমস্যা নিষ্পত্তিৰ বাবে এখন ঘোষণাপত্র

গ্ৰহণ কৰিছিল ভাৰত পাকিস্তান দুয়োখন দেশৰ উদ্বেগ হ্ৰাস কৰাৰ বাবে বিভিন্ন সামূহিক বিশ্বাস নিৰ্মাণকাৰী পদক্ষেপ হাতত লৈছিল।

- ভাৰত পাকিস্তানৰ সম্পৰ্ক পাকিস্তান প্ৰৰোচিত সন্ত্ৰাসবাদৰ বাবে বেয়া হৈ আছে।



১৩.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গোঁহাই, নবীন আৰু মমী দত্ত কটকী (২০১৩) ঃ *ভাৰতৰ বৈদেশিক নীতি* । যোৰহাট বিদ্যা ভৱন।

২) বৰুৱা , ড° দেৱ প্ৰসাদ (২০০৯)ঃ *ভাৰতৰ বৈদেশিক নীতি* । গুৱাহাটী ঃ স্বস্তিকা প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

১) Bandyopadhyaya, Jayantanuja (2003). *The Making of India's Foreign Policy*. New Delhi: Allied Publishers Pvt. Ltd.

২) Biju, M.R. (2001). *New Horizons of Indian Foreign Policy.* Delhi: Authorpress

৩) Chander, Prakash and Prem Arora (2000). *International Relations*. New Delhi: Cosmos Bookhive Pvt. Ltd.

৪) Chhabra, H.K. (1989). *Foreign Policies of Major Countries*. Delhi: Surjeet Publications

৫) Dutt, V.P. (2011). *India's Foreign Policy in a Changing World*. Noida: Vikas Publishing House Pvt. Ltd.

৬) Khanna, V.N. (2001). *Foreign Policy of India*. New Delhi: Vikas Publishing House Pvt. Ltd.



১৩.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ বাংলাদেশ মুক্তিয়ে য়াহা খানৰ পতন ঘটাইছিল আৰু জুলফিকৰ আলী ভুত্তোয়ে ২০ ডিচেম্বৰ ১৯৭১ চনত ক্ষমতালৈ আহিছিল। তেওঁ ভাৰতৰ লগত

সম্পর্ক উন্নত কৰাৰ ইচ্ছা দেখুৱাইছিল আৰু ছিমলাৰ অধিবেশনত অংশ লৈছিল। ২৮ জুনৰ পৰা ২ জুলাইলৈ সভাখন অনুষ্ঠিত হৈছিল যিখনে ছিমলা চুক্তি ৰূপায়িত কৰিছিল। ছিমলা চুক্তিখন ২ জুলাই ১৯৭২ চনত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী আৰু পাকিস্তানৰ ৰাষ্ট্ৰপতি জুলফিকৰ আলী ভূত্তোৰ মাজত স্বাক্ষৰিত হৈছিল। এইখন চুক্তিৰ আধাৰত ভাৰত আৰু পাকিস্তান দুয়োৱে নিজৰ ব্যৱধানবোৰ শান্তিপূৰ্ণ দ্বিপাক্ষীক আলোচনাৰে মীমাংসা কৰাৰ ক্ষেত্ৰত একমত হৈছিল। দুয়োখন দেশেই শান্তিপূৰ্ণ সহাৱস্থান আৰু পৰস্পৰে অভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ নকৰাৰ নীতিত বিশ্বাস পোষণ কৰিছিল। দুয়োখন দেশে পৰস্পৰৰ ভূ-খণ্ড আৰু সাৰ্বভৌমত্বৰ শ্ৰদ্ধাৰ ওপৰতো প্ৰতিষ্ঠিত হৈছিল। দুয়ো দেশে ৰাজস্থান আৰু পঞ্জাৱ আন্তঃৰাষ্ট্ৰীয় সীমাৰ পৰা নিজৰ নিজৰ সেনা উভতাই নিয়াৰ বাবে মান্তি হৈছিল। কাশ্মীৰৰ ক্ষেত্ৰত দুয়োখন দেশৰ নিয়মিত সম্পর্ক, অৰ্থনৈতিক, সাংস্কৃতিক আৰু বৈজ্ঞানিক ক্ষেত্ৰত সহযোগিতাৰ ওপৰত হোৱা নিয়ম মতে নিৰ্দ্ধাৰণ কৰিছিল।

চমুকৈ ছিমলা চুক্তিয়ে, ভৱিষ্যতৰ দুয়োখন দেশৰ স্বাভাৱিক সম্পর্ক আৰু পাৰ হৈ যোৱা বছৰবোৰৰ শংকা-সন্দেহ শেষ হোৱা সূচাইছিল।

২ নং প্ৰশ্নৰ উত্তৰঃ পূৰ্ব পাকিস্তান বাংলাসকলৰ বিদ্ৰোহ আৰু বাংলাদেশৰ উত্থানে ভাৰত পাকিস্তানৰ সম্পর্কত ফাঁট মেলাত অহিৰণা যোগাইছিল। স্বাধীনতাৰ পিছৰপৰাই পাকিস্তান ভূ-ৰাজনৈতিকভাৱে দুই ভাগত বিভক্ত আছিল পশ্চিম পাকিস্তান আৰু পূৰ্ব পাকিস্তান। পূৰ্ব পাকিস্তান মুলতঃ বাংলা লোক অধ্যুষিত অঞ্চল আছিল। ১৯৭০ চনত ডিচেম্বৰৰ নিৰ্বাচনত পূৰ্ব পাকিস্তানৰ দেশীয় বিধানসভাত শ্বেইখ মুজিবুৰ ৰহমানৰ আৱামী লীগে সংখ্যাগৰিষ্ঠ পাইছিল। অৱশ্যে জেড এ ভুত্তোৰ চাপত ৰাষ্ট্ৰপতি ইয়াহা খানে জাতীয় সভাৰ বৈঠক তলব কৰা নাছিল। ফলস্বৰূপে, ১৯৭১ চনৰ মার্চ মাহত শ্বেইখ মুজিবুৰ ৰহমানে ৰাজদ্ৰোহ আইন অমান্য আন্দোলন অন্ত কৰিছিল। স্বাধীনতা অর্জনক লক্ষ্য কৰি মুক্তি বাহিনী নামৰ জনসাধাৰণৰ বাহিনী এটাও গঠন কৰিছিল। পাকিস্তানী সৈন্য বাহিনীয়ে পূব বংগৰ মানুহৰ ওপৰত দমন চলাইছিল, যাৰবাবে ভাৰতলৈ বাংলা শৰণার্থীৰ সোঁত বৈছিল। উৎপীড়নৰপৰা ৰক্ষা পৰাৰ বাবে বহুসংখ্যক শৰণার্থী ভাৰতলৈ আহিছিল। এইটোৱে যে অৰ্থনৈতিক দিশত বাধা দিছিল তেনে নহয়, ভাৰতৰ পাকিস্তানৰ মাজত সম্পর্কতো প্ৰভাৱ পেলাইছিল। ভাৰতবর্ষই পূব বেংগলীক উৎসাহ দিয়া আৰু পাকিস্তানৰ বিৰুদ্ধে প্ৰত্যক্ষ ভাৱে সহায় কৰা বুলি পাকিস্তানে অভিযোগ দিয়া আৰম্ভ কৰিছিল। যদিও ভাৰতে এইবোৰ অভিযোগ অস্বীকাৰ কৰিছিল। পাকিস্তানে ভাৰতবর্ষৰ পশ্চিম ভাগত আক্ৰমণ কৰিছিল। ভাৰত চৰকাৰ ইয়াৰ বাবে সাজু আছিল আৰু পাকিস্তানক উচিত প্ৰত্যুত্তৰ দিবৰ বাবে নিজৰ সৈন্য বাহিনী তাৎক্ষণিকভাৱে পঠাইছিল। যুদ্ধখন ১৯৭১

চনৰ ৩ ডিচেম্বৰ তাৰিখে আৰম্ভ হৈছিল। ভাৰতে আগুৱাই যাবলৈ সিদ্ধান্ত লৈছিল আৰু ১৯৭১ চনৰ ৬ ডিচেম্বৰ তাৰিখে বাংলাদেশক স্বীকৃতি দিছিল। যুদ্ধৰ পিছত পাকিস্তানী সেনাই মুক্তি বাহিনীৰ যুটীয়া সেনাপ্রধান আৰু ভাৰতীয় সেনাৰ ওচৰত আত্মসমর্পণ কৰিছিল। ১৯৭১ চনৰ ১৬ ডিচেম্বৰ তাৰিখে আত্মসমর্পণ কৰিছিল।



১৩.৭ আৰ্হি প্রশ্ন

(ক) অতি চমু প্রশ্ন ঃ (৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ ভাৰত আৰু পাকিস্তানৰ কোন দুজন নেতাৰ মাজত ছিমলা চুক্তি স্বাক্ষৰিত হৈছিল?

প্রশ্ন ২ ঃ LOC ৰ সম্পূর্ণ ৰূপতো লিখক।

প্রশ্ন ৩ ঃ ১৯৯৯ চনৰ ২০ ফেব্রুৱাৰীত অটল বিহাৰী বাজপেয়ী লাহোৰলৈ প্রথমে বাছ যাত্রা কৰাৰ সিদ্ধান্ত লৈছিল (সচাঁনে / মিছা) লিখক।

প্রশ্ন ৪ ঃ ১৯৭০ চনৰ ডিচেম্বৰত অনুষ্ঠিত পূৰ পাকিস্তানৰ প্রাদেশিক বিধানসভাৰ নির্বাচনৰ শ্বেইখ মজিবুৰ ৰহমানৰ আৱামি লীগে পূর্ণ সংখ্যাগৰিষ্ঠতা পাইছিল (সচাঁনে / মিছা) লিখক।

(খ) চমু প্রশ্ন ঃ (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ কাশ্মীৰ সমস্যাৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ২ ঃ ছিমলা চুক্তিৰ পিছত ভাৰত পাকিস্তানৰ সম্পর্ক বর্ণনা কৰক।

প্রশ্ন ৩ ঃ ১৯৯৮ চনৰ আণৱিক পৰীক্ষাৰ পিছত ভাৰত-পাকিস্তানৰ সম্পর্কৰ বিষয়ে লিখক।

প্রশ্ন ৪ ঃ লাহোৰ ঘোষণাৰ বিষয়ে লিখক।

(গ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ১৯৫৬ চনৰ পৰা সাম্প্রতিক সময়লৈ ভাৰত-পাকিস্তানৰ সম্পর্ক আলোচনা কৰক।

প্রশ্ন ২ ঃ ছিমলা চুক্তি আৰু ১৯৯৮ ৰ আণৱিক পৰীক্ষাৰ পিছত ভাৰত-পাকিস্তানৰ সম্পর্কৰ বিষয়ে বর্ণনা কৰক।

*** ***** ***

অধ্যায় ১৪ ঃ ভাৰত আৰু বাংলাদেশৰ সম্বন্ধ

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ ভাৰত-বাংলাদেশৰ সম্পৰ্ক ঃ ইতিহাস, বিভিন্ন স্তৰ আৰু সাম্প্ৰতিক অৱস্থা

- ১৪.৩.১ বাংলাদেশৰ সৃষ্টি
- ১৪.৩.২ ১৯৭২ চনৰ ভাৰত বাংলাদেশৰ বন্ধুত্ব আৰু শান্তি চুক্তি
- ১৪.৩.৩ ১৯৭২ চনৰ ভাৰত বাংলাদেশৰ বাণিজ্য চুক্তি
- ১৪.৩.৪ শ্বেখ মুজিবুৰ ৰহমানৰ হত্যা আৰু ভাৰত বাংলাদেশৰ সম্পৰ্ক
- ১৪.৩.৫ গংগাৰ পানী ভাগ-বিতৰণ আৰু ফাৰাক্কা নদীবান্ধ
- ১৪.৩.৬ নতুন মোৰে দীপপুঞ্জ বিবাদ
- ১৪.৩.৭ অন্যান্য দ্বিপাক্ষিক বিষয়সমূহ
- ১৪.৩.৮ সাম্প্ৰতিক সময়ত ভাৰত-বাংলাদেশৰ সম্পৰ্ক

১৪.৪ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

১৪.৫ অধিক জানিবলৈ

১৪.৬ অগ্ৰগতিৰ খতিয়ান

১৪.৭ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰত আৰু বাংলাদেশৰ সম্পৰ্কৰ চমু বিৱৰণ আগবঢ়াব পাৰিব
- বাংলাদেশৰ সৃষ্টিৰ ইতিহাস বৰ্ণনা কৰিব পাৰিব
- ভাৰত আৰু বাংলাদেশৰ সম্পৰ্কৰ বিভিন্ন ধাৰা আলোচনা কৰিব পাৰিব
- ভাৰত-বাংলাদেশ সম্পৰ্কৰ নিৰ্ধাৰকসমূহ চিনাক্তকৰণ কৰিব পাৰিব
- ভাৰত-বাংলাদেশৰ দ্বিপাক্ষিক সম্পৰ্কৰ বিষয়ে ধাৰণা লাভ কৰিব
- ভাৰত-বাংলাদেশৰ সাম্প্ৰতিক সম্পৰ্কৰ ৰূপৰেখা কেনে সেই বিষয়ে আলোচনা কৰিব পাৰিব।

১৪.২ পৰিচয়

ভাৰত আৰু বাংলাদেশ দক্ষিণ এচিয়াৰ দুখন চুবুৰীয়া ৰাষ্ট্ৰ। ১৭০ মিলিয়ন জনসংখ্যাৰে পৃথিৱীৰ ভিতৰত বাংলাদেশ অষ্টম ৰাষ্ট্ৰ। গুৰুত্বপূৰ্ণ কথা যে, বিশ্ব অৰ্থ নীতিৰ বাংলাদেশ অতি প্ৰগতিশীল আৰু দেশখনক 'পূবৰ চমৎকাৰ' বুলি কোৱা হয়।

ভাৰত প্ৰাকৃতিক ভাৱে বাংলাদেশৰ সহযোগী অংশীদাৰ। দুয়োখন দেশৰ উমৈহতীয়া ৪০০০ কিঃ মিঃ ৰ সীমা আছে। বাংলাদেশৰ সৈতে ভাৰতৰ সম্পৰ্ক অতি মধুৰ। ভাৰতৰ সৈতে বাংলাদেশৰ সম্পৰ্ক কৃষিভিত্তিক, সাংস্কৃতিক, সামাজিক আৰু অৰ্থনৈতিক। দুয়োখন দেশক একত্ৰিত কৰিব পৰা বহুতো চহকী উপাদান আছে, যেনে উমৈহতীয়া ইতিহাস আৰু ঐতিহ্য, ভাষিক আৰু সাংস্কৃতিক সম্পৰ্ক, সংগীত, সাহিত্য আৰু কলা।

১৯৭১ চনৰ বাংলাদেশৰ চুক্তি যুদ্ধৰ সময়ত দুয়োখন দেশে মধুৰ সম্পৰ্কেৰে বান্ধ খাইছিল। বাংলাদেশৰ সৃষ্টিৰ ক্ষেত্ৰতহে যে ভাৰত মূল্য ভূমিকা লৈছিল তেনে নহয়, ভাৰতে মতুনকৈ সৃষ্টি বাংলাদেশক সৰ্ব প্ৰথম স্বীকৃত দিছিল আৰু দেশখনৰ সৈতে কূটনৈতিক আৰু বাণিজ্যিক সম্পৰ্কে গঢ়ি তুলিছিল। বাংলাদেশৰ নেতৃত্বয়ো ভাৰতৰ অৰিহণাক স্বীকৃতি দিছে আৰু ভাৰতৰ সৈতে সহয়োগিতাৰে কাম কৰিব বিচাৰে।

১৪.৩ ভাৰত-বাংলাদেশৰ সম্পৰ্ক ঃ ইতিহাস, বিভিন্ন স্তৰ আৰু সাম্প্ৰতিক অৱস্থা

১৪.৩.১ বাংলাদেশৰ সৃষ্টি

বাংলাদেশৰ সৃষ্টিত ভাৰতে গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াইছিল। বাংলাদেশৰ সৃষ্টি ভাৰত-পাকিস্তানৰ মাজৰ ১৯৭১ ঐতিহাসিক যুদ্ধখনৰ ফচল, য'ত পাকিস্তানী সৈন্যই ভাৰতীয় সৈন্যৰ ওচৰত আত্মসমৰ্থন কৰিছিল। ভাৰতীয় সেনাবাহিনীৰ লেফটেনেন্ট জেনেৰেল জে. এচ. আৰোৰৰ ওচৰত পাকিস্তানৰ লেফটেনেন্ট জেনেৰেল নিয়াজীয়ে আত্ম সমৰ্থন কৰিছিল। অত্যাচাৰী পাকিস্তানী শাসনৰ বিৰুদ্ধে এয়া বাংলাদেশী জনগনৰ বিজয়। আৱামী লীগৰ জনপ্ৰিয় নেতা শ্বেখ মুজিবুৰ ৰহমানক গ্ৰেপ্তাৰ কৰি পশ্চিম পাকিস্তানৰ জে'ললৈ নিয়াৰ লগে লগে ১৯৭১ চনৰ মাৰ্চত এই বিপ্লবৰ সূচনা হৈছিল। বাংলাদেশৰ মুক্তি আন্দোলনৰ প্ৰতি ভাৰতৰ পূৰ্ণ সহযোগিতা আছিল। ১৯৭১ ৰ মাৰ্চত বাংলাদেশত এখন অন্তৰ্বতীকালীন চৰকাৰ গঠন কৰা হৈছিল। কিন্তু ভাৰত পাকিস্তানৰ সম্ভাব্য যুদ্ধৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতে সেইখন চৰকাৰক স্বীকৃতি দিয়া নাছিল। কিন্তু, ১৯৭১ডিচেম্বৰৰ ৩ তাৰিখত যেতিয়া যুদ্ধখন পুনৰ আৰম্ভ হোৱাত, ভাৰত আগবাঢ়ি আহিছিল আৰু ১৯৭১ৰ ৬ ডিচেম্বৰত বাংলাদেশৰ প্ৰতি স্বীকৃতি প্ৰদান কৰিছিল। ১৬ ডিচেম্বৰত, ১৯৭১ত পাকিস্তানে আত্মসমৰ্পন কৰিছিল। ১৯৭১ চনৰ শীতত সংঘটিত তেৰদিনীয়া যুদ্ধখনত ভাৰতে ২০,০০০ বীৰ সৈন্যক হেৰুৱাইছিল। উপ-মহাদেশখনৰ বাবে বাংলাদেশৰ সৃষ্টি অতি লেখত ল'বলগীয়া ঘটনা।

১৪.৩.২ ভাৰত-বাংলাদেশ বন্ধুত্ব আৰু শান্তি চুক্তি, ১৯৭২

বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেখ মজিবুৰ ৰহমান ভাৰত (কলকতা) ভ্ৰমণৰ প্ৰতি

ভ্ৰমণৰ হিচাপে ভাৰতৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে ১৯৭২ ৰ মাৰ্চত বাংলাদেশ ভ্ৰমণ কৰিছিল। ভাৰত বাংলাদেশৰ আলোচনাৰ ফচল হিচাপে ১৯ মাৰ্চ, ১৯৭২ ৰ ভাৰত বাংলাদেশৰ বন্ধুত্ব আৰু শান্তি চুক্তিখন স্বাক্ষৰিত হৈছিল। বন্ধুত্ব আৰু শান্তিৰ চুক্তিখন ২৫ বছৰৰ বাবে স্বাক্ষৰিত হৈছিল। আত্ম বলিদানৰ ভিত্তিত সৃষ্টি হোৱা বাংলাদেশ আৰু ভাৰতৰ বন্ধুত্বপূৰ্ণ সম্পৰ্কৰ বিষয়ে চুক্তি খনৰ প্ৰস্তাৱনাত উল্লিখিত আছে। দেশ দুখনৰ মাজৰ যৌথ বৈঠকত এইটো কোৱা হৈছিল যে এই চুক্তিখনে দেশ দুখনৰ মাজৰ একেভাৱাপন্ন দৃষ্টিভংগী, আদৰ্শ আৰু ইচ্ছাক বাস্তবায়িত কৰিছে। চুক্তিখন শান্তি, ধৰ্ম নিৰপেক্ষতা সমাজবাদ আৰু ৰাষ্ট্ৰবাদৰ আদৰ্শেৰে ভৰপূৰ। দুয়োখন দেশে বিশ্ব শান্তি আৰু নিৰাপত্তা সুনিশ্চিত কৰিবলৈ আৰু ঔপনিবেশিকতাবাদ, জাতি প্ৰথা আৰু সাম্ৰাজ্যবাদৰ বিৰুদ্ধে যুঁজিবলৈ বদ্ধ পৰিকৰ সিদ্ধান্ত লৈছিল। দেশ দুখনে পাৰস্পৰিক স্বতন্ত্ৰতা, সাৰ্বভৌমত্ব আৰু একতাক সন্মান জনাবলৈ একমত প্ৰকাশ কৰিছিল আৰু অভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ কৰিবলৈ সিদ্ধান্ত ললে যে তেওঁলোকে ইখনে সিখনক আক্ৰমণ নকৰিব আৰু সামৰিক উদ্দেশ্যৰ বাবে দলীয় ভূ-খণ্ড ব্যৱহাৰ ৰোধ কৰিব। চুক্তিখনত এইটোও কোৱা হৈছিল যে আক্ৰমণৰ সময়ত বা আক্ৰমণৰ সম্ভাৱনা সৃষ্টি লৈ, দেশ দুখনে পাৰস্পৰিক আলোচনাত মিলিত হৈ শান্তি পূৰ্ণ উপায়ৰ মাধ্যমেৰে বিবাদ মীমাংসা কৰিব। শান্তিপূৰ্ণ সহাৱস্থানৰ প্ৰতি দুয়োখন দেশে আনুগত্য প্ৰকাশ কৰিছে। অৰ্থনৈতিক, বৈজ্ঞানিক আৰু প্ৰযুক্তি বিদ্যাৰ ক্ষেত্ৰত, দেশ দুখনে সহযোগিতা কৰিবলৈ সিদ্ধান্ত লৈছিল। জলসিঞ্চন শিক্ষা, সংস্কৃতি আৰু খেলত একেলগে কাম কৰিবলৈ দেশ দুখনে সিদ্ধান্তত উপনীত হৈছিল। ভাৰত-বাংলাদেশ বন্ধুত্ব আৰু শান্তি চুক্তিয়ে দেশ দুখনৰ দ্বিপাক্ষিক ক্ষেত্ৰৰ বিশাল পৰিধি সামৰি লোৱা উপৰিও আন্তঃ ৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তাৰ বিষয়তো গুৰুত্ব আৰোপ কৰিছিল।

১৪.৩.৩ ভাৰত-বাংলাদেশ বাণিজ্য চুক্তি, ১৯৭২

ভাৰত-বাংলাদেশ বন্ধুত্ব আৰু শান্তি চুক্তিৰ পৰবতী পৰ্য্যায়ত, দেশ দুখনৰ মাজত ১৯৭২ৰ ২৫ মাৰ্চত এখন বৰ্দ্ধিত বাণিজ্য চুক্তি স্বাক্ষৰিত হৈছিল। এই হ্ৰস্বম্যাদী চুক্তিখনে দেশ দুখনৰ সীমান্ত আঞ্চলত উমৈহতীয়া ভাৱে ১৬ কিঃমিটাৰলৈ কৰ মুক্ত অঞ্চল সৃষ্টিৰ পোষকতা কৰিছিল। দেশ দুখনৰ নাগৰিকে দিনত এবাৰকৈ সীমা অতিক্ৰম কৰিব পাৰিব আৰু ১০০ টকাতকৈ বেছি লগত ৰাখি অত্যাৱশ্যকীয় বস্তু-বাহানি ক্ৰয় কৰিব যাব নোৱাৰিব। চুক্তি দ্বিতীয় অংশত উল্লেখ আছে যে দেশ দুখনৰ মাজত বছৰি ৫০ কৌটিতকৈ অধিক ব্যৱসায় হ'ব নোৱাৰিব। এইটোৱে বাংলাদেশৰ মাছ, মৰাপাট, চামৰা আৰু বাতৰি-ছপাৰ বজাৰ সুৰক্ষিত খনিজ, যন্ত্ৰ-পাতি আদিৰ ক্ষেত্ৰত থকা বাংলাদেশৰ চাহিদা পূৰণ কৰিবলৈ, ভাৰতে সামগ্ৰীসমূহ যোগান ধৰিব পাৰিব। চুক্তিখনৰ তৃতীয় অংশই বৈদেশিক বিনিয়োগৰ কথা উনুকিয়াইছে। বৈদেশিক

বিনিয়োগৰ মাধ্যমত দেশ দুখনে যিকোনো সামগ্ৰী ক্ৰয় বিক্ৰয় কৰিব পাৰিব।

১৪.৩.৪ মুজিবুৰ ৰহমানৰ হত্যাকাণ্ড আৰু ভাৰত- বাংলাদেশ সম্পৰ্ক

এইটো বিশ্বাস কৰা হৈছিল যে শ্ৰেখ মুজিবুৰ ৰহমান নেতৃত্বাধীন চৰকাৰখন অৰ্থনৈতিক ভাৱে দুৰ্বল আৰু প্ৰশাসনিক ভাৱে জৰাজীৰ্ণ হৈ পৰিছিল। অবিৰতভাৱে মূল্য বৃদ্ধি হৈছিল। ১৯৭৪চনৰ ২৪ ডিচেম্বৰ শ্ৰেখ মুজিবুৰ ৰহমানে জৰুৰীকালীন অৱস্থা ঘোষণা কৰিছিল আৰু দেশৰ ক্ষমতা নিজৰ হাতত কেন্দ্ৰীভূত কৰিছিল। তেওঁ দুৰ্নীতি আৰু স্বজনপ্ৰীতি ৰোধ কৰাত ব্যৰ্থ হৈছিল। তেওঁৰ কাৰ্য্য সম্পাদনৰ শৈলীৰ বহুত অৱনতি ঘটিছিল। তেওঁ চোৰাংচোৱাৰ তথ্য-খবৰক আওকাণ কৰিছিল আৰু ভাবিছিলে যে তেওঁৰ "সন্তানে" তেওঁৰ একো বিপদ নঘটাব। কিন্তু কিছু সংখ্যক সেনাৰ উচ্চ পদস্থ বিষয়াই ১৯৭৫ চনৰ ১৫ আগষ্ট তেওঁৰ বিৰুদ্ধে সামৰিক অভ্যুত্থান কৰিছিল। বাংলাদেশৰ জনক বংগবন্ধু শ্ৰেখ মুজিবুৰে ৰহমানক তেওঁৰ পৰিয়ালৰ সদস্য সমন্বিতে হত্যা কৰা হৈছিল।

সেই সময়তে ভাৰত- বিদ্বেষী কিছুমান শক্তিয়ে বাংলাদেশত গা কৰি উঠিছিল আৰু কালক্ৰমত তেওঁলোকে প্ৰকাশ্য ভাবে ভাৰত- বিদ্বেষী কাম-কাজত লিপ্ত হৈ পৰিছিল। নতুন সামাজিক অভ্যুত্থানৰ সময়ত মৌলবাদে বিকাশ লাভ কৰিছিল আৰু ধৰ্মনিৰপেক্ষতা ধ্বংসৰ গৰাহলৈ ঠেলি দিছিল। চমু সংঘৰ্ষৰ স্থিতি ৰহমানে ক্ষমতা নিজৰ হাতলৈ আহিছিল।

মুজিবুৰ হত্যাৰ পিছৰ সময়ছোৱা ভাৰতৰ বাবে বৰ আহুকলীয়া আছিল। লেফটেনেন্ট জেনেৰেল জিয়াউৰ ৰহমানে কিন্তু, জেনেৰেল জিয়াৰ শাসনকাল সুস্থিৰ হোৱাৰ লগে লগে ভাৰতৰ লগত থকা সম্পৰ্ক স্বাভাৱিক অৱস্থালৈ ঘুৰাই আনিবলৈ চেষ্টা কৰা হৈছিল যাতে ভাৰত- বাংলাদেশৰ সম্পৰ্ক উন্নত কৰিব পাৰি।

অৱশ্যে সামৰিক শাসনে এইটো স্পষ্ট কৰিছিল যে বাংলাদেশ ধৰ্ম নিৰপেক্ষ দেশ নাছিল, যদিও মজিবুৰ ৰহমান নেতৃত্বাধীন বাংলাদেশত সৈন্য বাহিনী ৰাজনীতিত জড়িত নাছিল আৰু দেশখন আছিল ধৰ্মনিৰপেক্ষ,গণতান্ত্ৰিক গণতন্ত্ৰ। ১৯৭৫ ৰ পৰা, বাংলাদেশ পাকিস্তান- প্ৰীতি আৰু বিদ্বেষী শক্তিৰ শাসনৰ নিয়ন্ত্ৰণলৈ আহিছিল। ১৯৮৮ চনত বাংলাদেশৰ সংসদৰ দ্বাৰা গৃহীত সংবিধান সংশোধনী অনুযায়ী, দেশখন এখন ইচলামিক ৰাষ্ট্ৰৰ পৰিণত হৈছিল কিয়নো বাংলাদেশে ইচলামক ৰাষ্ট্ৰ-ধৰ্ম হিচাপে স্বীকৃতি দিছিল। জেনেৰেল জিয়াই আৰম্ভ কৰা বাংলাদেশৰ ইচলামীকৰণ প্ৰক্ৰিয়া ৰাষ্ট্ৰপতি এৰচাদৰ শাসন কালত সম্পূৰ্ণ হৈছিল।

১৪.৩.৫ গংগাৰ পানী ভাগ-বিতৰণ আৰু ফাৰাক্কা বান্ধ

ভাৰত-বাংলাদেশৰ সংঘাতপূৰ্ণ জটিল বিষয়সমূহৰ ভিতৰত অন্যতম হ'ল

গংগাৰ পানী ভাগ বিতৰণ। ভাৰত-বাংলাদেশৰ মাজত পানী ভাগ বিতৰণ বিষয়টো খৰালিৰ সময়ত ছোৱাত জানুৱাৰীৰ পৰা মে'লৈ। আৰু বিশেষভাৱে মধ্য মার্চৰ পৰা মধ্য মে' লৈ পানীৰ সমস্যা অতি তীব্রতৰ হৈ পৰে, কিয়নো এই সময়ত জলস্থৰ অতি নিম্নগামী হয়।

ফাৰাক্কা নদী বান্ধৰ বিষয়টো ভাৰত-পাকিস্থানৰ পূর্বৰ সম্পর্কৰ সময়ৰ পৰাই জটিল আৰু বিবাদমান যিটো বিষয়ৰ ভাৰত বাংলাদেশৰ সম্পর্কটো অৱনমিত কৰিছে। যেতিয়া 'বাংলাদেশ' নতুন ৰাষ্ট্রখনৰ সৃষ্টি হৈছে। বাংলাদেশ পূর্ব পাকিস্তান হিচাপে থাকোঁতেই, ১৯৬২-৭১ চনৰ সময়ছোৱাত, ভাৰতে ফাৰাক্কা নদী-বান্ধটো নির্মাণ কৰিছিল। বান্ধটোৰ নির্মাণৰ প্রধান উদ্দেশ্য আছিল কলকাতা জাহাজ ঘাটটো সুৰক্ষিত কৰা আৰু চোৱাচিতা কৰা, কাৰণ এই ঘাটটো নির্মাণৰ যোগেদি যদিও কলকাতা বন্দৰটো সুৰক্ষিত হৈছিল, তথাপি ইয়াৰ যোগেদি হোৱা জলধাৰাৰ গতি সলনিয়ে আন্তঃৰাষ্ট্রীয় বাণিজ্যক প্রভাৱিত কৰিছিল আৰু ভূল বুজাবুজিৰ কাৰণ হৈ পৰিছিল।

১৯৭২ চনত মুজিবুৰ- ইন্দিৰা চুক্তি অনুসৰি এখন "যুটীয়া নদী আয়োগ" গঠন কৰা হৈছিল। ১৯৭৪ চনত মুজিবুৰ ৰহমানৰ ভাৰত ভ্রমণৰ পিছত গংগাৰ জন বিচাৰনৰ বাবে অস্থায়ীভাৱে এখন চুক্তি স্বাক্ষৰিত হৈছিল। সেই চুক্তিখন আনুষ্ঠানিকভাৱে ১৯৭৫ ত স্বাক্ষৰিত হৈছিল য'ত এইটো সিদ্ধান্ত লোৱা হৈছিল যে খৰালিৰ দিনত ছয় সপ্তাহৰ বাবে গংগাৰ পানীৰ আশী শতাংশ এৰি দিয়া হ'ব। সম্প্রীতিৰ বাবে ভাৰতৰ এয়া ঐতিহাসিক পদক্ষেপ, কিন্তু ১৯৭৫ চনৰ আগষ্টত সংঘটিত হোৱা মুজিবুৰ ৰহমানৰ হত্যাকাণ্ডৰ লগে লগে ভাৰত-বিদ্বেষী শক্তি প্রবল হৈ পৰিছিল আৰু দেশ দুখনৰ সম্পর্কত অৱনতি ঘটিছিল। সমসাময়িক ভাৱে ১৯৭৫ চনৰ মে মাহত চুক্তিখনৰ সময়সীমা উকলি গৈছিল।

মোৰাৰজী দেশাইৰ নেতৃত্বাধীন ভাৰত চৰকাৰে চুবুৰীয়া দেশ সমূহৰ লগত সম্পর্কৰ পুনৰুদ্ধাৰৰ বাবে চেষ্টা কৰিছিল। দ্বিপাক্ষিক আলোচনাৰ পিচত পাঁচ বছৰৰ বাবে ১৯৭৭ চনৰ নৱেম্বৰত দেশ দুখনে গংগাৰ পানী ভাগ- বিতৰণৰ বাবে আন এখন চুক্তি স্বাক্ষৰ কৰিছিল। ১৯৭৭ চনৰ চুক্তিখনে সমস্যাটোৰ আংশিক সমাধান আগবঢ়াইছিল য'ত খৰালিৰ সময়ত পানীৰ ভাগ-বিতৰণৰ কথাহে উল্লেখ আছিল।

১৯৭৭ চনৰ এই চুক্তিখনৰ ম্যাদ ১৯৮২ চনৰ ৩০ মে' শেষ হৈছিল আৰু আন এখন চুক্তি স্বাক্ষৰ কৰিব লগা হৈছিল। সেই সময়ৰ বাংলাদেশৰ ৰাষ্ট্রপতি জেনেৰেল এৰচাদ আৰু ভাৰতৰ প্রধানমন্ত্রী ইন্দিৰা গান্ধীৰ মাজৰ বৈঠকে দেশ দুখনৰ সম্পর্কত নতুন দিগন্তৰ সূচনা কৰিছিল। ১৯৪২ চনত দেশ দুখনৰ মাজত এখন বুজা-পৰাৰ চুক্তি হৈছিল আৰু ১৯৭৭ ৰ চুক্তি খনৰ ম্যাদ ১৮ মাহৰ বাবে বৃদ্ধি কৰা হৈছিল। ১৯৮৩ আৰু ১৯৮৬ চনত চুক্তিখন নবীকৰণ কৰা হৈছিল। ১৯৮৮

চনত শেহতীয়াভাৱে চুক্তিখন বাতিল কৰা হৈছিল আৰু ভাৰতে অর্ধ-হাৰত পানী এৰি দিয়াৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল।

১৪.৩.৬ নতুন মোৰে দ্বীপপুঞ্জ বিবাদ

ভূ-খণ্ড সংক্ৰান্তীয় কিছু বিবাদেও ভাৰত-বাংলাদেশ সম্পৰ্কক প্ৰভাৱিত কৰিছিল। এইবোৰৰ ভিতৰত অন্যতম আছিল- নতুন মোৰে দ্বীপপুঞ্জ বিবাদ, তিনি বিঘা ভূ-খণ্ডৰ বিবাদ আৰু বেলোনিয়া খণ্ডৰ মুহুনী চৰ সংঘাত।

এই তিনিটা সংঘাতৰ ভিতৰত অতি গুৰুত্বপূৰ্ণ আছিল বংগোপসাগৰৰ নতুন মোৰে দ্বীপপুঞ্জ সংক্ৰান্তীয় বিবাদ। দুয়োখন দেশে সেই ভূ-খণ্ডৰ ওপৰত সাৰ্বভৌমত্ব দাবী কৰে। এই দ্বীপপুঞ্জটো ১৯৭০ চনত ঘূৰ্ণীবতাহ আৰু জোৱাৰ ভাতাৰ ফলত সৃষ্টি হৈছিল। ভাৰতে দ্বীপপুঞ্জটো আৱিস্কাৰ কৰিছিল। দ্বীপপুঞ্জটোৰ ওপৰত নিজৰ দাবী বাংলাদেশৰ ১৯৭৮ ত দখল নিৰ্মানৰঅর্থে সিদ্ধান্ত ল'বলৈ দেশ দুখনে ১৯৭৯ ত জৰীপ কৰিবলৈ সিদ্ধান্ত লৈছিল। দেশদুখনৰ মাজৰ এই দ্বীপপুঞ্জ কেন্দ্ৰীক বিতর্ক ১৯৮১ ৰমে মাহত তুংগত উঠিছিল, যেতিয়া জৰীপৰ বাবে যোৱা "সন্ধ্যাক" নামৰ ভাৰতীয় জাহাজখনক ভীতি প্ৰদর্শন কৰিবলৈ বাংলাদেশে কিছু সংখ্যক বন্ধুকবাহী নাও পঠিয়াইছিল। জাহাজখন উদ্ধাৰ কৰিবলৈ ভাৰতেও উদ্ধাৰকাৰী দল পঠিয়াইছিল। এই ঘটনাৰাজিয়ে দেশ দুখনৰ সম্পৰ্কৰ বহুত অৱনতি ঘটাইছিল। দুয়োখন দেশৰ বৈদেশিক মন্ত্ৰী পর্য্যায়ৰ বৈঠকে কিছু পৰিমানে উত্তেজনা হ্ৰাস কৰিছিল। এই বৈঠকত এই টো সিদ্ধান্ত লোৱা হৈছিল যে নতুন মোৰে দ্বীপপুঞ্জৰ সকলো তথ্য সচিব পর্য্যয়ত আলোচনাত পর্য্যালোচনা কৰা হ'ব। কিন্তু, কোনো স্থায়ী সমাধানত উপনীত হ'ব পৰা নগ'ল আৰু বিষয়টো এতিয়াও বিবাদমান।

১৪.৩.৭ অন্যান্য দ্বিপাক্ষিক বিষয়সমূহ

আন কিছুমান বিষয়েও ভাৰত- বাংলাদেশৰ সম্পৰ্কক উদ্বেগপূৰ্ণ কৰি ৰাখিছে। বাংলাদেশৰ অস্থিৰ অৱস্থাৰ বাবে দেশখনৰ পৰা ভাৰতলৈ হোৱা প্ৰব্ৰজনে দেশ দুখনৰ সম্পৰ্কক উদ্বেগপূৰ্ণ কৰিছিল। বর্দ্ধিত হাৰত বাংলাদেশৰ পৰা হোৱা অবৈধ জন-প্ৰব্ৰজনে ভাৰতৰ কিছুমান ৰাজ্য যেনে - পশ্চিম বংগ, মেঘালয়, অসম, ত্ৰিপুৰা আৰু মিজোৰামৰ প্ৰতি প্ৰবল সামাজিক, অর্থনৈতিক আৰু ৰাজনৈতিক সমস্যা আৰু সংকতৰ সৃষ্টি কৰিছে। প্ৰব্ৰজন ৰোধৰ বাবে ভাৰতে সীমান্ত অঞ্চলত বেৰ নিৰ্মাণ কৰিব বিচৰা সিদ্ধান্তক বাংলাদেশে সহজভাৱে লোৱা নাই।

ভাৰত বাংলাদেশৰ সম্পৰ্কক অৱনমিত কৰা আন এটি বিষয় হ'ল চাকমা সমস্যা, চাকমা শৰনার্থীৰ বেছি সংখ্যকেই ত্ৰিপুৰাত বসবাস কৰি আছে। বাংলাদেশৰ পৰা অহা বর্ধিত চাকমা শৰনার্থীৰ ভাৰত- বংগৰ সম্পৰ্ক দ্ৰুত হাৰত অৱনতি কৰিছে।

১৯৮৬ চনৰ ১৫ জুলাইত ৰাষ্ট্রপতি এৰচাদে চাকমা সকলক ওভতাই নিব বুলি দিয়া নিশ্চিতিয়ে দেশ দুখনৰ সম্পৰ্কক কিছু পৰিমানে উন্নত কৰিছিল। কিন্তু বাংলাদেশে এই নিশ্চিতি পূৰণ কৰিব পৰা নাছিল আৰু ত্রিপুৰা আৰু মিজোৰামলৈ চাকমা সকলক প্রব্রজন অব্যাহত আছিল। অৱশ্যে ১৯৯৪ ৰ সময়ছোৱাৰ আলোচনাই ত্রিপুৰাৰ পৰা চাকমাসকলক বাংলাদেশৰ চিত্তাগোং পাহাৰীয়া এলেকালৈ নিয়াৰ বাবে বাট মুকলি কৰিছিল।

১৯৪৪ চনৰ জুনত বাংলাদেশক ইচলামিক ৰাষ্ট্র হিচাপে ৰাষ্ট্রপতি এৰচাদে কৰা ঘোষণাই দেশ দুখনৰ সম্পৰ্ক অধিক উদ্বেগজনক কৰিছিল। বাংলাদেশত থকা ধর্মীয় সংখ্যালঘুৰ ভৱিষ্যতৰ বিষয়টোৱে ভাৰতক চিন্তিত কৰিছিল। ১৯৯২ চনৰ ডিচেম্বৰত অযোধ্যাৰ বাবৰি মচজিদ ধ্বংসৰ লগে লগে ঢাকা, চিত্তাগোং আৰু অন্য ঠাইৰ মন্দিৰ সমূহৰ ওপৰত আক্রমণ চলোৱা হৈছিল। ইয়াৰ পৰিপ্রেক্ষিতত বাংলাদেশত থকা অনা-মুছলমানসকল ভাৰতলৈ প্রব্রজন হৈছিল যিটোৱে দেশ দুখনৰ সম্পৰ্কৰ অৱনতি ঘটাইছিল। সন্দেহৰ বাবে দেশ দুখনৰ মাজত দ্বি-পাক্ষিক আলোচনা অনুষ্ঠিত কৰিব পৰা নগৈছিল। সীমা-অতিক্রমি পাৰস্পৰিক ভাৱে সন্ত্রাসবাদক উচতোৱা বুলি দেশ দুখনে এখনে আন খনক দোষাৰোপ কৰিছিল। বাংলাদেশে দাবী কৰিছিল যে চিত্তাগোং পাহৰীয়া এলেকাত থকা জাতি জনজাতিৰ মুক্তি বাহিনীক ভাৰতে উচতাইছে আৰু সমর্থন কৰিছে। আনহাতে, ভাৰতে দাবী কৰিছে যে ত্রিপুৰাৰ TNVগৈৰিলা আৰু অসমৰ ULFA লৈ বাংলাদেশে সহায়ৰ হাত আগবঢ়াই আহিছে।

তিন বিঘা অঞ্চলৰ পৰিপ্রেক্ষিততো ভাৰত-বাংলাৰ সম্পৰ্ক বহুত অৱনমিত হৈছে। ভাৰতীয় ভূখণ্ড তিন বিঘা অঞ্চলৰ যোগেদি বাংলাদেশৰ মূল ভূ-খণ্ডৰ পৰা দেশখনৰ দুটা বন্ধ অঞ্চল যাৰ নাম দাহা-গ্রাম আৰু আংগাৰপোতা বিচ্ছিন্ন হৈছে। এই অঞ্চলটো বাংলাদেশৰ মূল ভূ-খণ্ড আৰু সেই দুই 'বন্ধ' অঞ্চলৰ আটাইতকৈ ওচৰৰ। ভিন্ন ভিন্ন অঞ্চলৰ মাজেৰে বাংলাদেশী নাগৰিকৰ অহা-যোৱা সূচল কৰিবলৈ ১৯৪২ চনত বাংলাদেশৰ ৰাষ্ট্রপতি এৰচাদ আৰু ভাৰতীৰ প্রধানমন্ত্রী ইন্দিৰা গান্ধীৰ মাজত স্বাক্ষৰিত এক চুক্তিৰ যোগেদি চেষ্টা কৰা হৈছিল।

এনেবোৰ বাধা থকা স্বত্বেও দুয়োখন দেশৰ নেতৃবৃন্দই দেশ দুখনৰ সম্পৰ্ক উন্নত কৰিবলৈ অহোপুৰুষার্থ কৰি আহিছে।

১৪.৩.৮ সমসাময়িক সময়ত ভাৰত-বাংলাদেশৰ সম্পৰ্ক

কেন্দ্রৰ সন্মিলিত চৰকাৰে একক আৰু সূলভ বাণিজ্যিক প্রসাৰণৰ আঁচনি গ্রহণ কৰাৰ পিছৰ পর্য্যায়ৰ পৰা ভাৰত বাংলাদেশৰ সম্পৰ্ক উন্নত হ'বলৈ আৰম্ভ কৰিছিল। দীর্ঘদিনীয়া জল-বিতৰণ বিবাদ মীমাংসাৰ বাবে দুয়োখন দেশৰ প্রধানমন্ত্রীয়ে ১৯৯৬ চনৰ ডিচেম্বৰ মাহত ৩০ বছৰৰ বাবে জল- বিতৰন চুক্তি স্বাক্ষৰিত কৰিছিল।

সন্ত্রাসবাদ আৰু উগ্রবাদ নির্মূলকৰণৰ বাবে দুয়োখন দেশে সহযোগিতাৰে বাস কৰিবলৈ সন্মতি প্রকাশ কৰিছে। ইখন দেশৰ ভূ-খণ্ডত আনখন দেশৰ সন্ত্রাসবাদীয়ে কূটাঘাত কৰিবলৈ ব্যৱহাৰ কৰিব নোৱাৰে, তাৰ বাবে দেশ দুখনে একমত প্রকাশ কৰিছে। ভাৰত বাংলাৰ আন এটি অন্যতম মাইলৰ খুঁটি হৈছে বাংলাদেশ চৰকাৰৰ আৰু ঢাকাৰ শৰণার্থী নেতৃত্বৰ মাজত স্বাক্ষৰিত চুক্তিখন, যিখনৰ যোগেদি চাকমা শৰণার্থীসকলক বাংলাদেশলৈ প্রত্যার্পন কৰা বাবে মুকলি হ'ব।

দুয়োখন দেশৰ মাজত সোহাদ্যপূর্ণ সম্পর্ক আৰু অধিক উন্নত কৰাৰ স্বার্থত ১৯৯৯ চনৰ ২০ জুনত ভাৰতৰ প্রধানমন্ত্রী অটল বিহাৰী বাজপেয়ীয়ে কলকতা-ঢাকা বাছ সেৱাৰ শুভাৰম্ভ কৰিছিল। এইটো আশা কৰা হৈছিল যে এই ঐতিহাসিক বাছসেৱাই দেশ দুখনৰ জনগণৰ মাজৰ সম্পর্ক আৰু অধিক মধুৰ কৰিব আৰু সামাজিক- অর্থনৈতিক উন্নতি আৰু বিকাশত গুৰুত্বপূর্ণ অৰিহনা যোগাব।

১৯৯৯ ৰ ২০ জুনত দুয়োখন দেশে আন এখন চুক্তি সম্পাদিত কৰিছিল, য'ত বাংলাদেশৰ বিকাশৰ পৰিকাঠামো নির্মাণৰ বাবে ভাৰতে ২০০ কৌটি টকা দিবলৈ ৰাজী হৈছিল। সম্পর্ক আৰু অধিক উন্নত কৰিবলৈ কিছুমান নির্বাচিত বাংলাদেশী সামগ্রীৰ ওপৰত ভাৰতে শুল্ক ৰেহাই দিবলৈ সন্মতি প্রকাশ কৰিছিল।

১৯৯৯ চনৰ জুলাইত বাংলাদেশৰ পথ আৰু জলপথেৰে ভাৰতৰ সামগ্রী এটা বন্দৰৰ পৰা আন এটা বন্দৰলৈ নিয়াৰ বাবে আন্তঃৰাষ্ট্রীয় পৰিবহনৰ সুচলতা নিৰীক্ষণ কৰিবলৈ বাংলাদেশে সন্মতি প্রদান কৰিছিল। দক্ষিণ এছিয়াৰ ভিতৰত সামগ্রীৰ আন্তঃ ৰাষ্ট্রীয় পৰিবহনৰ ক্ষেত্রত এই সিদ্ধান্ত আছিল ঐতিহাসিক। চোৰাং ব্যৱসায়, নাৰী আৰু শিশু সৰবৰাহ আৰু অস্ত্রৰ সৰবৰাহ ৰোধ কৰিবলৈ সীমা নির্ধাৰণৰ অর্থে দুয়ো দেশে সহমতত উপনীত হৈছিল।

দেশ দুখনৰ মাজত থকা বন্ধুত্ব সম্পর্ক আৰু অধিক দৃঢ় কৰিবলৈ, ২০০০ চনৰ জানুৱাৰীত ভাৰতৰ ৰাজ্যিক বৈদেশিক মন্ত্রী অজিত পাঞ্জাই বাংলাদেশলৈ ভ্রমণ কৰিছিল। আগৰতলা আৰু ঢাকাৰ মাজত বাছ সেৱা শুভাৰম্ভ কৰিবলৈ দুয়োখন দেশৰ সন্মতি প্রদান কৰিছিল। মৎস্য পালন, মৰাপাট উৎপাদন আৰু খেতি, পশুপালন, জৈৱ প্রযুক্তি, বিজ্ঞান আৰু প্রযুক্তি, খাদ্য- প্রস্তুত আদি বিভিন্ন ক্ষেত্রত সহযোগিতা বৃদ্ধিৰ অর্থে দুয়োখন দেশে বিভিন্ন ক্ষেত্রত উপনীতি হৈছিল।

চাৰি দশক জোৰা সীমা বিবাদ নিস্পত্তিৰ বাবে ২০১১ চনৰ চেপ্তেম্বৰ মাহত সীমা নির্ধাৰণ কৰিবলৈ দুয়োখন দেশে এখন গুৰুত্বপূর্ণ চুক্তি স্বাক্ষৰিত কৰিছিল। এই চুক্তিখন তিন বিঘা চুক্তি হিচাপে জনাজাত। বিশৃংখলভাৱে অনস্থিত হৈ থকা ৫১,০০০ জনসংখ্যাৰ আবাসস্থলী ভাৰতৰ ১১১ 'বন্ধ' অঞ্চল আৰু বাংলাদেশৰ ৫১ টা 'বন্ধ' অঞ্চল পৰস্পৰে বিনিময় কৰিবলৈ, এই চুক্তিৰ ধাৰা দেশ দুখনে অংগীকাৰ কৰিছিল।

২০১৩ চনৰ নৱেম্বৰৰ পৰা ৰাগাহ সীমান্তত উৎযাপিত উৎসৱৰ দৰে প্ৰেট্ৰাপ'ল (ভাৰতৰ পশ্চিমবংগত) বেনাপ'ল (বাংলাদেশত) সীমান্তত সৌহাদ্যপূৰ্ণ উৎসৱ উৎযাপন কৰাৰপ্ৰথা আৰম্ভ হৈছিল । এই উৎসৱৰ অংশ হিচাপে এতিয়া দৈনিক অভিবাদন, প্ৰদৰ্শনআৰু দুয়োখন দেশৰ পতাকা নমোৱা কাৰ্য্য চলি আহিছে। নিশ্চিতভাৱে দেশ দুখনৰ সম্পৰ্ক অধিক মধুৰ কৰিছে।

২০১৫ চনৰ বৰ্ষটো ভাৰত-বাংলাদেশৰ সম্পৰ্কৰ ইতিহাসত অতি গৌৰৱোজ্জ্বল। ভূমি-সীমা চুক্তিৰ ৰূপায়ন উত্তৰ- পূবৰ জনগণৰ সুবিধাৰ বাবে পৰিবহনৰ পাৰপত্ৰ প্ৰদান, শক্তি ক্ষেত্ৰত সহযোগিতা, অৰ্থনৈতিক তথা বাণিজ্যৰ বিকাশ, নিৰাপত্তাসবলীকৰণ, দ্বিপাক্ষিক বাণিজ্যৰ উন্নতি আৰু সীমা- অতিক্ৰমী সহযোগিতা আদি বিভিন্ন ক্ষেত্ৰত দেশ দুখনে সহযোগিতাৰে কাম কৰিবলৈ কেতবোৰ গুৰুত্বপূৰ্ণ সুদূৰ প্ৰসাৰী সফলতা লাভ কৰিছে।

২০১৫ ৰ জুনৰ ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ বাংলাদেশ ভ্ৰমণকালত দেশ দুখনে ২২ খন চুক্তি স্বাক্ষৰিত কৰিছিল। এই চুক্তিসমূহ পথ, ৰেলপথ, জলপথ, ব্যৱসায়, নিৰাপত্তা, বাণিজ্য, অৰ্থনৈতিক পৰিকাথামো, বিজ্ঞান আৰু প্ৰযুক্তি আৰু সাংস্কৃতিক সহযোগিতা আদিৰ সৈতে জড়িত। সেই ভ্ৰমনৰ সময়তেই ভাৰতে বাংলাদেশক ২ বিলিয়ন আমেৰিকান ডলাৰৰ ঋণ দিছিল আৰু ৫ বিলিয়ন বিনিয়োগ কৰিব বুলিও ঘোষণা কৰিছিল।

কেইবা দশক জোৱা অনিশ্চয়তা আঁতৰ কৰি, ২০১৫ চনৰ ৩১ জুলাই তাৰিখে 'বন্ধ' অঞ্চলত থকা প্ৰায় ৫০,০০০ লোকে ভাৰত বা বাংলাদেশৰ নাগৰিক হিচাপে পূৰ্ণ মৰ্যাদা লাভ কৰিছিল। 'বন্ধ' অঞ্চলৰ বহু বিতৰ্কিত অনিশ্চয়তা দূৰ কৰিবলৈ দেশ দুখনে ১৬২ টা তেনে অঞ্চলত বসবাস কৰা জনগণক তেওঁলোকেৰ ইচ্ছা অনুয়ায়ী কোনো এখন নিজৰ কৰি ল'বলৈ দুয়োখন দেশে এক ঐতিহাসিক পদক্ষেপ লৈছিল। ভাৰতৰ ফালে থকা ৫১ টা 'বন্ধ' বাংলাদেশী ভূ-খণ্ডৰ ১৪,২১৪ জন বাংলাদেশী নাগৰিকে ভাৰতৰ নাগৰিকত্ব লাভ কৰিছিল; সেইদৰে বাংলাদেশত ১১১ টা 'বন্ধ' ভূ-খণ্ডত থকা ভাৰতীয় লোকে বাংলাদেশত থকাৰ ইচ্ছা প্ৰকাশ কৰিছিল।

আকৌ, ২০১৭ চনৰ এপ্ৰিলত, বাংলাদেশী প্ৰধানমন্ত্ৰী শ্বেখ হাচিনাৰ চাৰিদিনীয়া ভাৰত ভ্ৰমণ কালত দুয়োখন দেশে দুখন সামৰিক নিৰাপত্তাজনিত চুক্তি সম্পাদন কৰিছিল। এই চুক্তি দুখন সামৰিক নিৰাপত্তাৰ ক্ষেত্ৰত ভাৰত আৰু চুবুৰীয়া ৰাষ্ট্ৰ সমূহৰ মাজত সেই ক্ষেত্ৰত স্বাক্ষৰিত চুক্তি সমূহৰ ভিতৰত প্ৰথম। সেই চুক্তি



মৰ্মে, দেশ দুখনে উমৈহতীয়া সামৰিক অনুশীলন আৰু প্ৰশিক্ষণ অনুষ্ঠিত কৰিব।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ বাংলাদেশৰ উত্থান সম্পৰ্কে চমুকৈ লিখক।

.....

.....

প্ৰশ্ন নং ২ ঃ ১৯৭২ চনৰ ভাৰত- বাংলাদেশৰ বন্ধুত্ব আৰু শান্তি চুক্তিৰ বিষয়ে বৰ্ণনা কৰক।

.....

.....

১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰত আৰু বাংলাদেশ দক্ষিণ এচিয়াৰ দুখম চুবুৰীয়া ৰাষ্ট্ৰ। ভাৰত বাংলাদেশৰ প্ৰাকৃতিক অংশীদাৰ।
- বাংলাদেশ সৃষ্টিত ভাৰতে অগ্ৰণী ভূমিকা লৈছিল।
- অকল সৃষ্টিতে নহয়, বাংলাদেশৰ প্ৰথমে স্বীকৃতি দি কূটনৈতিক সম্পৰ্ক স্থাপন কৰা ৰাষ্ট হিচাপে ভাৰতৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ।
- দুয়োখন দেশক বহুকেইটা দিশে একত্ৰিত কৰি ৰাখিছে, উমৈহতীয়া ইতিহাস আৰু ঐতিহ্য, ভাষিক আৰু সাংস্কৃতিক সম্পৰ্ক, সংগীত, সাহিত্য আৰু কলা।
- ২৫ বছৰৰ বাবে ১৯৭২ চনৰ ১৯ মাৰ্চত, ভাৰত আৰু বাংলাদেশৰ মাজত বন্ধুত্ব আৰু শান্তি চুক্তিখন স্বাক্ষৰিত হৈছিল।
- বন্ধুত্ব আৰু শান্তি চুক্তিখনে দ্বি পাক্ষিক সম্পৰ্কৰ উপৰিও আন্তঃ ৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তাৰ দিশকো সামৰি লৈছিল।
- ১৯৭৫ ৰ ১৫ আগষ্টত হোৱা সামৰিক অভ্যুত্থানত বাংলাদেশৰ জনক 'বংগ বন্ধু' শ্বেখ মুজিবুৰ ৰহমানক হত্যা কৰা হৈছিল।
- মুজিবুৰ ৰহমানৰ হত্যাৰ পৰৱৰ্তী সময়ছোৱাত ভাৰতত অস্থিৰতাৰ সৃষ্টি হৈছিল। জেনেৰেল জিয়াৰ ক্ষমতা আহৰণৰ পিছত, ভাৰত-বাংলাদেশৰ সম্পৰ্ক উন্নত আৰু স্বাভাৰিক কৰিবলৈ চেষ্টা কৰা হৈছিল।
- গংগাৰ জল-বিতৰণ ভাৰত-বাংলাদেশৰ জটিল সম্পৰ্কৰ অন্যতম মূল কাৰক।
- ফাৰাক্কা নদী বান্ধ বিতৰ্ক আছিল ভাৰত - বাংলাদেশৰ তিক্ত সম্পৰ্কৰ আন এটি বিষয়।

- ভূ-খণ্ড সম্পৰ্কীয় বিষয়তো দেশ দুখনৰ মাজত অস্থিৰতা পূৰ্ণ বিবাদ আছে। এই বোৰৰ অন্যতম নতুন মোৰে দ্বীপপুঞ্জ, তিন বিঘা অঞ্চল আৰু বেলোনিয়া অঞ্চলৰ মুহুনী চৰ।
- ভাৰত আৰু বাংলাদেশৰ সম্পৰ্কক বিঘ্নিত কৰি উত্তেজনা সৃষ্টি কৰা আন কেতবোৰ বিষয়ৰ অন্যতম হ'ল বাংলাদেশৰ পৰা অবৈধ প্ৰবজন, চাকমা শৰণাৰ্থী, সন্ত্ৰাসবাদীক আশ্ৰয় প্ৰদান আৰু বাংলাদেশক ইচলামিক ৰাষ্ট্ৰ ঘোষণা।
- এনেবোৰ বাধা থকা সত্বেও দেশ দুখনৰ নেতৃত্বই দুয়োখন দেশৰ সম্পৰ্ক উন্নত কৰিবলৈ তেওঁলোকৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে।
- ১৯১৫ চনটো ভাৰত-বাংলাদেশ মৈত্ৰী সম্বন্ধৰ এখিলা বিশেষ পৃষ্ঠা ৰূপে পৰিগণিত হ'ব। বিভিন্ন দ্বিপাক্ষিক বিষয়ত দুয়োখন দেশ যথেষ্ট কৃতকাৰ্যতাৰ মুখ দেখিছে।

১৪.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গোঁহাই, নবীন আৰু মমী দত্ত কটকী (২০১৩) ঃ *ভাৰতৰ বৈদেশিক নীতি*। যোৰহাট বিদ্যা ভৱন।

২) বৰুৱা, ড° দেৱ প্ৰসাদ (২০০৯)ঃ *ভাৰতৰ বৈদেশিক নীতি*। গুৱাহাটী ঃ স্বস্তিকা প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

১) Bandyopadhyaya, Jayantanuja (2003). *The Making of India's Foreign Policy*. New Delhi: Allied Publishers Pvt. Ltd.

২) Biju, M.R. (2001). *New Horizons of Indian Foreign Policy.* Delhi: Authorpress

৩) Chander, Prakash and Prem Arora (2000). *International Relations*. New Delhi: Cosmos Bookhive Pvt. Ltd.

৪) Chhabra, H.K. (1989). *Foreign Policies of Major Countries*. Delhi: Surjeet Publications

৫) Dutt, V.P. (2011). *India's Foreign Policy in a Changing World*. Noida: Vikas Publishing House Pvt. Ltd.

৬) Khanna, V.N. (2001). *Foreign Policy of India*. New Delhi: Vikas Publishing House Pvt. Ltd.

১৪.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ বাংলাদেশৰ সৃষ্টিত ভাৰতে গুৰুত্বপূর্ণ অৰিহণা আগবঢ়াইছিল। বাংলাদেশৰ সৃষ্টি ভাৰত-পাকিস্তানৰ মাজৰ ১৯৭১ ঐতিহাসিক যুদ্ধখনৰ ফচল, য'ত পাকিস্তানী সৈন্যই ভাৰতীয় সৈন্যৰ ওচৰত আত্মসমর্থন কৰিছিল। ভাৰতীয় সেনাবাহিনীৰ লেফটেনেন্ট জেনেৰেল জে. এচ. আৰোৰৰ ওচৰত পাকিস্তানৰ লেফটেনেন্ট জেনেৰেল নিয়াজীয়ে আত্ম সমর্থন কৰিছিল। অত্যাচাৰী পাকিস্তানী শাসনৰ বিৰুদ্ধে এয়া বাংলাদেশী জনগনৰ বিজয়। আৱামী লীগৰ জনপ্রিয় নেতা শ্বেখ মুজিবুৰ ৰহমানক গ্রেপ্তাৰ কৰি পশ্চিম পাকিস্তানৰ জে'ললৈ নিয়াৰ লগে লগে ১৯৭১ চনৰ মার্চত এই বিপ্লবৰ সূচনা হৈছিল। বাংলাদেশৰ মুক্তি আন্দোলনৰ প্রতি ভাৰতৰ পূর্ণ সহযোগিতা আছিল। ১৯৭১ ৰ মার্চত বাংলাদেশত এখন অন্তর্বর্তীকালীন চৰকাৰ গঠন কৰা হৈছিল। কিন্তু ভাৰত পাকিস্তানৰ সম্ভাব্য যুদ্ধৰ প্রতি লক্ষ্য ৰাখি ভাৰতে সেইখন চৰকাৰক স্বীকৃতি দিয়া নাছিল। কিন্তু, ১৯৭১ডিচেম্বৰৰ ৩ তাৰিখত যেতিয়া যুদ্ধখন পুনৰ আৰম্ভ হোৱাত, ভাৰত আগবাঢ়ি আহিছিল আৰু ১৯৭১ৰ ৬ ডিচেম্বৰত বাংলাদেশৰ প্রতি স্বীকৃতি প্রদান কৰিছিল। ১৬ ডিচেমম্বৰত, ১৯৭১ত পাকিস্তানে আত্মসমর্পন কৰিছিল। ১৯৭১ চনৰ শীতত সংঘটিত তেৰদিনীয়া যুদ্ধখনত ভাৰতে ২০,০০০ বীৰ সৈন্যক হেৰুৱাইছিল। উপ-মহাদেশখনৰ বাবে বাংলাদেশৰ সৃষ্টি অতি লেখত ল'বলগীয়া ঘটনা।

২ নং প্রশ্নৰ উত্তৰ ঃ বাংলাদেশৰ প্রধানমন্ত্রী শ্বেখ মজিবুৰ ৰহমান ভাৰত (কলকতা) ভ্রমণৰ প্রতি ভ্রমণৰ হিচাপে ভাৰতৰ প্রধানমন্ত্রী ইন্দিৰা গান্ধীয়ে ১৯৭২ ৰ মার্চত বাংলাদেশ ভ্রমণ কৰিছিল। ভাৰত বাংলাদেশৰ আলোচনাৰ ফচল হিচাপে ১৯ মার্চ, ১৯৭২ ৰ ভাৰত বাংলাদেশৰ বন্ধুত্ব আৰু শান্তি চুক্তিখন স্বাক্ষৰিত হৈছিল। বন্ধুত্ব আৰু শান্তিৰ চুক্তিখন ২৫ বছৰৰ বাবে স্বাক্ষৰিত হৈছিল। আত্ম বলিদানৰ ভিত্তিত সৃষ্টি হোৱা বাংলাদেশ আৰু ভাৰতৰ বন্ধুত্বপূর্ণ সম্পর্কৰ বিষয়ে চুক্তি খনৰ প্রস্তাৱনাত উল্লিখিত আছে। দেশ দুখনৰ মাজৰ যৌথ বৈঠকত এইটো কোৱা হৈছিল যে এই চুক্তিখনে দেশ দুখনৰ মাজৰ একেভাৱাপন্ন দৃষ্টিভংগী, আদর্শ আৰু ইচ্ছাক বাস্তবায়িত কৰিছে। চুক্তিখন শান্তি, ধর্ম নিৰপেক্ষতা সমাজবাদ আৰু ৰাষ্ট্রবাদৰ আদর্শেৰে ভৰপূৰ। দুয়োখন দেশে বিশ্ব শান্তি আৰু নিৰাপত্তা সুনিশ্চিত কৰিবলৈ আৰু ঔপনিবেশিকতাবাদ, জাতি প্রথা আৰু সাম্রাজ্যবাদৰ বিৰুদ্ধে যুঁজিবলৈ বদ্ধ পৰিকৰ সিদ্ধান্ত লৈছিল। দেশ দুখনে পাৰস্পৰিক স্বতন্ত্রতা, সার্বভৌমত্ব আৰু একতাক সন্মান জনাবলৈ একমত প্রকাশ কৰিছিল আৰু অভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ কৰিবলৈ সিদ্ধান্ত ললে যে তেওঁলোকে ইখনে সিখন আক্রমণ নকৰিব আৰু সামৰিক উদ্দেশ্যৰ বাবে দলীয় ভূ-খণ্ড ব্যৱহাৰ ৰোধ কৰিব। চুক্তিখনত এইটোও কোৱা হৈছিল যে আক্রমণৰ সময়ত বা আক্রমণৰ সম্ভাৱনা সৃষ্টি লৈ, দেশ দুখনে পাৰস্পৰিক আলোচনাত মিলিত হৈ শান্তি পূর্ণ উপায়ৰ মাধ্যমেৰে

বিবাদ মীমাংসা কৰিব। শান্তিপূর্ণ সহাৱস্থানৰ প্রতি দুয়োখন দেশে আনুগত্য প্রকাশ কৰিছে। অর্থনৈতিক, বৈজ্ঞানিক আৰু প্রযুক্তি বিদ্যাৰ ক্ষেত্রত, দেশ দুখনে সহযোগিতা কৰিবলৈ সিদ্ধান্ত লৈছিল। জলসিঞ্চন শিক্ষা, সংস্কৃতি আৰু খেলত একেলগে কাম কৰিবলৈ দেশ দুখনে সিদ্ধান্তত উপনীত হৈছিল। ভাৰত-বাংলাদেশ বন্ধুত্ব আৰু শান্তি চুক্তিয়ে দেশ দুখনৰ দ্বিপাক্ষিক ক্ষেত্রৰ বিশাল পৰিধি সামৰি লোৱা উপৰিও আন্তঃ ৰাষ্ট্রীয় শান্তি আৰু নিৰাপত্তাৰ বিষয়তো গুৰুত্ব আৰোপ কৰিছিল।



১৪.৭ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন (৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ কোন চনত বাংলাদেশৰ জন্ম হৈছিল?

প্রশ্ন ২ ঃ গংগা নদীৰ পানী ভাগ-বাটোৱাৰা কৰিবলৈ কোন চনত এখন পাঁচবছৰীয়া দ্বিপাক্ষিক চুক্তি স্বাক্ষৰিত হৈছিল?

প্রশ্ন ৩ ঃ ১৯৭২ চনৰ ১৯ মার্চত ভাৰত আৰু বাংলাদেশৰ মাজত কোনখন চুক্তি স্বাক্ষৰিত হৈছিল?

প্রশ্ন ৪ ঃ শেখ মুজিবুৰ ৰহমান কোনটো ৰাজনৈতিক দলৰ নেতা আছিল?

(খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ১৯৭২ চনৰ বাংলাদেশ মৈত্রী আৰু শান্তি চুক্তিখন ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ ভাৰত আৰু বাংলাদেশৰ মাজত গংগা নদী আৰু ফাৰাক্কা বান্ধৰ পানী ভগাই লোৱাক লৈ দেখা দিয়া সমস্যা বর্ণনা কৰক।

প্রশ্ন ৩ ঃ নিউ মূৰ দ্বীপ বিবাদটো কি আছিল ব্যাখ্যা কৰক।

প্রশ্ন ৪ ঃ সমসাময়িক ভাৰত-বাংলাদেশ সম্পর্কৰ বিষয়ে বর্ণনা কৰক।

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ১৯৭১ চনৰ পৰা আজিলৈকে ভাৰত-বাংলাদেশ সম্পর্কৰ বিষয়ে বহলাই আলোচনা কৰক।

প্রশ্ন ২ ঃ ১৯৭২ চনৰ ভাৰত-বাংলাদেশ বন্ধুত্ব আৰু শান্তি চুক্তি আৰু ১৯৭২ চনৰ ভাৰত-বাংলাদেশ বাণিজ্য চুক্তিৰ আধাৰত গংগা নদী আৰু ফাৰাক্কা বান্ধৰ পানী ভাগ-বাটোৱাৰা তথা নিউ মূৰ দ্বীপ বিবাদক লৈ ভাৰত আৰু বাংলাদেশৰ মাজৰ সম্পর্কই কেনে ৰূপ ধাৰণ কৰিছিল ব্যাখ্যা কৰক।

****



প্ৰসঙ্গ পুথি

অসমীয়া গ্ৰন্থ ঃ

১) পাল, ড° কৃপেশ চন্দ্ৰ, নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ আৰু পাটগিৰি, ড° ৰুবুল (২০১২); *স্নাতক মহলাৰ আন্তৰ্জাতিক ৰাজনীতি*; গুৱাহাটী, অৰুণ প্ৰকাশন।

২) চক্ৰৱৰ্তী, দিলীপ কুমাৰ (২০০৫); *আন্তৰ্জাতিক আইন আৰু কূটনীতি*; গুৱাহাটী, বনলতা।

ইংৰাজী গ্ৰন্থ ঃ

১) Agarwal, Dr. H.O. (2016). *International Organisations*. Second Edition, Reprint 2018, Central Law Publications, Allahabad.

২) Appadorai, A. and Rajan, M. S.: *India's Foreign Policy and Relations*, South Asian Publishers, New Delhi

৩) Bandyopadhyaya, Jayantanuja (2003). *The Making of India's Foreign Policy*. New Delhi: Allied Publishers Pvt. Ltd.

৪) Baneerjee, Dipankar (ed.): *SAARC in the Twenty- First Century*: Towards a Cooperative Future, India Research Press, 2002

৫) Baruah, Dr. Deva Prasad (2009). *Bharatar Baideshik Niti*. Guwahati: Swastika Prakashan

৬) Basu, Rumki. (1993). *The United Nations, Structure and Functions of an International Organisation*. First Edition, Reprint 2012, Sterling Publishers Private Limited, New Delhi.

৭) Biju, M.R. (2007). *New Horizons of Indian Foreign Policy*. Delhi: Authorpress

৮) Chhabra, H.K. (1939). *Foreign Policies of Major Countries*. Delhi: Surjeet Publications

৯) Chander, Prakash and Prem Arora: *Comparative Politics and International Relations*, Cosmos Bookhive(P)Ltd., New Delhi

১০) Dhar, S.N. *International Relations and World Politics since 1919*, Kalyani Publishers

১১) Dutt, V.P. (2014). *India's Foreign Policy in a Changing World*. Noida: Vikas Publishing House Pvt. Ltd.

১২) Ghai, K.K.: *International Relations - Theory and Practice*, Kalyani

Publishers\

১৩) Goldstein, Joshua S. : *International Relations(sixth edition)*, Pearson Education, New Delhi, 2007

১৪) Khanna, V.N. (2007). *Foreign Policy of India. New Delhi*: Vikas Publishing House Pvt. Ltd.

১৫) Kumar, Mahendra: *Theoretical Aspects of International Politics*, Shiva Lal Agarwal & Company, New Delhi

১৬) Malhotra, Vinay Kumar2: *International Relations*, Anmol Publications Pvt.Ltd., New Delhi, 2006

১৭) Murthy, B.S. (1993). *International Relations and organisation for law students*, National Law School of India Bar Council Of India Trust, Eastern Book Company, Lucknow.

১৮) Pruthi,R.K.: *International Relations - Since 1919*, Mohit Publications, New Delhi, 2006

১৯) Srivastava, Dr. L.S. and Joshi, Dr. V.P. *International Relations*, Goel Publishing House

ৱেবছাইট্ ঃ

১) http://europa.eu

২) www.imf.org

৩) www.saarc-sec.org

৪) www.un.org

৫) www.worldbank.org

৬) www.wto.org